



# আলোচনী

## ছিপাঝাৰ মহাবিদ্যালয়

২০০৫-০৬ বৰ্ষ

---

সম্পাদক ঃ হিমাংশু গৌতম




MAGAZINE, SIPAJHAR COLLEGE : An annual publication of Sipajhar College for the session 2005-06, published by Sipajhar College Students' Union and edited by Himangsu Gautam.




## আলোচনী (২৪তম সংখ্যা)ৰ নেপথ্যত



| | | |
|---|---|---|
| সভাপতি | ঃ | কনক চন্দ্ৰ ডেকা |
| তত্বাৱধায়ক | ঃ | মহেন্দ্ৰ কটকী |
| শিক্ষক সদস্য | ঃ | প্ৰসন্ন কুমাৰ নাথ |
| | | মন্টু হাজৰিকা |
| সম্পাদক | ঃ | হিমাংশু গৌতম |
| ছাত্ৰ সদস্য | ঃ | প্ৰাঞ্জল বৰুৱা |
| | | বন্দনা দাস |
| পদেন সদস্য | ঃ | বিপুল কুমাৰ শৰ্মা |
| অক্ষৰ বিন্যাস | ঃ | যদুমণি শইকীয়া |
| সামগ্ৰিক পৰিকল্পনা | ঃ | সম্পাদক |
| মুদ্ৰণ | ঃ | মাল্টি গ্ৰাফিক্চ, মঙলদৈ |

তুমি সাৰ পালেই সাৰ পায় সকলো
শুকান পথাৰৰ পৰা জীপাল সেউজীয়ালৈ
তোমাৰ হাতত হাত ধৰি খোজ দিয়া
আমি স্বপ্নাতুৰ প্ৰেমিক
যিদৰে আকাশৰ শুভ্ৰতাত সাৰ পায় জোনাক
যিদৰে তিৰবিৰ মলয়াত শুনা পায় গছৰ ছন্দ
তুমি জ্বলি থকা আশাৰ প্ৰদীপ
তুমি সাৰে থাকিলেই
জীৱন্ত হ'ব প্ৰাকৃতিক ভাস্কয্য
আশাহত চৰায়ে গাব গান
জোনবাইৰ দেশলৈ আমাৰ এই যাত্ৰাত
বাজি থাকক তোমাৰেই জয়গান......

তুমি প্ৰেমিক হোৱা
তুমি যোদ্ধা হোৱা
তোমাতেই সাৰ পাওঁক সহস্ৰজনৰ কবিতা.......

# শ্ৰদ্ধাঞ্জলি



**মহেন্দ্ৰ শৰ্মা**

মৃত্যু ঃ ১২ অক্টোবৰ, ২০০৬



**সবিতা দেৱী**

মৃত্যু ঃ ১০ অক্টোবৰ, ২০০৬

যদি কেতিয়াবা মই
ঈশ্বৰক লগ পাওঁ
মই কম
মৃত্যু যদি শিল্পই হয়
জীৱনটো পূৰ্ণ হবলৈ দিয়া
য'ত জীৱনেই শূন্য
ত'ত মৃত্যুৰ অৱকাশ ক'ত।

সৰ্বভাৰতীয় পৰ্যায়ত
সাহিত্য, সংস্কৃতি আৰু সুৰক্ষাৰ স্বাৰ্থত
আমাৰ মাজৰ পৰা আঁতৰি যোৱা পুণ্যাত্মা সকলৰ স্মৃতিত
শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছোঁ।

राष्ट्रीय मूल्यांकन एवं प्रत्यायन परिषद

विश्वविद्यालय अनुदान आयोग का स्वायत्त संस्थान

NATIONAL ASSESSMENT AND ACCREDITATION COUNCIL

*An Autonomous Institution of the University Grants Commission*

# *Certificate of Accreditation*

*The Executive Committee of the National Assessment and Accreditation Council on the recommendation of the duly appointed Peer Team is pleased to declare the*

*Sipajhar College*

*Sipajhar, Dist. Darrang, affiliated to Gauhati University, Assam as*

***Accredited***

*at the C++ level.*

*Date : November 04, 2004*

NAAC

*Director*

- This certification is valid for a period of Five years with effect from November 04, 2004
- An institutional score (%) in the range of 55-60 denotes C grade, 60-65-C+ grade, 65-70-C++ grade, 70-75- B grade, 75-80- B+ grade, 80-85-B++ grade, 85-90- A grade, 90-95-A+ grade, 95-100-A++ grade (upper limits exclusive)

মহাবিদ্যালয়ৰ সৰ্বোচ্চ আসনত....




**কনক চন্দ্ৰ ডেকা**

অধ্যক্ষ (ভাৰপ্ৰাপ্ত)

ছিপাঝাৰ মহাবিদ্যালয়

## শুভেচ্ছাবাণী



আপোনালোকৰ কলেজৰ বছেৰেকীয়া আলোচনীখনলৈ মোৰ আন্তৰিক শুভ ইচ্ছা জনালোঁ। কলেজীয়া ছাত্ৰ-ছাত্ৰীসকলৰ সাহিত্য প্ৰতিভা বিকাশত আপোনালোকৰ আলোচনীয়ে আগভাগ লওক।

৭ ফেব্ৰুৱাৰী, ২০০৭
গুৱাহাটী

(হীৰেণ ভট্টাচাৰ্য)




# শূন্যই আৰম্ভণি, জীৱন ইয়াৰ প্ৰাপ্তি মৃত্যুৱেই সত্য

মনৰ স্বতঃস্ফূৰ্ত আহ্বানত সৃষ্টি হয় 'সাহিত্য'। আকাশ, বতাহ, সময়ৰ সোঁতে সৃষ্টি কৰে 'গল্প'। ইতিহাসৰ পাতত লুটি খাই বাগৰে 'প্ৰবন্ধ'। ফাগুনৰ ধুলি, বহাগৰ নতুন হাঁহি, সাগৰৰ নীলা..... তাৰ মাজত 'তুমি'ৰ কল্পনাই 'কবিতা'ৰ জন্মৰ কাহিনী। অহৰহ নতুনৰ সন্ধানত ব্যস্ত সময়ে কেতিয়াবা কোনো শুভ মুহূৰ্তত ছিপাঝাৰ মহাবিদ্যালয়ৰ আলোচনীৰ জন্ম দিছিল। সুকোমল হাতৰ পৰশত প্ৰাণ পায় উঠিছিল আলোচনীখনে। হাঁহি-ধেমালিৰ মাজেৰে পাৰ কৰিছিল শৈশৱ। দুৰূহ বাস্তৱৰ স্পৰ্শত কেইবাটাও বসন্ত অতিবাহিত কৰা 'আলোচনীখন' বৰ্তমান আমাৰ প্ৰতিবিম্ব...... প্ৰতিশ্ৰুতি........ আৰু আন্দোলিত হৃদয়ৰ গোপন অভিসাৰ।

হাঁহি নাই...... স্পৰ্শত অনুভূতি নাই...... কল্পনা কৰাৰ বাবেও সময়ৰ অভাৱ। ..... আঙুলি নাচে কম্পিউটাৰৰ কী-বোৰ্ডত, কোনোবা বেনামী ৱেবচাইটৰ সন্ধানত। ব্যস্ত মানুহ, ব্যস্ত পৃথিৱী, অৱধাৰিত সময়। চাৰিওফালে হাহাকাৰ। বিশ্বায়নত এক পৃথিৱী...... এক জাতি..... এক পৰম্পৰা হোৱাৰ মুহূৰ্তত জন-কলা-কৃষ্টি নাঙঠ হোৱাৰ উপক্ৰম। ধৰ্ষিতা সমাজ। গীতা..... বাইবেল...... কোৰান ব্যৱসায়ৰ নতুন মাধ্যম। ঈশ্বৰৰ পলায়ন।

স্বামী বিবেকানন্দৰ সপোনৰ ডেকাদলে আজি বন্দুকৰ গুলিৰে দেৱালী পালন কৰে, তেজেৰে ফাকু খেলে। "Youth Power Nation's Power" শীৰ্ষক শ্ল'গান ব্যৰ্থ। আশাহত চৰাই...... ব্যৰ্থ জীৱনৰ হতাশা..... নিয়ৰৰ মাজত শেৱালিৰ অপমৃত্যু। ডেকা আছে অৰণ্যৰ নিৰ্জন কোণত...... আঙুলিৰ স্পৰ্শত মৃত্যুৰ বিভীষিকা.....

*"মোৰ দেশ আজি অশান্ত*
*মই কেনেদৰে প্ৰেমৰ কবিতা লিখোঁ"*

কবিৰ কলমত আজি ছন্দহীন নিৰৱতা। উচুপি উঠে বিষুবাতা।

"নিজৰ ডিগ্ৰীতো এটেষ্টেড কৰি থৈছো, কোনোবা ৰাজনৈতিক দালালৰ সতে গোপন বুজাবুজি কৰিবলৈ।"- আজিৰ ডেকাৰ সহজাত বাক্য। টকা আৰু জীৱনৰ পথ সুনিশ্চিত কৰাৰ মাজত দলগত ৰাজনৈতিক প্ৰভাৱ। ক্ৰমবৰ্দ্ধমান ভ্ৰষ্টাচাৰীৰ ৰাজনীতি। সময়ৰ সোঁতত কলুষিত ইতিহাস। হাঁহি হাঁহি আকাশলে চালে তৰাবোৰে ইতিকিং কৰে। নিজৰ ডিগ্ৰীক এটেষ্টেড কৰি ক,খ,গ..... নজনা ৰাজনৈতিক দালালেৰে আমি আমাৰ সুন্দৰ ভৱিষ্যত গঢ়াৰ সপোন দেখোঁ। হায়! নিজে নিজৰ ভৰিত থিয় দিবলৈ সহায় লব লাগে নৈতিকতাহীন কিছুমান মানুহৰ। খেতি মাটি চন পৰিল। নিজস্ব সত্বাক বেচি আমি দৌৰিছো ক্ৰমশঃ বিদেশী হবলৈ। ইম্পৰ্টেডৰ প্ৰতি আমাৰ আকৰ্ষণ বেছি। চাৰিওফালে বিশ্বায়ন...... মাথো এক বিশ্ব কৰাৰ বহিঃৰাষ্ট্ৰৰ পৰিকল্পনাত আমি নিয়োজিত সৈনিক।

**প্ৰথম পৃষ্ঠা**




"আজিৰ ছাত্ৰ কালিৰ নাগৰিক।" বয়সৰ ব্যৱধানে কমাব পৰা নাই আমাৰ বিকৃত চিন্তাৰ মানসিকতা। ছাত্ৰ সমাজ কালিৰ কিয় (?) বৰ্তমান ৰাষ্ট্ৰৰ এক অবিচ্ছেদ্য অংগ। যাৰ অবিহনে অসম্ভৱ ৰাষ্ট্ৰৰ গঠন প্ৰক্ৰিয়া। অৰাজনৈতিক বিচাৰেৰে দেশৰ সৰ্বাংগীন বিকাশত ছাত্ৰৰ ভূমিকা সম্পৰ্কে আমাৰ দ্বিমত। দিন, মাহ, বছৰ পাৰ হ'ল। বিকশিত হ'ল দেশৰ ৰাজনীতি। হাইটেক হ'ল চহৰ। তথাপি ছাত্ৰ সম্পৰ্কে অপৰিবৰ্তিত আমাৰ মানসিকতা। আমি ছাত্ৰ সমাজক যদি কালিৰ নহয় আজি দেশৰ নাগৰিক বুলি কওঁ (ৰাজনৈতিক অধিকাৰ প্ৰাপ্তিৰ পিচত) ভুল কোৱা হব নেকি! চিন্তা সমাজৰ।

হিউৱেন চাং ভাৰতৰ পৰা নিজ দেশ অভিমুখে কৰা যাত্ৰাত এগছি চাকি জ্বলাই লৈ গৈছিল, ভাৰতৰ আধ্যাত্মিক চিন্তাৰে নিজ দেশৰ উন্নতি কৰিবলৈ। কিন্তু সেই আধ্যাত্মিকতা বাদ দি আমি নৱ ৰাষ্ট্ৰবাদেৰে যি "মেকলে" শিক্ষা পদ্ধতি যুৱ-সমাজক ঢালি দিছো তাৰ ফলতে দেশৰ প্ৰতি আমাৰ মোহভংগ হৈছে। আমি আমাক চিনি নোপোৱা হৈছো। ক্ৰমশঃ পাহৰিছো-

*"জন গণ মন অধিনায়ক জয়হে*
*ভাৰত ভাগ্য বিধাতা......."*

প্ৰতিক্ষণত জন্ম হৈছে কোনোবা "আফজল"।

মহাভাৰতৰ যুধিষ্ঠিৰ, অৰ্জুন অথবা কৃষ্ণৰ দিনতো দুৰ্যোধন আছিল। শকুনিয়ে সেই সময়তো পাশা খেলেৰে নিৰস্ত্ৰ কৰিছিল বিদুৰৰ সুযোগ্য ৰাজনীতি। সময়ৰ পৰিহাস। মহাভাৰতৰ যুদ্ধত কিন্তু সহস্ৰ সৈনিকৰ বিপক্ষে জয়ী হৈছিল পাণ্ডৱ। দুঃসময় ভাগ্যচক্ৰৰ প্ৰভাৱ। দুঃসময়ত বিচলিত নহৈ নিজৰ মনতো ধ্ৰুৱক কৰাতোহে মানৱ জীৱনৰ সৰ্বোচ্চ পুৰস্কাৰ। নিজস্ব সত্ত্বাক চিনি, দেশৰ ঐক্য-সংহতি ৰক্ষাত নিজক নিয়োজতি কৰাতোহে মানৱ ধৰ্ম। যি ইতিহাসত দেশৰ সুযোগ্য সন্তানৰূপে পৰিগণিত হয়।

এখন ভাল হৃদয়ৰ আশে পাশে অজস্ৰ অশান্ত হৃদয় ঘূৰি ফুৰে। অশান্তক শান্ত কৰাটোৱেই আধ্যাত্মিকতা। যাৰ আমি আজন্ম প্ৰেমিক। নিজে ভাল বুলি যিটো ভবা যায় তাক নিষ্ঠা আৰু সততাৰে কৰিলে ফলাফল পায়। তেনেহলে অপেক্ষাৰ অন্ত হব যদি আমি ক্ৰমশঃ আমাক চিনি পাওঁ।

শেষত তেওঁলোকলৈ ধন্যবাদ...... যাৰ সৃজনশীল মনে অংকুৰিত কৰিছিল ছিপাঝাৰ মহাবিদ্যালয়ক। যাৰ ঔৰসত জন্ম লভিছিল এই আলোচনীৰ। যাৰ অনুপ্ৰেৰণাত মই এই মহাবিদ্যালয়ৰ আলোচনী সম্পাদক হিচাপে দায়িত্ব পাইছিলোঁ। যাৰ সহায়ৰ হাতে মোক হব দিয়া নাছিল নিসংগ। যাৰ আশীষে মোক এই গুৰু দায়িত্ব পালন কৰাত সহায় কৰিলে। তেওঁলোকৰ ওচৰত চিৰকৃতজ্ঞ, চিৰঋণী।........

প্ৰথম পৃষ্ঠা

# স্বৰ্গীয় মহেন্দ্ৰ শৰ্মাৰ সোঁৱৰণত শ্ৰদ্ধাঞ্জলি



*"ন জায়তে ম্ৰিয়তে বা কদাচিৎ ন অয়ং*
*ভূত্বা ভৱিতা বা ন ভূয়ঃ*
*অজঃ নিত্যঃ শাশ্বতঃ অয়ং পুৰাণঃ*
*ন হন্যতে হন্যমানশৰীৰে"*

উনবিংশ শতিকাৰ ইংৰাজী ৰোমান্তিক কাব্য সাহিত্যৰ কৰ্ণধাৰ William Wordsworth এ ৰাস্তাৰ কাষৰ ডোবা এটাত জোক সংগ্ৰহ কৰি থকা এজন তেনেই সাধাৰণ বৃদ্ধলোকৰ ওপৰত এটি বৰ তাৎপৰ্যপূৰ্ণ কবিতা লিখিছিল, – কবিতাটোৰ নাম হ'ল "The Leech Gatherer"। অইন বিশেষ মহৎ কাৰ্য কৰিব নোৱাৰিলেও পানীৰ পৰা জোকবোৰ আঁতৰাই কেনেকৈ মানুহক ইয়াৰ আক্ৰমণৰ পৰা ৰক্ষা কৰিব পাৰি এইটোৱেই আছিল এই সাধাৰণ বৃদ্ধ লোকজনৰ মানৱ সেৱাৰ প্ৰতি থকা নিষ্ঠাপূৰ্ণ আসক্তি। কামটো যদিও সৰু, তেওঁৰ লক্ষ্যটো আছিল মহৎ। ঠিক তেনেদৰে প্ৰতিখন সমাজত এনে কিছুমান সৰু সৰু লোক আছে যিসকলে নিজৰ এই মঙ্গল সাধন কৰিবলৈ আন্তৰিকতাৰে আগবাঢ়ি আহে। এনেবোৰ লোকে নিজৰ ক্ষুদ্ৰ স্বাৰ্থ পূৰণৰ বাবে কোনোধৰণৰ অসৎ উপায় অৱলম্বন কৰা দেখা নাযায়। খ্যাতি আৰু যশস্যাৰ কীৰিটি মূৰত আৰু সম্ভাষণৰ মালা ডিঙিত নললেও এওঁলোকেই কিন্তু সঁচা মানুহৰ জীৱন্ত প্ৰতীক। দুৰ্ভাগ্যৰ কথা যে এনেবোৰ সঁচা মানুহৰ সংখ্যা ক্ৰমে লোপ পাই আহিছে। সেয়ে, এনে এজন ব্যক্তিৰ মৃত্যুত সমাজৰ প্ৰভূত ক্ষতি হোৱাটো স্বাভাৱিক, বিশেষকৈ নৈতিকতাৰ দিশত। ইংৰাজ লেখক A.G. Gardiner ৰ সেই বিশেষ বাছ কণ্ডাক্টৰজনে নিজ কৰ্মৰ পথত উদীপ্ত সূৰ্যৰ কিৰণ বিলাই অহাৰ দৰে এনেবোৰ সৎ আৰু সাধু লোকে সমাজৰ তলশ্ৰেণীত বসবাস কৰিও নিজ কৰ্মপথত সেই একেই কিৰণ বিলাই থাকিবলৈ সক্ষম হয়। তেওঁলোকৰ কৰ্মৰ আলোকে হয়তো বহুতো অপকৰ্মকাৰীক প্ৰায়শ্চিত্তৰ কৃচ্ছতা গ্ৰহণ কৰিবলৈ বাধ্য কৰায়। সেয়ে, তেওঁলোকৰ জীৱনাদৰ্শ চিৰদিন সাধুলোকৰ দৃষ্টিত 'ন হন্যতে হন্যমানশৰীৰে' সদৃশ। জীৱন্ত কালত সমাজৰ নানান চিকমিকনিত তেওঁলোকৰ জ্যোতি আনৰ চকুত নপৰিলেও মৃত্যুৰ পিছত বাৰুকৈয়ে উপলব্ধি কৰা যায় যে তেনেবোৰ মানুহে প্ৰকৃতাৰ্থত মানুহ (Rational being)।

বৃহত্তৰ ছিপাঝাৰ অঞ্চলতো এনেকুৱা বহুতো অখ্যাত সৰু মানুহে জনম লাভ কৰি সততাৰ প্ৰতীক হিচাপে স্বীকৃতি লাভ কৰিবলৈ সক্ষম হৈছে। তাৰেই এজন আমাৰ অতি মৰমৰ সদ্য প্ৰয়াত মহেন্দ্ৰ শৰ্মাদেৱ; কাৰোবাৰ দৃষ্টিত 'মহেন', কাৰোবাৰ দৃষ্টিত 'শৰ্মা', কাৰোবাৰ দৃষ্টিত 'শৰ্মাদা' আৰু অইন কাৰোবাৰ দৃষ্টিত 'মহেন্দ্ৰ কা'। কিযে মৰমৰ মাত আছিল এইবোৰ! নিষ্ঠুৰ নিয়তিৰ পৰশত চিৰদিনৰ কাৰণে ছিপাঝাৰ মহাবিদ্যালয়ৰ চৌহদৰ পৰা এই মৰমসনা শব্দবোৰ তেনেই নিস্প্ৰভ হৈ পৰিল। ৰৈ থাকিল মাথো কিছুমান মিঠা মিঠা স্মৃতি, যি স্মৃতিয়ে তেওঁৰ সংস্পৰ্শলৈ অহা প্ৰতিজন ব্যক্তিৰে হৃদয়খন গহীন কৰি তোলে আৰু নয়ন কৰি তোলে অশ্ৰুসিক্ত। বৃত্তিত তেওঁ আছিল মহাবিদ্যালয়খনৰ অধ্যক্ষৰ অফিচ পিয়ন; কিন্তু মানুহ হিচাপে আছিল সততা, কৰ্তব্যনিষ্ঠা, ধৈৰ্য আদি নানা গুণেৰে বিভূষিত এটি সুউচ্চ প্ৰতিমূৰ্তি। ক'লা বৰণৰ দেহটিৰ মাজত তেওঁ কঢ়িয়াই ফুৰিছিল এখনি নিৰ্মল হৃদয় আৰু এক চমৎকাৰপূৰ্ণ নিকা চৰিত্ৰ। ছিপাঝাৰ মহাবিদ্যালয়ৰ লগত জন্মলগ্নৰে পৰা ওতঃপ্ৰোতভাৱে জড়িত

এই নিঃস্বাৰ্থ ব্যক্তিজনক ছিপাঝাৰ উচ্চতৰ মাধ্যমিক আৰু বহুমূখী বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ মাননীয় শ্ৰীভাস্কৰ তালুকদাৰদেৱে এটি বহু কালধৰি জ্বলি জ্বলি ক'লা বৰণ আহৰণ কৰা মাটিৰ চাকিৰ লগত তুলনা কৰিছিল। যিসকলে শৰ্মাদেৱক বাস্তৱ জীৱনত পাইছে তেওঁলোকে নিশ্চয় উপলব্ধি কৰিব যে এই উপমা মহাকাব্যিকভাৱে অৰ্থবহ। আমি আশাকৰো, তেওঁৰ নশ্বৰ দেহ পঞ্চভূতত বিলীন হৈ যোৱাৰ পিছতো তেওঁৰ ব্যক্তিত্বৰ বহ্নিশিখা আমাৰ মাজত চিৰদিন জিলিকি থাকিব।

What Mahendra Sarma was not? অধ্যক্ষৰ আছিল এজন বিশ্বস্ত অনুচৰ, শিক্ষক কৰ্মচাৰীৰ বন্ধুসদৃশ জেষ্ঠ ভাতৃ, ছাত্ৰ-ছাত্ৰীসকলৰ পিতৃসদৃশ নিৰ্দেশক আৰু অইন ব্যক্তিৰ কাৰণে এজন কৰ্তব্যনিষ্ঠ কৰ্মচাৰী। ৰাতিপুৱাই আঠ বাজি যোৱাৰ লগে লগে তেওঁ মহাবিদ্যালয়ত হাজিৰ হৈ অধ্যক্ষৰ কোঠালি চাফ-চিকুণ কৰি উঠি অন্যান্য যাৱতীয় কামত হাত দিছিল। তেৱেঁই মহাবিদ্যালয় চুটি হোৱাৰ পিছত সকলোতকৈ পিছত ঘৰমুখী হোৱা মানুহ। কোনোদিনে কাৰোপৰা লেৰেলা আপ্যায়ন নিবিচৰা শৰ্মাদেৱ কিন্তু সংশ্লিষ্ট সকলোৰে সৌহাৰ্দ্য স্বৰূপ আছিল। কণিষ্ঠ জনৰ কিবা দোষ দেখিলে, শিক্ষকেই হওঁক কিম্বা ছাত্ৰয়েই হওঁক তেওঁ সুন্দৰ আলাপেৰে কেনেকৈ এই দোষ আঁতৰাব পাৰি তাৰ বাবে প্ৰচেষ্টা চলাইছিল। কাৰোবাৰ মাজত কিবা বিবাদ হ'লে দুয়োপক্ষকে বুজাই বঢ়াই তেওঁলোকৰ মাজৰ পৰা অবিভাৱ আঁতৰোৱাত তেওঁ বিশেষ মনোযোগ দিছিল।

মহাবিদ্যালয়ত কিবা অনুষ্ঠান হ'লে অভ্যাগত সকলৰ ওপৰিও শিক্ষক-কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীসকলে যথাযথ আপ্যায়ন পাইছেনে নাই তালৈ নজৰ দিছিল। পৰীক্ষা পৰিচালনা, নামভৰ্তি, গৃহনিৰ্মাণ তথা অন্যান্য উন্নয়নৰ কাম-কাজৰ প্ৰতি তেওঁৰ আছিল আন্তৰিক সহযোগ। উল্লেখনীয় কথাটো হ'ল নানান আহ্কালৰ মাজতো তেওঁ কাৰো ওচৰত হাত নাপাতিছিল। কোনোবাই কেতিয়াবা উপযাচি দিলেও তেওঁ হাত পাতি লৈছিল হয়, যথাসময়ত এইবোৰ পৰিশোধ কৰিছিল। আমি জনামতে মৃত্যুৰ সময়লৈকে মহেন্দ্ৰ শৰ্মা কাৰো ওচৰতে ঋণী হৈ থকা নাই।

প্ৰয়াত শৰ্মাৰ জন্ম হৈছিল ছিপাঝাৰৰ দক্ষিণচুবুৰী গাঁৱৰ এটি দুখীয়া ব্ৰাহ্মণ পৰিয়ালত। পিতৃৰ নাম আছিল কৃষ্ণকান্ত শৰ্মা আৰু মাতৃৰ নাম আছিল দোভাগী দেৱী। নিজ চুবুৰীৰ প্ৰাথমিক বিদ্যালয়তে তেওঁ শিক্ষা জীৱন আৰম্ভ কৰে। তাৰ পিছত ছিপাঝাৰ এম.ভি. স্কুলত শিক্ষা সাং কৰি বৰ্তমানৰ ছিপাঝাৰ উচ্চতৰ মাধ্যমিক আৰু বহুমূখী বিদ্যালয়ত অষ্টম শ্ৰেণীলৈ শিক্ষা গ্ৰহণ কৰে। আৰ্থিক অনাটন আৰু নানান ঘৰুৱা অসুবিধাৰ সন্মুখীন হৈ ছাত্ৰ জীৱনৰ অন্ত পেলাই জীৱিকাৰ সংগ্ৰামত অৱতীৰ্ণ হয়। পিছলৈ যেনিবা ডেকা কালত ছিপাঝাৰ মঙলদৈ লাইনৰ চিটিবাছত কণ্ডাক্টৰ হিচাপে জিৱিকাৰ বাট উলিয়াই। মহেন্দ্ৰ শৰ্মা এজন সৎ আৰু ভদ্ৰ কণ্ডাক্টৰ বুলি তেতিয়াৰ দুই চাৰিজন লোকে আজিও প্ৰশংসাসূচক মন্তব্য দিয়ে। ইংৰাজী ১৯৭০ চনত দময়ন্তী দেৱীৰ লগত তেওঁ বিবাহ পাশত আবদ্ধ হয়। ইতিমধ্যে ছিপাঝাৰ অঞ্চলত এখনি মহাবিদ্যালয় স্থাপন কৰাৰ বতাহ বলিবলৈ ধৰে। ফলশ্ৰুতিত ইংৰাজী ১৯৭১ চনৰ ১৬ আগষ্টত ছিপাঝাৰ মহাবিদ্যালয়ৰ জন্মলগ্ন ঘটে। স্বৰ্গীয় শৰ্মাদেৱে দিনৰ ভাগত চিটিবাছৰ কণ্ডাক্টৰ হিচাপে কাম কৰি মহাবিদ্যালয়খনিৰ সন্ধিয়াৰ শ্ৰেণীসমূহ সুপৰিচালিত হোৱাত ইটো সিটো সহায় আগবঢ়ায়। শেহলৈ যেনিবা চিটিবাছৰ চাকৰি ইস্তফা দি ইংৰাজী ১৯৭৯ চনত ছিপাঝাৰ মহাবিদ্যালয়ত চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী হিচাপে যোগদান কৰে। চালুকীয়া মহাবিদ্যালয়খনিৰ কমিটিয়ে আগবঢ়োৱা যৎসামান্য পাৰিশ্ৰমিক লৈয়েই তেওঁ অতি কষ্টেৰে সংসাৰ চলাবলৈ লয়। তেতিয়াৰ পৰা জীৱনৰ অন্তিম ক্ষণলৈকে মহেন্দ্ৰ শৰ্মা আছিল এই বিদ্যামন্দিৰৰ ভিতৰ-বাহিৰৰ অতন্দ্ৰ প্ৰহৰী। অতি দুখৰ কথা এয়ে যে কৰ্মৰত অৱস্থাতে বিগত ইংৰাজী ২০০৬ চনৰ ১২ অক্টোবৰত দুৰাৰোগ্য ৰোগে এইজন 'প্ৰকৃত মনুষ্য'ক নিয়তিৰ কোলাত চিৰদিনৰ বাবে শুৱাই দিয়ে।

স্বৰ্গীয় শৰ্মাদেৱৰ জীৱন নিৰ্বাহৰ এটা সুকীয়া পদ্ধতি আছিল। দৰমহা হিচাপে পোৱা টকা কেইটা যথাযথ ব্যৱহাৰেৰে ঘৰখন আটোমটোকাৰীকৈ সজাই লোৱাৰ ওপৰিও একমাত্ৰ কন্যাক এম.এ., বি.এড. ডিগ্ৰীধাৰী কৰিবলৈ সক্ষম হৈছিল। প্ৰথম পুত্ৰজনে স্নাতক ডিগ্ৰী লাভ কৰি শিক্ষা বিভাগৰ বিভিন্ন আঁচনিত কাম কৰিবলৈ সমৰ্থ হৈছে। দ্বিতীয়জন পুত্ৰয়ো উচ্চতৰ মাধ্যমিক পৰীক্ষাত উত্তীৰ্ণ হৈ ঘৰখন চলাই আছে। ইহঁত প্ৰত্যেকেই সৎ চৰিত্ৰৱান আৰু দায়িত্বশীল সন্তান। তেখেতে ল'ৰা-ছোৱালীক উচ্চ শিক্ষা গ্ৰহণ কৰাৰ ক্ষেত্ৰত সদায় উদ্‌গনি দিছিল। নিজৰ ঘৰ বাৰীত পৰিবেশে আছিল বৰ মনোমোহা। কাঠ আৰু টিনপাতেৰে সজোৱা সৰু সৰু ঘৰকেইটিয়ে তেখেতৰ শিল্পীমনৰ পৰিচয় ডাঙি ধৰে। পদূলিমুখত ফুলি থকা পাৰিজাত ফুলবোৰেই বাগিছাৰ অন্যান্য ফুলবোৰকো যেন নান্দনিক ৰূপ দিব পাৰিছে, দেখিলেই অনুমান কৰিব পাৰি। ঘৰখনৰ প্ৰতিটো বস্তুতেই যেন কলাৰ ৰহন লাগি আছে তেনে অনুমান হয়। পৰিবেশটোক বেছি উজ্বল কৰি ৰাখে পৰিয়ালৰ প্ৰতিজনৰ ওঠত ভাঁহি থকা মিচিকিয়া হাঁহিটোৱে। মহেন্দ্ৰ শৰ্মা এজন অফিচ পিয়নেই নাছিল, আছিল এজন স্বভাৱশিল্পী আৰু খনিকৰো।

মন কৰিবলগীয়া কথাটো হ'ল, শৰ্মাদেৱ আছিল গুণৰ পূজাৰী। চাকৰিৰ ওপৰিও বিভিন্ন সামাজিক কাম-কাজত বিশেষভাৱে জড়িত আছিল। তেখেতৰ সমকালীন লোকসকলে কোৱা কুই কৰে যে শৰ্মাদেৱে ফুটবল খেল আৰু অভিনয়ৰ মাজেৰে দৰ্শকক মোহিব পাৰিছিল। তেওঁ আছিল এজন আদৰণীয় কৌতুক অভিনেতা। মহাবিদ্যালয়ৰ কাম-কাজৰ প্ৰতি উদাসীন নোহোৱাকৈয়েই কাণৰ কাষত এটি সৰু ৰেডিঅ' লৈ ক্ৰিকেট খেলৰ কমেন্ট্ৰি শুনিছিল, বিভিন্ন কিতাপ, আলোচনী, খবৰ কাগজ আদি পঢ়িছিল। নুবুজা কথাবোৰ শিক্ষক-শিক্ষয়িত্ৰীসকলক সুধি লৈ প্ৰকৃত জ্ঞান আহৰণ কৰিছিল। তেওঁৰ অধ্যয়নশীল মনটো মহাবিদ্যালয়ৰ প্ৰত্যেকৰে বাবে আদৰ্শণীয় হৈ ৰ'ব। তদুপৰি, কেৰম খেল চাই ভাল পাইছিল যদিও মহাবিদ্যালয় চৌহদত কোনোদিনে নিজে কেৰমৰ গুটি স্পৰ্শ কৰা দেখা নগৈছিল। শিক্ষক-কৰ্মচাৰী আৰু ছাত্ৰৰ মাজত হোৱা প্ৰীতি খেলবোৰত অংশগ্ৰহণ কৰি শ্ৰোতা দৰ্শকক বেচ আমোদ দিব পাৰিছিল। মহাবিদ্যালয়খনৰ প্ৰতি আছিল তেওঁৰ গভীৰ শ্ৰদ্ধা আৰু আন্তৰিকতা। ইংৰাজী ২০০৪ চনত 'NAAC'ৰ পৰিদৰ্শন সম্পৰ্কত কৰিবলগীয়া বিভিন্ন কাম-কাজত তেখেতে নিজকে প্ৰাণঢালি জড়িত কৰিছিল। প্ৰস্তুতিৰ বিভিন্ন কামত লাগি থাকোতে তেখেতে মোক প্ৰতিদিনেই কৈছিল- "বৰদলৈ বাবু, আমি গ্ৰেড পাবই লাগিব; আপুনি যি কৰিব কয়, তাকেই কৰিম"। এয়াই আছিল চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী স্বৰ্গীয় মহেন্দ্ৰ শৰ্মাৰ কৰ্তব্যবোধৰ নমুনা।

তেখেতৰ মৃত্যুৰ খবৰটো আমি সহজে ল'ব পৰা নাছিলোঁ। এমাহমান আগৰে পৰা তেখেত শাৰীৰিকভাৱে দুৰ্বল হৈ আহিছিল। এই কালছোৱাত মহাবিদ্যালয়ৰ প্ৰায় সকলো শিক্ষক-কৰ্মচাৰীয়ে তেখেতৰ দৈনন্দিন খা-খবৰ লৈ আছিল। মহাবিদ্যালয়ৰ শ্ৰেণীসমূহ চলি থকা অৱস্থাতেই দুপৰীয়াৰ ভাগত ঘটা তেখেতৰ মৃত্যুৰ খবৰটোৱে ছাত্ৰ-শিক্ষক, কৰ্মচাৰীবৃন্দক নিৰ্বাক নিষ্পন্দ কৰি তুলিছিল। প্ৰত্যেকৰে চকুৰে বাগৰি আহিছিল দুধাৰি তপত চকুলো। মহেন্দ্ৰ শৰ্মাই আমাৰ মাজৰ পৰা চিৰদিনৰ বাবে বিদায় ললে।

ছাত্ৰ-ছাত্ৰী, শিক্ষক-কৰ্মচাৰী লগ লাগি তেখেতৰ মৃতদেহটি সেইদিনাখনেই মহাবিদ্যালয়ৰ চৌহদলৈ আনিলে। তেখেতলৈ শেষ শ্ৰদ্ধা জনাবৰ কাৰণে বৈ গ'ল দুৰণিবটীয়া ছাত্ৰ-ছাত্ৰীবোৰো। প্ৰাক্তন অধ্যক্ষ শ্ৰীৰেৱণ চন্দ্ৰ নাথ, ছিপাঝাৰ উচ্চতৰ মাধ্যমিক আৰু বহুমূখী বিদ্যালয়ৰ প্ৰাক্তন ভাৰপ্ৰাপ্ত অধ্যক্ষ শ্ৰীযুত তপেশ্বৰ বৰুৱা প্ৰমূখ্যে মহাবিদ্যালয়ৰ শিক্ষক কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীসকলে মৃতদেহৰ ওপৰত মাল্যাৰ্পন কৰি তেখেতৰ সত্বালৈ যাঁচিলে গভীৰ শ্ৰদ্ধা। উচুপনীয়ে ছানি ধৰিলে গোটেই কলেজ চৌহদ। 'ওঁ শান্তি' উচ্চাৰণেৰে তেখেতক স্বৰ্গযাত্ৰাৰ পিনে আগবঢ়াই দিয়া হ'ল। বিদায় মহেন্দ্ৰ শৰ্মা! সকলোৰে যেন উপলব্ধি হ'ল সংস্কৃতৰ সেই মহৎ বাণীৰ তাৎপৰ্য–

*"পৰাৰ্থে প্ৰাজ্ঞঃ উৎসৃজেৎ জীৱনম"*

সেয়ে চাগে ইংৰাজ ৰোমান্তিক কবি P.B. Shelley এ কৈছিল-

*Life like a dome of many coloured glass*
*Stains the white radiance of eternity*
*Until death tramples it is fragments.*
(মৃত্যুৰ ঘৰ্ষণত ভাগি নপৰিলে
জীৱনৰ নানা ৰং জিলিকি থাকে
আমাৰ দেহৰ কাঁচত)

**দেৱব্ৰত বৰদলৈ**
মুৰব্বী অধ্যাপক, ইংৰাজী বিভাগ

# অধ্যক্ষৰ আসনৰ পৰা....

**কনক চন্দ্ৰ ডেকা**

ইংৰাজী ১৯৭৭ চনৰ ২ জুলাই তাৰিখে ছিপাঝাৰ মহাবিদ্যালয়ৰ প্ৰবক্তা হিচাপে যোগদান কৰাৰে পৰা এতিয়ালৈকে কেৱল কৰ্মজীৱনৰে নহয় মোৰ ব্যক্তিগত জীৱনৰো আটাইতকৈ গুৰুত্বপূৰ্ণ সময়খিনি এই অনুষ্ঠানতে অতিবাহিত কৰি আছো। সেয়েহে গুৰুত্বপূৰ্ণ সময়খিনিৰ স্মৃতি মোৰ মনত চিৰযুগমীয়া হৈ ৰ'ব। ইয়াৰে কেইটামান গুৰুত্বপূৰ্ণ দিশ স্মৰণ কৰিব খুজিছোঁ।

বাইহাটা চাৰিআলিৰ পৰা মঙলদৈলৈ ৰাতিপুৱা অহা আৰু চাৰি বজাত উভতি যোৱা একেখন টেম্পৰ্টৰ নিয়মীয়া যাত্ৰী আছিলোঁ মই। সেয়ে ৰাতিপুৱাই আহো বাবে বাছৰ পৰা নামি আমাৰ মহাবিদ্যালয়ৰ বৰ্তমান চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী নবীন বৰাৰ চাহৰ হোটেলত সোমাই চাহ একাপ খাই লওঁ। তাতেই লগ পাওঁ মোৰ অতি প্ৰিয় নিমাখিত কৰ্মচাৰী প্ৰয়াত মহেন্দ্ৰ শৰ্মা। তেওঁৰ এফাঁকি কথাই অন্তৰত গভীৰভাৱে চাপ পেলাই থৈছে আৰু হয়তো থাকিব। মই তেওঁক লগ ধৰিছিলোঁ শৰ্মাদা আহক চাহ একাপ খাওঁ। তেওঁ মোক ক'লে ডেকাবাবু মই চাহ নাখাও। আপুনিয়ে খাওক। মই জোৰ কৰিলোঁ যদিও তেওঁ চাহ নাখালে আৰু তেওঁ যি এযাৰ কথা ক'লে তাক মই আজিও পাহৰিব পৰা নাই- ডেকাবাবু আপুনিতো নাজানে মোৰ ঘৰুৱা কথা। কও শুনক, "মই মাত্ৰ এসাজ ভাত খাও মোৰ পৰিয়ালটোক লৈ তাকো ঠিক সূৰ্য অস্ত যোৱাৰ লগে লগে যাতে দিনৰ আৰু ৰাতিৰ একেলগে হয়। মই সেইবাবে পৰিয়ালটোক এৰি বাহিৰত একো নাখাওঁ।" হ'ব শৰ্মাদা আৰু ক'ব নালাগে, মই সকলো বুজি পাইছো। সেই শৰ্মাদা আৰু আমাৰ মাজত নাই, তেওঁৰ আত্মাই চিৰশান্তি লাভ কৰক।

মহাবিদ্যালয়ত নিবনুৱা হিচাপে প্ৰৱেশ কৰিয়েই এজন ক'লা কোট পৰিহিত ব্যক্তি এটি সৰু জুপুৰীত বহি থকা পাইছিলোঁ, যিজন ব্যক্তিৰ আগত 'যদি' আৰু 'কিন্তু' আদি শব্দ ব্যৱহাৰ কৰি কথা ক'ব নোৱাৰি। তেওঁ মোক প্ৰশ্ন কৰিলে, "ক'ত ঘৰ?" মই ক'লো বাইহাটা চাৰিআলিৰ ওচৰত মুক্তাপুৰ গাঁৱত। আকৌ প্ৰশ্ন কৰিলে "চাকৰি লাগে? প্ৰবক্তা হ'ব?" মোৰ উত্তৰ- হয় চাৰ। "আহক ক্লাছ কৰক।" মই হতবাক হৈ গ'লো। কি কয়? সময় তেখেতৰ নাই। সঁচাকৈয়ে মোক ক্লাছ কৰিব দিলে। পিছত গম পালো তেৱেঁই শ্ৰীবিদ্যাৰাম নাথ, যিজন ব্যক্তিয়ে A.C.S.পায়ো মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ মৰমত বৈ গ'ল। ময়ো একেদৰে অন্য চাকৰি পায়ো মহাবিদ্যালয়তে দৰমহাৰ কথা নভবাকৈয়ে ৰৈ গ'লো।


তেওঁ মোক প্ৰশ্ন কৰিলে, "ক'ত ঘৰ?" মই ক'লো বাইহাটা চাৰিআলিৰ ওচৰত মুক্তাপুৰ গাঁৱত। আকৌ প্ৰশ্ন কৰিলে "চাকৰি লাগে? প্ৰবক্তা হ'ব?" মোৰ উত্তৰ- হয় চাৰ।. "আহক ক্লাছ কৰক।" মই হতবাক হৈ গ'লো। কি কয়? সময় তেখেতৰ নাই। সঁচাকৈয়ে মোক ক্লাছ কৰিব দিলে। পিছত গম পালো তেৱেঁই শ্ৰীবিদ্যাৰাম নাথ, যিজন ব্যক্তিয়ে A.C.S. পায়ো মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ মৰমত বৈ গ'ল।


তাৰিখটো মনত নাই, কলেজৰ পৰা আহি বাছৰ বাবে ৰৈ আছো। হঠাতে এজন ব্যক্তি মোৰ ওচৰলৈ আহি ক'লে, "অ' হেৰা, ক'ৰ পৰা ইয়ালৈ আহে? কলেজত কাম কৰে নেকি?" মোৰ উত্তৰ- হয়। "আপোনাৰ প্ৰবক্তাৰ অৰ্হতা নাই নেকি? কিয় এইখন ৰাখি থাকে? ইয়াত জানো কলেজ হ'ব?" মই মাত্ৰ 'হয় নেকি' বুলি কৈ মানুহজনৰ পৰা আঁতৰি গ'লো।

এইদৰে চাওঁতে চাওঁতে মহাবিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বৃদ্ধি পালে, পূৰ্বতে ঘূৰি যোৱা কিছুমান প্ৰবক্তা পুনৰ মহাবিদ্যালয়ত যোগদান কৰিলে। ভাবিলো কলেজ হ'ব, আৰু ভবামতে হ'লগৈ।

মহাবিদ্যালয়খন চকুত লগাকৈ সঁজোৱাৰ একান্ত হেঁপাহ এটা মনত পুহি ৰাখিছিলোঁ। সেয়ে 'নাকৰ' পৰিদৰ্শনৰ আগে আগে সতীৰ্থ 'বিদ্যাৰাম নাথে' ভাৰপ্ৰাপ্ত অধ্যক্ষ আৰু মই উপাধ্যক্ষৰ দায়িত্ব লোৱাৰ পিছত শিক্ষক, কৰ্মচাৰীসকলে আমাক পৰিপূৰ্ণ সহায়ৰ হাত আগবঢ়ায়,





*তৰ্ক প্ৰতিযোগিতাত সদৌ দৰং জিলা আন্তঃ মহাবিদ্যালয় প্ৰতিযোগিতাত যোগদান কৰি প্ৰথম আৰু দ্বিতীয় পুৰস্কাৰ লৈ অহাত কিমান যে আনন্দ পাইছো তাক প্ৰকাশ নকৰি নোৱাৰিলোঁ। গুৱাহাটী বিশ্ববিদ্যালৰ আন্তঃ মহাবিদ্যালয় Athletic প্ৰতিযোগিতাত প্ৰথমবাৰৰ বাবে যোগদান কৰি সোণৰ, ব্ৰঞ্জৰ আৰু ৰূপৰ পাঁচটাকৈ পদক লাভ কৰি যি গৌৰৱ কঢ়িয়াই আনিলে সেয়ে মহাবিদ্যালয়ৰ গৌৰৱ আৰু বঢ়াই তুলিলে।*

আটায়ে লগ লাগি প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ ঘৰত গৈ কিছু আৰ্থিক সাহাৰ্য লৈ মহাবিদ্যালয়ৰ কেন্টিন, পানী যোগান, মূল তোৰণ, কেৱল ইটাৰ বেৰাৰে থিয় হৈ থকা ঘৰবোৰ প্লাষ্টাৰ, খেলপথাৰৰ উন্নতি, ঘৰৰ চিলিং, ফেন ইত্যাদি আধৰুৱা কাম, মহাবিদ্যালয়ৰ শিক্ষক কৰ্মচাৰীৰ বেতনৰ অংশৰে কোঠা নিৰ্মাণ কৰি 'নাকৰ' পৰিদৰ্শন কৰাই 'C++' গ্ৰেড পোৱাত সঁচাকৈয়ে বৰ আনন্দ অনুভৱ কৰিছিলোঁ। ইয়াৰ বাহিৰেও 'বুনিয়াদ ভৱন' নিৰ্দিষ্ট সময়তকৈয়ো আগতে সম্পূৰ্ণ কৰি কলেজখনৰ বাবে কিবা এটা কৰাৰ আনন্দ লাভ কৰিছিলোঁ।

২০০৩ চনৰ কথা- বহু আশাৰে মহাবিদ্যালয়লৈ গুৱাহাটী বিশ্ববিদ্যালয়ৰ T.D.C. Zone টো অনেক যত্নৰ মূৰত আহিছিল। আশা কৰিছিলোঁ ইয়াৰ দ্বাৰা মহাবিদ্যালয়ৰ প্ৰচাৰ আৰু উন্নতি হ'ব আৰু নিজেও কিছু অভিজ্ঞতা আহৰণ কৰিম। কিন্তু প্ৰচাৰ মাধ্যমৰ জৰিয়তে কেইগৰাকীমান ব্যক্তিয়ে যি কালিমা সানিলে তাক মই জীৱনত পাহৰিব নোৱাৰিম। হয়তো মহাবিদ্যালয়খনৰ উন্নতি দেখি এইসকল ব্যক্তিৰ চকুৰ টোপনি হৰিছিল। Zone টো উঠি গ'ল যদিও বিশ্ববিদ্যালয়ৰ পৰীক্ষা নিয়ন্ত্ৰকে কাম-কাজ চাই প্ৰশংসা নকৰাকৈয়ে নাথাকিল।

বৰ্তমান মই উপাধ্যক্ষৰ উপৰিও ভাৰপ্ৰাপ্ত অধ্যক্ষৰ দায়িত্ব লৈ কিছু তিতা আৰু কিছু মিঠা অভিজ্ঞতা লাভ কৰিছো। তিতা অভিজ্ঞতাৰ কথা উল্লেখ নকৰিলেও মিঠা অভিজ্ঞতা তথা আনন্দৰ কথা উল্লেখ কৰিবৰ মন গ'ল।

**মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ পৰামৰ্শ, শিক্ষক কৰ্মচাৰীৰ সহায়, ছাত্ৰ-ছাত্ৰীৰ মৰমৰ স্মৃতিঃ**

মহাবিদ্যালয়ত পৰিচালনা সমিতিৰ পৰামৰ্শমতে মোৰ কাৰ্যালয়ত ৮০ ফুট দীঘলৰ আৰু ৪০ ফুট বহলৰ ঘৰ এটি সম্পূৰ্ণ কৰাৰ বাহিৰেও ২৫ লাখ টকাৰ ছোৱালী হোষ্টেল নিৰ্মাণৰ কামত অগ্ৰগতি মোৰ বাবে সাফল্য আৰু আনন্দৰ উৎস। ইয়াৰ বাহিৰেও কলেজৰ পুথিভঁড়ালত আংশিকবাৰে কম্পিউটাৰকৰণৰ বাবে কম্পিউটাৰ যোগান ধৰা আদি কাম ইয়াৰ অন্তৰ্গত। এই আটাইবোৰ সম্ভৱ হৈছে প্ৰাক্তন অধ্যক্ষ শ্ৰীযুত বেৰণ চন্দ্ৰ নাথে কৰি থৈ যোৱা U.G.C.ৰ Permission আৰু Affiliation ৰ বাবে। এইখিনিতে আমি তেখেতৰ নাম উল্লেখ কৰিবই লাগিব।

অধ্যক্ষৰ আসনত বহি একো নাপালেও উচ্চতৰ মাধ্যমিক কলা শাখাৰ পৰীক্ষা আৰু স্নাতক শাখাৰ পৰীক্ষাৰ খবৰে মোক আনন্দ দিছিল।

শ্ৰীমান বুবুল নাথে উচ্চতৰ মাধ্যমিক পৰীক্ষাত পাঁচটি বিষয়ত লেটাৰ লৈ মহাবিদ্যালয়ৰ মুখ উজ্বল কৰিলে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা স্নাতক পৰীক্ষাত শ্ৰীভূপেন ডেকাই বুৰঞ্জী বিভাগত প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান লাভ কৰাৰ লগতে কেইবাগৰাকী ছাত্ৰ-ছাত্ৰীৰ প্ৰথম শ্ৰেণী আহৰণ।

তৰ্ক প্ৰতিযোগিতাত সদৌ দৰং জিলা আন্তঃ মহাবিদ্যালয় প্ৰতিযোগিতাত যোগদান কৰি প্ৰথম আৰু দ্বিতীয় পুৰস্কাৰ লৈ অহাত কিমান যে আনন্দ পাইছো তাক প্ৰকাশ নকৰি নোৱাৰিলোঁ।

গুৱাহাটী বিশ্ববিদ্যালৰ আন্তঃ মহাবিদ্যালয় Athletic প্ৰতিযোগিতাত প্ৰথমবাৰৰ বাবে যোগদান কৰি সোণৰ, ব্ৰঞ্জৰ আৰু ৰূপৰ পাঁচটাকৈ পদক লাভ কৰি যি গৌৰৱ কঢ়িয়াই আনিলে সেয়ে মহাবিদ্যালয়ৰ গৌৰৱ আৰু বঢ়াই তুলিলে।

মই পৰম আনন্দিত আৰু গৌৰৱান্বিত যে এই উল্লেখিত আটাইখিনি সাফল্য আমাৰ মহাবিদ্যালয়লৈ আহিল মই উপাধ্যক্ষ আৰু ভাৰপ্ৰাপ্ত অধ্যক্ষ হিচাপে কাৰ্যনিৰ্বাহ কৰি থকা সময়ছোৱাত। মোৰ যেন শিক্ষা জীৱন ধন্য হ'ল। সেই অনুভৱে মোক বৰ আনন্দ দিয়ে। বাকী থকা দিনকেইটাও যেন মহাবিদ্যালয়খনিৰ সৰ্বাত্মক মঙ্গলৰ বাবে কৰিব পাৰো তাকে কামনা কৰি আজিৰ এই চমু লেখা সামৰিছো।

■ ভাৰপ্ৰাপ্ত অধ্যক্ষ, ছিপাঝাৰ মহাবিদ্যালয়





# কবিতা


কৈশোৰৰ দুষ্টালিৰ পিছত
যৌৱনৰ দূৰন্ত পোছাকেৰে আদৰিলা যিদিনা
তোমাৰ আশা বৰণীয়া বাৰান্দাত
ফিনিক্স জীয়াদি জী উঠিল
মোৰ সপোনৰ চিতাভস্ম।

# প্ৰাপ্তি

**প্ৰসন্ন কুমাৰ নাথ**

মই নজনাকৈয়ে তুমি মোৰ দুচকুত
বাঁহ বান্ধিছিলা!
মই তোমাৰ হৈ পৰিছিলোঁ, মোৰ প্ৰতিটো
ক্ষণ তুমিময়; তুমিময়।
সৃষ্টিৰ সম্ভাৱনাৰে স্ফীত হৈ উঠা তোমাৰ দেহ
কেৱল তোমাৰ নাছিল, কাৰোবাৰ অবাক বিস্ময়
আৰু কৌতুহলৰ অন্তত মোৰ আকৃতি।
মোৰ লৰা-ঢপৰা, উৎসাহী হাহকাৰ
তোমাৰ দুচকুৰ সজীৱ সপোন!
বেলিফুলৰ ৰঙ মই চাব নিবিচাৰো
সোণালী, গুলপীয়া আৰু সুমথিৰা
বৰণীয়া ৰিহাখনিৰ আঁৰত
মলয়াত দুলি দুলি গুছি যোৱা
তোমাৰ অশৰীৰী জোনাকে
মোক কন্দুৱাই;
মৰ্মান্তিকতাৰে বিদায় দি মই
শিঁহৰিত হৈ ৰওঁ এটি নতুন
দিনৰ অপেক্ষাত।
তোমাৰ সৃষ্টিৰ সম্ভাৱনাত মই উৎসাহী
আৰু আহ্লাদিত হৈ পৰো;
একান্ত আকুলতাৰে মই আশা কৰো
তোমাৰ সজীৱ অস্তিত্ব।
মই বিদীৰ্ণ হৈ পৰো যেতিয়া শ্ৰৱণ
কৰো তোমাৰ অপাপ লুণ্ঠিত সৃষ্টিশীলতাৰ
ধ্বংসৰ বাতৰি।
তোমাৰ মুগ্ধ-দৃষ্টি, সজীৱ সৃষ্টি
মোৰ বাবে হব প্ৰাপ্তিৰ বৃষ্টি।
মই আকৌ এবাৰ চাব বিচাৰো
তোমাৰ ভৰুণ দেহ তৰুণ মন
য'ত মই হৈ পৰিব পাৰো আত্মমগন।

■ প্ৰবক্তা, অসমীয়া বিভাগ



# ছিপাঝাৰ মহাবিদ্যালয়

**গোলাপ ডেকা**

ছিপাঝাৰৰ শিক্ষাৰ কেন্দ্ৰ তুমি
তোমাতেই আৰম্ভ জ্ঞানৰ পাতনি
তুমিয়েই অন্বেষা
জ্ঞানদায়িনী, সৰস্বতীৰ আৰাধ্য কবি
তুমি বিদ্যাৰ পূজাৰী
আধুনিকতা প্ৰবাহী
তুমিয়েই সৃষ্টিৰ আদি......।
এটি নতুন যুগৰ সন্ধানত
ব্যস্ত তুমি
সময়ৰ অহৰহ চাপ
ধুনীয়াৰ পৰা ধুনীয়ালৈ
যাত্ৰা তোমাৰ.....।

■ উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ

মই বিদীৰ্ণ হৈ পৰো যেতিয়া শ্ৰৱণ
কৰো তোমাৰ অপাপ লুণ্ঠিত সৃষ্টিশীলতাৰ
ধ্বংসৰ বাতৰি।

কবিতা

# চিফ্ৰা নৈ পৰীয়া যৌৱনৰ আজন্ম প্ৰেমিকা



দিব্যজ্যোতি শৰ্মা

কৈশোৰৰ দুষ্টালিৰ পিছত
যৌৱনৰ দুৰন্ত পোছাকেৰে আদৰিলা যিদিনা
তোমাৰ আশা বৰণীয়া বাৰান্দাত
ফিনিক্স জীয়াদি জী উঠিল
মোৰ সপোনৰ চিতাভষ্ম।
এপিটাফ বিজয়ী প্ৰেমিকাৰ দৰেই ৰঙীণ
তোমাৰ স্পৰ্শ,
তাৰেই প্ৰেৰণাত
কোমল মুখবোৰে একাকাৰে
চিনি পায় জ্ঞান কক্ষৰ
শক্তিশালী বক্ষস্থল!!!
মৌসনা ওঠৰ জলন্ত উৎসাহবোৰৰ
প্ৰতি খোজতে লাইব্ৰেৰীৰ পৰা কেন্টিনলৈ
আশাৰ গুম গুমনি,
তোমাৰ হাঁহিত জিলিকে প্ৰাক্তনৰ বিষাদ
বৰ্তমানৰ আশা।
তথাপি তুমি যৌৱনৰ আজন্ম প্ৰেমিকা।
অসমৰ কেমব্ৰিজত তুমি শিক্ষাৰ ওখ ঢাপ,
তোমাৰ বুকুতেই চুই চালো
গণতান্ত্ৰিক বেদনাৰ সোৱাদ।
এতিয়াও মনত পৰে
২০০৩ ৰ ১ আগষ্ট!!!
পাহৰণিয়ে গিলিব ধৰা এটি বিষাদৰ গীত।
তোমাৰ সতে কটোৱা প্ৰতি মূহুৰ্তৰ
কথা সুঁৱৰি,
বাৰে বাৰে কঁপে এই দিব্যজ্যোতিৰ
হাতৰ চিয়াহী
তোমাৰ আশাৰ নষ্ট এটি কলি।
ইংলিছ ডিপাৰ্টমেন্ট নামৰ
তোমাৰ এটি দীঘলীয়া চুমাৰ আশাত
মই কাটিছিলোঁ মোৰ অনেক বাধাৰ আঙুলি
তুমি দিয়াৰ পিছত
মই ক'তো পোৱা নাই
সেইযে মুকুটাৰ দৰে উজ্বল শিক্ষাগুৰুৰ
গালি কিম্বা হাঁহিবোৰ
কবিতা, নাটক, তৰ্ক, সাহিত্য, পুৰস্কাৰ
বন্ধুত্ব ইত্যাদি!!!
একুৰি পোন্ধৰ বছৰীয়া ধূসৰ দিনবোৰ
পিছত থৈ
তুমি বাৰে বাৰে আগবাঢ়া
যৌৱনৰ প্ৰেমত পৰিবলৈ,
মৃত্যু মলিন পোহৰতো সপোন দেখুৱা
তুমি এক উজ্বল স্বপ্নকাংক্ষা।।।
তুমি কটন কিম্বা বি বৰুৱা নহয়,
তুমি প্ৰাগ, পাণ্ডু অথবা দৰং কলেজো নহয়;
বাৰে বাৰে নতুনৰ প্ৰেমত পৰি সানি দিয়া
আশাৰো আশা
চিফ্ৰা নৈ পৰীয়া যৌৱনৰ আজন্ম প্ৰেমিকা।
'ছিপাঝাৰ কলেজ'
পাহৰণিয়ে গৰকিব নোৱাৰা
এক চিৰ নতুন ভাষা!!!


■ স্নাতক তৃতীয় বৰ্ষ

তুমি কটন কিম্বা বি বৰুৱা নহয়,
তুমি প্ৰাগ, পাণ্ডু অথবা দৰং কলেজো নহয়;
বাৰে বাৰে নতুনৰ প্ৰেমত পৰি সানি দিয়া আশাৰো আশা
চিফ্ৰা নৈ পৰীয়া যৌৱনৰ আজন্ম প্ৰেমিকা।

কবিতা



# জীৱন এক অনুপম স্পৰ্শ



নবীন চন্দ্ৰ বড়া

জীৱন এক অনুপম স্পৰ্শ
এন্ধাৰ প্ৰলয় বিঘাত আৰু হুমুনিয়াহ
জীৱনেই অনুভৱ কৰে
দুখৰ মাজতো জীৱনক
সুন্দৰৰ কল্পনা বয়
এন্ধাৰ কুঁৱাৰ মাজৰ গভীৰতাত
মকৰাৰ জালবোৰ দেখি
কবিৰ মনত সুন্দৰৰ জন্ম হয়
কত বাৰ ধুমুহাই কত বজ্ৰ পাতে
যন্ত্ৰনাময় কাতৰ চিঞৰে
জীৱনৰ সুন্দৰতা নাশ নকৰে
অবুজ, নাঙঠ শিশুটিক দেখি
সুন্দৰতাৰ সৃষ্টি হয়।
বোবা মানুহটোৰ মাজতো
সুন্দৰৰ আভাস পায়।
বাটে-বাটে ঘৰে-ঘৰে
খুজি ফুৰা অন্ধ মানুহজনৰ মাজতো
সুন্দৰৰ আভায় পায়।
জীৱন যিয়েই নহওক
সদায় সুন্দৰ হৈয়েই থাকে
ফুলি থকা পুখুৰীৰ পদুম ফুলৰ পাহবোৰ
জীৱনৰ দৰেই সুন্দৰ
বিষাক্ত সৰীসৃপবোৰৰ মাজত
জিলিক- মিলিক সোণৰ চেকুৰাবোৰ
এক সুন্দৰ জীৱনে
ৰহন সানিব পাৰে .....।
সেয়ে জীৱন এক সুন্দৰ স্পৰ্শৰ ছায়া
দীৰ্ঘদিন অনাহাৰত থাকি
হাড় ছালেৰে আবৃত হোৱা
শৰীৰৰ মাজতো ......
জীৱনৰ সুন্দৰতা বিচাৰি পায়
সেয়ে বাৰে বাৰে
জীৱনে সুন্দৰকহে বিলায়
ক'লা কাউৰীৰ কৰ্কষ মাতবোৰত
জীৱনে সুন্দৰতাৰ সৃষ্টি কৰে
দীৰ্ঘদিন ধৰাষাৰে সৃষ্টি হোৱা
ৰৰষুণৰ টোপালবোৰত
সুন্দৰ জীৱনে মুকুতাৰ সৃষ্টি কৰে
সেয়ে জীৱন এক স্পৰ্শ
চিতাৰ জুইৰ দক- দকিয়া আঙঠাৰ
নিশা শৰীৰটোৰ মাজত
জীৱনৰ সুন্দৰতাৰ প্ৰলেপ আকে।
গান্ধীজীৰ বুকুত গুলি সোমালেও
গান্ধীজীৰ জীৱন সুন্দৰ হৈয়েই থাকিল
আনাদি অনন্তলৈ ......।

■ মহাবিদ্যালয়ৰ কৰ্মচাৰী

জীৱন এক সুন্দৰ স্পৰ্শৰ ছায়া
দীৰ্ঘদিন অনাহাৰত থাকি
হাড় ছালেৰে আবৃত হোৱা শৰীৰৰ মাজতে ......

কবিতা

# তুমি মোক চিনিয়েই নোপোৱা

হিমাংশু গৌতম



তোমাৰ হাঁহিত ডুবি যোৱা
স্বপ্নীল দুহাত
সোঁতত হেৰোৱা মোৰ মন
আকাংক্ষিত ভয়ত
নতুনৰ পৰা নতুন বিচৰা
মোৰ জীৱন....।

ঘূৰাই দিব নোৱাৰিব পাৰো
তথাপি দি যোৱা
এবাৰৰ বাবে
ভালপোৱাৰ এষাৰি মাত
য'ত শ্ৰেষ্ঠতম হ'ব মোৰ মৃত্যু
তোমাক কাষত পোৱাৰ বেদনাত

মই তোমাৰ বাবে ৰৈ আছো
তেজেৰে কলাজ সাজিছো
তুমি আহিবা বুলি
সেউজীয়াৰ দলিচা পাৰিছো

তুমি হাঁহিবা
মোৰ জ্বলি থকা সপোনবোৰৰ জুইত
বন মানুহে নাচিব
তুমি তালে তালে নাচিবা
আৰু.... ক'ৰবাত সপোন সৰিব
পাৰিবানে পঢ়িব
মোৰ জীৱনৰ এপিটাফ
নোৱাৰিলে নালাগে আহিব

মোৰ হাঁহিত
গোটা মাৰক কলিজাৰ তেজ
তুমি সুখে থাকা
মোৰ মৃত্যুত
কাউৰী কুকুৰে হাঁহক
তুমি সুখে থাকা
মোৰ জীৱনৰ চন্দ
হেৰায় যাওঁক চিৰদিনৰ কাৰণে
তুমি সুখে থাকা
হাঁহি হাঁহি মাথো তুমি ক'বা
তুমি মোক চিনিয়েই নোপোৱা।।

■ আলোচনী সম্পাদক

দি যোৱা এবাৰৰ বাবে ভালপোৱাৰ এষাৰি মাত
য'ত শ্ৰেষ্ঠতম হ'ব মোৰ মৃত্যু
তোমাক কাষত পোৱাৰ বেদনাত

কবিতা



# এটাৰ পাছত এটাকৈ অকলশৰীয়া ৰাতি

ঋতুৰাজ নাথ



এনেকৈয়ে সদায় সলাই আছো
ভালপোৱাৰ বৰণ

আই-পিতাই নজনাকৈ উৎসৱ পাতিছো
অকলশৰীয়া ৰাতিৰ!

সময়ে সময়ে
অকলশৰীয়াই মোক আক্ৰমণ কৰে
মিলন হ'ব খোজো এটা কোলাহল যন্ত্ৰণাত
এটাৰ পাছত এটাকৈ পাৰ কৰো
অকলশৰীয়া ৰাতি!

এৰা! তুমিটো অভিমানী ছোৱালী
একো গমকে নোপোৱা
তোমাৰ সেই সুৰীয়া কণ্ঠটোৰে
আই পিতাই নজনাকে
মোৰ বুকুত আশ্ৰয় লয়।
আৰু এনেকৈয়ে সলাই আছো
ভালপোৱাৰ বৰণ

অকলশৰীয়া উৎসৱ পাতি স্মৰণ কৰো
তোমাক
সময়ে সময়ে ইফালৰ পৰা সিফাললৈ
তোমাক চাওঁ
এনেকৈয়ে সদায় সলাই আছো
ভালপোৱাৰ বৰণ
অকলশৰীয়া ৰাতিৰ!!

■ স্নাতক দ্বিতীয় বৰ্ষ

# ভুল বাট

ত্ৰিদিব কুমাৰ শৰ্মা

বিষাদ পৰশি যোৱা
বতাহজাক বুকুৰ ভিতৰত কঢ়িয়াই লৈ
মই আজি- খোজ পেলাইছো
ভুল বাটত;

মোৰ চৌপাশত প্ৰতিধ্বনিত হৈছে
হতাশাৰ ৰসহীন গান,
নিৰ্জনতাত বাঢ়ি যোৱা,
বেদনা গধূৰ মুহূৰ্তবোৰ ... খহি পৰে
বিষণ্ণ গধূলিত।

আঃ কি যে.... যন্ত্ৰণা,
প্ৰতিটো নিশ্বাসৰ ক্ষণ;
বুকুত সৰে দুখৰ আকাশ
দুচকুত ওলমে
অনিদ্ৰিত ৰাতিৰ অন্তহীন ধুমুহা।

■ উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ

সময়ে সময়ে অকলশৰীয়াই মোক আক্ৰমণ কৰে
মিলন হ'ব খোজো এটা কোলাহল যন্ত্ৰণাত
এটাৰ পাছত এটাকৈ পাৰ কৰো অকলশৰীয়া ৰাতি!

কবিতা

# কাকো সুধি কৰা নাযায়



যুগল চহৰীয়া

কাকো সুধি কৰা নাযায়
হৈ যায়।
আহে এজাক বতাহৰ দৰে
বতাহ জাক গুছি নাযায়
পগলা নকৰালৈকে।

কাকো সুধি কৰা নাযায়
হৈ যায়
আহে
যেনেকৈ 'ৰ'দ' বেবৰ জোলোঙাৰে
কাকো নোসোধাকৈয়ে।

কাকো সুধি কৰা নাযায়
হৈ যায়
বগাই
যেনেকৈ তামোল গছৰ ডালত পাণ বগাই
গছ ডালক নোসোধাকৈয়ে

কাকো সুধি কৰা নাযায়
হৈ যায়
উৰাই যায়
যেনেকৈ বতাহ আহিলে এটা পাতে
আনটো পাতক নোসোধাকৈয়ে।

কাকো সুধি কৰা নাযায়
হৈ যায়..........।

■ স্নাতক তৃতীয় বৰ্ষ

# সংবাদ

কন্দৰ্প বৰুৱা

তোমাৰ উপেক্ষাৰ বানত
এদিন আহত হৈছিল হৃদয়
হৃদয়খন শিল নাছিল বাবেই
টোপাটোপে নিগৰিছিল
তেজ।
মাথো তেজ।
ক্ষতস্থানত ঔষধ বুলি
কিমান যে সানিছিলোঁ
নিমখৰ প্ৰলেপ,
ৰক্তবৰ্ণ হিয়াখন এতিয়া
স্পন্দনহীন
নাকত লাগিছেহি
পঁচা মঙহৰ গোন্ধ।
তুমি সুধিছা
কোনে আছা
ভালেই.......
তুমি একা???

■ প্ৰাক্তন ছাত্ৰ


ক্ষতস্থানত ঔষধ বুলি কিমান যে সানিছিলোঁ নিমখৰ প্ৰলেপ,
তুমি সুধিছা কোনে আছা
ভালেই.......
তুমি একা???

কবিতা





# তই ভবাৰ দৰে নহলি



অৰূপ শৰ্মা

তইতো ভবাৰ দৰে নহলি

আশা আৰু অপ্ৰাপ্তিৰ সংযোগত
বিচাৰিলি সুকোমল হৃদয়ৰ শ্মশানযাত্ৰা
তইতো কাহানিও নকলি
সেউজীয়াৰ ছবি তই আঁকিব নোৱাৰ
এবেৰশটা বসন্ত দিলেও
তই মোৰ হব নোৱাৰ

মিছাতে অভিযোগবোৰ নিদিবি
বয়স..... বুজিছা সময়
হাঁহিৰে উৰুৱাই নিদিবি ৰঙৰ গোন্ধ
চঞ্চল হ'বলৈ
যেনেকৈ ফাগুণ।

তই মোৰ আকাংক্ষিত সপোন আছিলি
সাপ হৈ খুটিলি
বেজ হৈ জাৰিলি
নাবাচিল মাথো এটুপি তেজ
যাক মই তই বুলি ভাবিছিলোঁ

ভাবিছো... বৰষুণ আহিলে ধুৱাই দিম সকলো
অপ্ৰাপ্তিৰ শ্ৰ'গান লিখিম
হৃদয়ৰ পথাৰত বৈ
আবেলিৰ হেঙুলিয়া চাম
আৰু সেউজীয়াবোৰ,
ক্ৰমশঃ এৰি দিম মুক্তিলৈ.......।

■ প্ৰাক্তন ছাত্ৰ

# ভুল

নীলিমা দেৱী

নিজম নিশাৰ মিঠা সপোনত
বিভোৰ মই
ধুমুহাৰ প্ৰচণ্ড গতিৰে
হৃদয়ত গাঁঠিছো আৰু গাঁঠিছো
জীৱনৰ নীৰৱ বেদনাবোৰ
মোৰ সমাধিৰ শুকান ভূমি
বেদনাবোৰ চকুলোৰে নিতিয়াবা তুমি
নুৰুৱা তাত এপাঁহ মালতি ফুল
যদিও কৰিলোঁ মই অজানিতে ভুল
মিলন কামনাৰে ন'হবা আকুল
নাযাবা পাহৰি পথ, নকৰিবা ভুল
হৃদয় ভৰিলেও আকুল আবেগত......
আমাৰ লক্ষ্য সৌ নৱ সুৰুযৰ
সেয়েহে নুৰুৱা তেনে এপাঁহ মালতি ফুল
যদিও কৰিলোঁ মই অজানিতে ভুল.......।

■ স্নাতক প্ৰথম বৰ্ষ

ভাবিছো... বৰষুণ আহিলে ধুৱাই দিম সকলো
হৃদয়ৰ পথাৰত বৈ আবেলিৰ হেঙুলিয়া চাম
আৰু সেউজীয়াবোৰ, ক্ৰমশঃ এৰি দিম মুক্তিলৈ.......।

কবিতা

# এখন নতুন পৃথিৱীৰ সন্ধানত

গীতালি কলিতা

চিন্তাৰ টোপোলা বান্ধি
দুঃখৰ হুমুনিয়াহ কাঢ়ি
ক্ৰমশঃ মোৰ যাত্ৰা
এখন নতুন পৃথিৱী বিচাৰি।
ভিক্ষাৰ জোলোঙা লৈ
অলিয়ে গলিয়ে ফুৰা ভাইহঁতক দেখি,
মাথো চকুলো টুকি সংগ্ৰাম কৰা
ভনীহঁতৰ কথা ভাবি;
কব পাৰিবানে তুমি
আমি একবিংশ শতিকাৰ ন-সভ্যতা
নতুন মানুহ বুলি
এখন নতুন পৃথিৱী বিচাৰি।
যাৰ আকাশত
জোন বেলি তৰা সদায়ে ওলাব,
গ্ৰহ, উপগ্ৰহ
নিজ নিজ কক্ষপথত ঘূৰিব,
মাথো নাথাকিব জীৱনৰ ধুমুহাই
সৰ্বস্ব কাঢ়ি নিয়া
দুৰ্ভগীয়া ভনীহঁতৰ হা-হুমুনিয়াহ
আহা, আমি সকলোৱে,
সংকল্পবদ্ধ হৈ গীতেৰে গাওঁ
"আকৌ নতুন প্ৰভাত হ'ব......."

■ স্নাতক প্ৰথম বৰ্ষ

যাৰ আকাশত জোন বেলি তৰা সদায়ে ওলাব,
গ্ৰহ, উপগ্ৰহ নিজ নিজ কক্ষপথত ঘূৰিব,
মাথো নাথাকিব জীৱনৰ ধুমুহাই সৰ্বস্ব কাঢ়ি নিয়া
দুৰ্ভগীয়া ভনীহঁতৰ হা-হুমুনিয়াহ.....

কবিতা



# প্ৰতিশ্ৰুতি

কবিতা দেৱী

তোৰ বাবে সি সকলো কৰিব
তই তাক প্ৰাণ ভৰি ভাল পাবি
বিনিময়ত নিস্বাৰ্থ মৰম পাবি
তাক আৰু এৰেঁা নালাগে
মাথো তোৰ মৰম পালে
প্ৰতি দিনে এবাৰ দেখা দিলে
দিনটোৰ বাবে সুখী হ'ব সি.....
এবাৰি ভাল মাতে মাতিবি
তাক সুখে আটিব
তাৰ কিছু তই শুনিবি
কিছু শুনিব সি
তাৰ বিশ্বাসক তই
কেতিয়াও হত্যা নকৰিবি
কথা দিলে কথা ৰাখিবি
সদায় কাষত থাকিবি
তোৰ বাবে সি সকলো কৰিব
সি তোৰ প্ৰেমিক আজন্ম।।

■ স্নাতক তৃতীয় বৰ্ষ



# কবিতা

হিমাশ্ৰী দেৱী


(১)
পৃথিৱীৰ সমস্ত কৰুণ গান
আহে, মোৰ স'তে
সখী পাতিবলে
মোৰ একা বেকা নিৰস পথৰ
বেদনাৰ সহযাত্ৰী হ'বলে

(২)
তৃষ্ণাৰ্ত পপীয়াবোৰে
ধূসৰ বাস্তৱত ক্ষত বিক্ষত
মোৰ আকণ্ঠ দুখবোৰ
পান কৰিব বিচাৰে
আন্ধাৰে আন্ধাৰে...

(৩)
মোৰ দেহৰ ভিতৰে বকৰিবে
জুই ৰঙী চৰাই বোৰে
ঘুমুটিয়াই ফুৰে
সপোন হেৰুওৱা মানুহৰ দৰে
মোৰ প্ৰতি টোপা বিষাক্ত
ৰক্তৰ স'তে
সহবাস কৰিব খোজে
গোপনে।

■ স্নাতক প্ৰথম বৰ্ষ

1—16



# স্মৃতি

ধ্ৰুৱজ্যোতি ডেকা

...ৰ হৈ গ'ল
ক্ৰমশঃ এজাক ধুমুহা.......
ভাঙি গ'ল সপোনৰ বালিঘৰ,
...াৰ হৈ গ'ল
...লসুৰা হৃদয়;
শুকাই গ'ল সেউজীয়া,
চেঁচা পৰিল
তোমাৰ সান্নিধ্যৰ উষ্ণতা......।
পাহৰিব নোৱাৰো তোমাক
অশ্ৰুসিক্ত নয়নে মচিব ধৰা সপোনক
মৰহি যাব খোজা স্মৃতিৰ পাপৰি
য'ত মাথো তুমি.... তুমি.... তুমি
জীৱনৰ গতি আজি স্থবিৰ
ভাগৰি পৰিল নাৱৰীয়া
দুঃখৰ চাকনৈয়াত
ডুবি গ'ল মনৰ নাও
কি কৰো..... দিশহাৰা......
বুকুত অব্যক্ত বেদনা।

■ স্নাতক দ্বিতীয় বৰ্ষ

পাহৰিব নোৱাৰো তোমাক
অশ্ৰুসিক্ত নয়নে মচিব ধৰা সপোনক
মৰহি যাব খোজা স্মৃতিৰ পাপৰি
য'ত মাথো তুমি.... তুমি.... তুমি

কবিতা

# নিসংগতা এটি অনুভৱ

হিমাক্ষী চহৰীয়া

আজিকালি প্ৰায়েই কথা পাতো,
নিসংগতাৰ সতে......

বিষাদত বিধস্ত হৃদয়ে কেতিয়াবা
নিসংগতাৰ আলাপেৰে
দুয়োখন গাল তিয়াই পেলায়
গোপন অশ্ৰুৰে.....।

যেতিয়াই মই নিসংগতাৰ পোচাক পিন্ধো
অনুভৱ কৰো
এক বিঙা বিঙা লগা
মানসিক যন্ত্ৰণা.......

যিয়ে মোক উটুৱাই লৈ যায়
সত্য আৰু যুক্তিৰ মাজত
সংঘৰ্ষ চলা এখন জগতলৈ.....।

বিষাদত বিধস্ত হৃদয়ে কেতিয়াবা
নিসংগতাৰ আলাপেৰে দুয়োখন গাল তিয়াই পেলায়
গোপন অশ্ৰুৰে.....।

কবিতা

■ স্নাতক দ্বিতীয় বৰ্ষ



# এটুকুৰা এন্ধাৰ বুকুত লৈ

নিতুমণি শৰ্মা

এটুকুৰা এন্ধাৰ বুকুত লৈ
এখন গোমা আকাশৰ ফালে চাই
যন্ত্ৰনাদায়ক, বিষময় জীৱনৰ এটা গান
লৈ জীয়াই আছো মই
নিমাখিত জোনাক আহিছে
এটা আশাৰ বেঙণি
চেচঁা চেচঁা কাঁহ
মেৰু প্ৰদেশত মোৰ অবিৰত যাত্ৰা
নাইটেংগল চৰাইৰ দৰে
স্কাইলাৰ্কৰ দৰে উচ্চ আশা
আকাশত উৰি ফুৰাৰ
শুভ্ৰ সপোন মোৰ
দুষ্কৃতিময় অনন্ত যাত্ৰা।

■ স্নাতক দ্বিতীয় বৰ্ষ

# প্ৰেম বিজ্ঞানভিত্তিক নহয়

চুলতানা চবিনা ইয়াচ্‌মিন

অতদিনে তোমাক এবাৰ
লগ ধৰিব নোৱাৰিলোঁ
মাত দিব খুজিও
দিব নোৱাৰিলোঁ
তোমাৰ হাতত দিব খুজিও
দিব নোৱাৰিলো প্ৰেমৰ চিঠিবোৰ
নেদেখিলেও মনত পৰে
দেখিলেও চাব নোৱাৰো
ব্যৰ্থতাৰ লাজত।
প্ৰেম বিজ্ঞানভিত্তিক নহয়
যাক তুমি বহুদিন পৰীক্ষা কৰিব খুজিছা
বিজ্ঞানৰ সঁজুলিৰে।
হয়তো প্ৰেম এক অদ্ভুত শান্তি
নাইবা পুৰস্কাৰ।

■ স্নাতক তৃতীয় বৰ্ষ



# শিল্প বিচাৰি মৃত্যুলৈ

উৎপল বৰুৱা

শব্দ হেৰাই যায়.....

নিয়ৰৰ পৰা লেলিহান শিখালৈ
এটাৰ পিচত এটাৰ
দৌৰ মাথো বিশ্বায়ন.....

মুদ্ৰাস্ফীতিয়ে কঁপাইছে প্ৰেয়সীৰ ওঠ
অপ্ৰাপ্তিত হেৰায় যায় শব্দবোৰ
ফাগুনৰ মদাৰে ৰঙীণ কৰা সপোন
বাস্তৱৰ স্পৰ্শত
মৰহি যোৱা গোলাপৰ কলি
তুঁহ জুইয়ে জ্বলায় ৰখা হৃদয়
এটাৰ পিচত এটাৰ খোজ
ক্ৰমশঃ মৃত্যুলৈ.....

শব্দহীন নীৰব শিল্প বিচাৰি.....।

■ স্নাতক প্ৰথম বৰ্ষ

তোমাৰ হাতত দিব খুজিও দিব নোৱাৰিলো প্ৰেমৰ চিঠিবোৰ
নেদেখিলেও মনত পৰে
দেখিলেও চাব নোৱাৰো ব্যৰ্থতাৰ লাজত।

কবিতা

# সামাজিক নাটক আৰু লক্ষ্যধৰ চৌধুৰীৰ 'নিমিলা অংক'

■ মহেন্দ্র কটকী

স্বাধীনতাৰ পিছৰ কালৰ অসমীয়া নাটকত বিষয়বস্তু, নাট্য প্ৰণালী, চিন্তা-চৰ্চা আদি বিভিন্ন দিশত বিপুল পৰিবৰ্তন পৰিলক্ষিত হয়। দ্বিতীয় মহাযুদ্ধৰ কালছোৱাত আৰু দেশে স্বাধীনতা লাভ কৰাৰ আগে পিছে ঘটা নানা ধৰণৰ সামাজিক, ৰাজনৈতিক ঘটনাবোৰে সমাজ জীৱনৰ অন্যান্য দিশৰ লগতে সাহিত্যতো শক্তিশালী প্ৰভাৱ পেলায়, লেখক আৰু নাট্যকাৰসকলক সমাজমুখী, বাস্তৱধৰ্মী আৰু সমালোচনাপ্ৰৱণ কৰি তুলিলে। এই সময়ছোৱাত মানুহৰ চিন্তা-চৰ্চা, ধ্যান-ধাৰণা আদিৰ যথেষ্ঠ পৰিবৰ্তন ঘটে আৰু লগে লগে নাটকীয় আংগিক আৰু বিষয়বস্তুৰ পৰিবৰ্তন সূচীত হয়। সামাজিক বিষয় বস্তুৱে নাট্যকাৰৰ দৃষ্টি আকৰ্ষণ কৰে। শ্ৰেণী সংগ্ৰাম, পুঁজিবাদ আৰু সাম্ৰাজ্যবাদৰ বিৰোধ, সাম্যবাদৰ আদৰ্শ, বংশমৰ্যদাৰ প্ৰভাৱ, বিভিন্ন পুৰুষৰ মাজত দ্বন্দ, শ্ৰমজীৱি আৰু শোষিত বৰ্গৰ জীৱনযাত্ৰা, নিবনুৱা সমস্যা, মধ্যবিত্ত শ্ৰেণীৰ আশা-আকাঙ্খা, প্ৰেমৰ মুক্ত পৰিস্ফুৰণৰ পথত সামাজিক অন্তৰায় আৰু মনস্তাত্বিক বিচিত্ৰ অভিব্যক্তি আদি বিবিধ সমস্যাই লাহে লাহে নাটকীয় কলা-কৌশলতো পৰিবৰ্তন ঘটাবলৈ ধৰিলে। নাটকৰ কাহিনী, নাট্যশৈলী আৰু আঙ্গিকৰ বিভিন্ন দিশত নাট্যকাৰসকলৰ ওপৰত ইবচেন, শ্ব, গলজ্বাৰ্ডি আদি বাস্তৱবাদী, চিন্তাশীল, নাট্যকাৰসকলৰ প্ৰভাৱ চকুত পৰে। আধুনিকতাৰ ছাপ থাকিলেও জীৱনৰ সম্যক উপলব্ধি, দৃষ্টিৰ গভীৰতা, প্ৰয়োগৰীতিৰ নতুনত্ব, 'প্লট'ৰ অভিনৱত্ব আৰু সমস্যাৰ মনস্তত্বৰ শুদ্ধ বিশ্লেষণ সকলো নাটতে পোৱা নাযায়।

স্বাধীনতা লাভৰ পিছত প্ৰসিদ্ধি লাভ কৰা নাট্যকাৰ সকলৰ ভিতৰত লক্ষ্যধৰ চৌধুৰী অন্যতম। এই কালছোৱাৰ প্ৰতিষ্ঠিত অন্যান্য নাট্যকাৰ সকলৰ ভিতৰত- ফনী শৰ্মা, সাৰদা বৰদলৈ, যুগল দাস, প্ৰবীন ফুকন, সত্যপ্ৰসাদ বৰুৱা, গিৰিশ চৌধুৰী, অনিল চৌধুৰী, প্ৰফুল্ল বৰা আদিৰ নাম উল্লেখযোগ্য। এওঁলোকৰ প্ৰত্যেকেই একোজন ভাল অভিনেতা। ৰঙ্গমঞ্চৰ লগত ঘনিষ্ঠভাৱে জড়িত থকাৰ কাৰণে নাট সমূহ মঞ্চোপযোগী আৰু সমসাময়িক ব্যক্তি তথা সামাজিক জীৱন প্ৰভাৱক্ষম ৰূপত উপস্থাপিত কৰিবলৈ বহু পৰিমাণে সক্ষম হৈছে।

লক্ষ্যধৰ চৌধুৰীয়ে নাট্যাৱলীত সন্নিবিষ্ট নাটৰ উপৰি অন্যান্য নাটকো লিখিছে। এই নাট বিলাকৰ ভিতৰত 'নিমিলা অংক' এখন উল্লেখযোগ্য জনপ্ৰিয় নাটক। চৌধুৰীদেৱৰ নাট্যসাধনা আৰম্ভ হয় শৈশৱ কালৰ পৰাই। নৱম শ্ৰেণীত পঢ়ি থাকোতেই 'একলব্য' নামেৰে এখন নাট লিখে আৰু উক্ত নাটকত নিজে অভিনয়ো কৰিছিল। মানৱ প্ৰীতিৰ উজ্বল চানেকি এইখন নাটতেই অংকুৰিত হৈছিল। চৌধুৰীদেৱে লিখা আন কেইখনমান নাট হৈছে 'ৰক্ষ কুমাৰ' (১৯৩৩), 'যৱনিকাৰ আঁৰে আঁৰে' (১৯৩৪), 'বিষ্ণু শৰ্মাৰ বিচাৰ' (১৯৩৪), 'আলিবাবা' (১৯৩৯), 'কৰ্ণবধ', 'কংস বধ', 'ঠিকনা' (১৯৬৪), 'ওমলা ঘৰ', 'দাতাকৰ্ণ', 'এনিশাৰ অতিথি', 'পথাৰ', 'ভগবান শ্ৰীকৃষ্ণ' আদি। তেখেত একেধাৰে

# সামাজিক নাটক আৰু লক্ষ্যধৰ চৌধুৰীৰ 'নিমিলা অংক'

■ মহেন্দ্ৰ কটকী

স্বাধীনতাৰ পিছৰ কালৰ অসমীয়া নাটকত বিষয়বস্তু, নাট্য প্ৰণালী, চিন্তা-চৰ্চা আদি বিভিন্ন দিশত বিপুল পৰিবৰ্তন পৰিলক্ষিত হয়। দ্বিতীয় মহাযুদ্ধৰ কালছোৱাত আৰু দেশে স্বাধীনতা লাভ কৰাৰ আগে পিছে ঘটা নানা ধৰণৰ সামাজিক, ৰাজনৈতিক ঘটনাবোৰে সমাজ জীৱনৰ অন্যান্য দিশৰ লগতে সাহিত্যতো শক্তিশালী প্ৰভাৱ পেলায়, লেখক আৰু নাট্যকাৰসকলক সমাজমুখী, বাস্তৱধৰ্মী আৰু সমালোচনাপ্ৰৱণ কৰি তুলিলে। এই সময়ছোৱাত মানুহৰ চিন্তা-চৰ্চা, ধ্যান-ধাৰণা আদিৰ যথেষ্ট পৰিবৰ্তন ঘটে আৰু লগে লগে নাটকীয় আংগিক আৰু বিষয়বস্তুৰ পৰিবৰ্তন সূচীত হয়। সামাজিক বিষয় বস্তুৱে নাট্যকাৰৰ দৃষ্টি আকৰ্ষণ কৰে। শ্ৰেণী সংগ্ৰাম, পুঁজিবাদ আৰু সাম্ৰাজ্যবাদৰ বিৰোধ, সাম্যবাদৰ আদৰ্শ, বংশমৰ্যদাৰ প্ৰভাৱ, বিভিন্ন পুৰুষৰ মাজত দ্বন্দ, শ্ৰমজীৱি আৰু শোষিত বৰ্গৰ জীৱনযাত্ৰা, নিবনুৱা সমস্যা, মধ্যবিত্ত শ্ৰেণীৰ আশা-আকাঙ্খা, প্ৰেমৰ মুক্ত পৰিস্ফুৰণৰ পথত সামাজিক অন্তৰায় আৰু মনস্তাত্বিক বিচিত্ৰ অভিব্যক্তি আদি বিবিধ সমস্যাই লাহে লাহে নাটকীয় কলা-কৌশলতো পৰিবৰ্তন ঘটাবলৈ ধৰিলে। নাটকৰ কাহিনী, নাট্যশৈলী আৰু আঙ্গিকৰ বিভিন্ন দিশত নাট্যকাৰসকলৰ ওপৰত ইবচেন, শ্ব, গলজ্বাৰ্ডি আদি বাস্তৱবাদী, চিন্তাশীল, নাট্যকাৰসকলৰ প্ৰভাৱ চকুত পৰে। আধুনিকতাৰ ছাপ থাকিলেও জীৱনৰ সম্যক উপলব্ধি, দৃষ্টিৰ গভীৰতা, প্ৰয়োগৰীতিৰ নতুনত্ব, 'প্লট'ৰ অভিনৱত্ব আৰু সমস্যাৰ মনস্তত্বৰ শুদ্ধ বিশ্লেষণ সকলো নাটতে পোৱা নাযায়।

স্বাধীনতা লাভৰ পিছত প্ৰসিদ্ধি লাভ কৰা নাট্যকাৰ সকলৰ ভিতৰত লক্ষ্যধৰ চৌধুৰী অন্যতম। এই কালছোৱাৰ প্ৰতিষ্ঠিত অন্যান্য নাট্যকাৰ সকলৰ ভিতৰত- ফনী শৰ্মা, সাৰদা বৰদলৈ, যুগল দাস, প্ৰবীন ফুকন, সত্যপ্ৰসাদ বৰুৱা, গিৰিশ চৌধুৰী, অনিল চৌধুৰী, প্ৰফুল্ল বৰা আদিৰ নাম উল্লেখযোগ্য। এওঁলোকৰ প্ৰত্যেকেই একোজন ভাল অভিনেতা। ৰঙ্গমঞ্চৰ লগত ঘনিষ্ঠভাৱে জড়িত থকাৰ কাৰণে নাট সমূহ মঞ্চোপযোগী আৰু সমসাময়িক ব্যক্তি তথা সামাজিক জীৱন প্ৰভাৱক্ষম ৰূপত উপস্থাপিত কৰিবলৈ বহু পৰিমাণে সক্ষম হৈছে।

লক্ষ্যধৰ চৌধুৰীয়ে নাট্যাৱলীত সন্নিবিষ্ট নাটৰ উপৰি অন্যান্য নাটকো লিখিছে। এই নাট বিলাকৰ ভিতৰত 'নিমিলা অংক' এখন উল্লেখযোগ্য জনপ্ৰিয় নাটক। চৌধুৰীদেৱৰ নাট্যসাধনা আৰম্ভ হয় শৈশৱ কালৰ পৰাই। নৱম শ্ৰেণীত পঢ়ি থাকোতেই 'একলব্য' নামেৰে এখন নাট লিখে আৰু উক্ত নাটকত নিজে অভিনয়ো কৰিছিল। মানৱ প্ৰীতিৰ উজ্জল চানেকি এইখন নাটতেই অংকুৰিত হৈছিল। চৌধুৰীদেৱে লিখা আন কেইখনমান নাট হৈছে 'ৰক্ষ কুমাৰ' (১৯৩৩), 'যৱনিকাৰ আঁৰে আঁৰে' (১৯৩৪), 'বিষ্ণু শৰ্মাৰ বিচাৰ' (১৯৩৪), 'আলিবাবা' (১৯৩৯), 'কৰ্ণবধ', 'কংস বধ', 'ঠিকনা' (১৯৬৪), 'ওমলা ঘৰ', 'দাতাকৰ্ণ', 'এনিশাৰ অতিথি', 'পথাৰ', 'ভগৱান শ্ৰীকৃষ্ণ' আদি। তেখেত একেধাৰে

নাট্যকাৰ, অভিনেতা, চিত্ৰ পৰিচালক, কবি, সাংবাদিক আৰু ৰাজনীতিবিদ।

'নিমিলা অংক' চৌধুৰীদেৱৰ নাটকেইখনৰ ভিতৰত এখন জনপ্ৰিয় সামাজিক নাটক। তিনি অংকৰ এই গহীন সামাজিক নাটকখনত এজন পেঞ্চনপ্ৰাপ্ত কেৰাণী হৰকান্ত কাকতিৰ পাৰিবাৰিক অশান্তি, আৰ্থিক দুৰৱস্থা, চিকিৎসাৰ অভাৱত পুতেকৰ মৃত্যু আৰু শেহান্তৰত পুতেকৰ চিকিৎসাৰ কাৰণে চাকৰি কৰি অফিচৰ টকা আত্মসাৎ কৰা অপৰাধত পুলিচৰ দ্বাৰা গ্ৰেপ্তাৰ বৰণ কৰি নিম্নমধ্যবিত্তৰ ট্ৰেজেদী ৰূপায়ন কৰিছে। নাটকখনত হৰকান্তৰ চাৰিত্ৰিক পতন আৰু বিপৰ্যয়ৰ যোগেদি নিম্নমধ্যবিত্ত জীৱনৰ শোকাৱহ ৰূপচিত্ৰ ডাঙি ধৰি নাট্যকাৰে হৰকান্তৰ প্ৰতি দৰ্শকৰ সহানুভূতি আদায় কৰিবলৈ সক্ষম হৈছে। প্ৰকৃতাৰ্থত হৰকান্ত নিম্নমধ্যবিত্তৰ প্ৰতিনিধিহে। নাটকখনৰ কাহিনীটো এটা পৰিয়ালৰ দুৰ্দশাৰ কাহিনী। পৰিয়ালটোৰ জীৱনৰ অংক নিমিলিল। সেইফালৰ পৰা নাটকখনক পাৰিবাৰিক নাটক আখ্যা দিব পাৰি।

সমালোচনা কৰিছে। কথা আৰু কামৰ মাজত সামঞ্জস্য নোহোৱা পত্নীৰ প্ৰতি তেওঁ কঠোৰ হৈ পৰিছে। পুতেক বোৱাৰীয়েকলৈ হৰকান্তৰ বৰ মৰম, সেয়ে অত্যাধিক মূল্যবৃদ্ধি সত্বেও জোৰা টাপলি মাৰি পঙ্গু পুতেক গোপাললৈ মাগুৰ মাছ আৰু বোৱাৰীয়েকলৈ কবিৰাজী ঔষধ আনে। বোৱাৰীয়েকৰ প্ৰতি থকা মৰমৰ ভাৱ হৰকান্তৰ ভাষাত- "এতিয়া চা চোন বোৱাৰীজনীৰ কিমান কষ্ট হৈছে। তাই একেজনী মানুহে কোনফালে কিমান আগুৰিব। ভাতহে ৰনাবনে চাহকে কৰিব? বেমাৰীক প্ৰতিপাল কৰিব নে চাকৰিলৈ যাব? তাতকৈয়ো এতিয়া ভাগৰে বুলিহে মোৰ চিন্তা হৈছে।"

হৰকান্তই সামান্য উপাৰ্জনেৰে ঘৰ চলাব নোৱাৰি পুতেকৰ হাতৰ আঙঠি, ঘৰৰ কাঁহী-বাতি আনকি বোৱাৰীয়েকৰ ডিঙিৰ হাড় পৰ্যন্ত বিক্ৰী কৰিবলগীয়া হৈছে। ইয়াৰ উপৰিও মিউনিচিপেলিটিৰ টেক্স, নৰহৰি মহাজনৰ দোকানৰ বাকী, পুতেকৰ পৰীক্ষাৰ ফিজ আৰু সোণৰ

***'নিমিলা অংক' চৌধুৰীদেৱৰ নাটকেইখনৰ ভিতৰত এখন জনপ্ৰিয় সামাজিক নাটক। তিনি অংকৰ এই গহীন সামাজিক নাটকখনত এজন পেঞ্চনপ্ৰাপ্ত কেৰাণী হৰকান্ত কাকতিৰ পাৰিবাৰিক অশান্তি, আৰ্থিক দুৰৱস্থা, চিকিৎসাৰ অভাৱত পুতেকৰ মৃত্যু আৰু শেহান্তৰত পুতেকৰ চিকিৎসাৰ কাৰণে চাকৰি কৰি অফিচৰ টকা আত্মসাৎ কৰা অপৰাধত পুলিচৰ দ্বাৰা গ্ৰেপ্তাৰ বৰণ কৰি নিম্নমধ্যবিত্তৰ ট্ৰেজেদী ৰূপায়ন কৰিছে।***

নাটকখনত কেইবাটাও চৰিত্ৰ আছে, তাৰ ভিতৰত হৰকান্ত, গোপাল, নাৰায়ণ, কেশৱ, পীতৰাম, নৰহৰি, বিমলা, সাবিত্ৰী, কদমী আদিয়েই প্ৰধান। এই চৰিত্ৰসমূহৰ ৰূপ বা অৱস্থিতি আছে কিন্তু বিকাশ নাই। হৰকান্ত চৰিত্ৰটিৰ এটা গুণগত পৰিৱৰ্তন দেখা গৈছে যদিও সেই গুণগত পৰিৱৰ্তনৰ কাৰণে যিখিনি ক্ৰিয়া-প্ৰতিক্ৰিয়া, ঘাত-সংঘাতৰ প্ৰয়োজন সেইখিনিৰ অভাৱ পৰিলক্ষিত হৈছে। হৰকান্তৰ চৰিত্ৰটি এটা সবল চৰিত্ৰ হিচাপেহে পৰিস্ফুত হৈছে।

হৰকান্ত এজন অৱসৰপ্ৰাপ্ত চৰকাৰী কৰ্মচাৰী। পেঞ্চনৰ সামান্য টকাৰে পৰিয়াল চলোৱাৰ অংক মিলাব নোৱাৰি কোম্পানীৰ সৰু চাকৰি এটা যোগাৰ কৰি লৈছে। বোৱাৰীয়েক সাবিত্ৰীয়েও শহুৰেকৰ আৰ্থিক দিশত সকাহ দিবলৈ চাকৰি কৰিবলগীয়া হৈছে। ডাঙৰ পুত্ৰ গোপাল পঙ্গু। দ্বিতীয়া পত্নী বিমলাই ঘৰৰ সকলো কামলৈ পিঠি দি সামাজিক হবলৈ গৈ স্বামী হৰকান্তক সকলো ক্ষেত্ৰত কটু

টাইফয়েড ৰোগৰ ঔষধ আনিবৰ কাৰণে অৰ্থাভাৱ হোৱাত অৱশেষত একো উপায় নাপাই "টকা থাকিলে মানুহ নমৰে" বুলি কৈ কোম্পানীৰ অফিচৰ টকা আত্মসাৎ কৰি ঔষধ কিনি আনিছে। টকা আত্মসাৎ কৰাৰ অপৰাধত তেওঁক পুলিচে গেপ্তাৰ কৰিছে। নাটকখনৰ নাট্যোৎকণ্ঠাৰ সৃষ্টি হৈছে যেতিয়া হৰকান্তই পুতেক সোণৰ অসুখৰ চিকিৎসাৰ কাৰণে নানান উপায়ে অৰ্থ সংগ্ৰহ কৰিবলৈ যত্ন কৰি বিফল হৈ 'টকা থাকিলে মানুহ নমৰে' বুলি কৈ অফিচলৈ ওলায় গৈছে। দৰ্শকে তেতিয়ালৈকে নাজানে অফিচলৈ গৈ হৰকান্তই কি কৰিব।

হৰকান্তৰ বাহিৰে আন পুৰুষ চৰিত্ৰকেইটাৰ বিকাশ মন কৰিবলগীয়া নহয়। গোপাল হৰকান্তৰ প্ৰথম পক্ষৰ ডাঙৰ ল'ৰা, পঙ্গু। গোপালে ঘৰৰ সকলো কথাতে চকু ৰাখে, উদাৰ চিতিয়া, মাহীয়েক আৰু ভায়েকহঁতৰ মঙ্গল কামনা কৰে। নাটকত যিবোৰ চৰিত্ৰ অনাৰ নিৰুপায়ভাৱে চালিত হয় সেইবোৰ চৰিত্ৰক নিশ্চল চৰিত্ৰ বুলি কোৱা হয়। সেইপিনৰ পৰা গোপাল এটি নিশ্চল চৰিত্ৰ।

দ্বিতীয় পক্ষৰ প্ৰথম পুত্ৰ নাৰায়ণ কবি হোৱাৰ চিন্তাত নিমগ্ন, ঘৰৰ সমস্যা চাবলৈ সময় নাই। মাকক সমাজসেৱা, ৰাজনীতি আদি পৰিহাৰ কৰি কবিতা লিখিবলৈ অনুৰোধ কৰে। দ্বিতীয় পুত্ৰ কেশৱ বিপ্লৱী। বিপ্লৱৰ কথা ভাবি থাকোতে ঘৰৰ কথা, পইচা অৰ্জাৰ কথা চিন্তা কৰিবলৈ সময় নাই, কিন্তু ঘৰখনৰ পৰা পইচা চুচিবলৈ সংকোচবোধ নকৰে। ভায়েকৰ বেমাৰত চিকিৎসাৰ কাৰণে ডাক্তৰক খবৰ দিয়াতকৈ সৰস্বতী পূজাৰ চান্দা তোলাতো কেশৱৰ কাৰণে বেছি গুৰুত্বপূৰ্ণ কাম। ব্যৱহাৰত উচ্ছৃংখল। বাকী দুজন সোণ আৰু মুকুট স্কুলত পঢ়ে। সিহঁতৰ নানা খৰচ বুঢ়াৰ মূৰত। পীতমল হৰকান্তৰ ঘৰৰ চাকৰ, বৰ বিশ্বাসী। সি কদমীক ভাল পায়। কদমীৰ দৃষ্টিত পীতমল 'দেখাত হাবাং কিন্তু তালে পুতল'। পীতমল আৰু কদমীক টাইপ চৰিত্ৰ বুলি ক'ব পাৰি।

নাৰী চৰিত্ৰৰ ভিতৰত বিমলা চৰিত্ৰটোৰ বাস্তৱৰ প্ৰলেপ সনাত নাট্যকাৰ সফল হৈছে। বিমলা হৰকান্তৰ দ্বিতীয় ঘৈণিয়েক। বিমলাই ঘৰখনৰ প্ৰতি আওকান কৰি সততে সামাজিক মহিলা হবলৈ গৈছে। উচ্ছৃংখল পুতেকহঁতক অত্যাধিক প্ৰশ্ৰয় দি নষ্ট কৰিছে আৰু হোৱাই নোহোৱাই বৃদ্ধ স্বামী হৰকান্তক ব্যতিব্যস্ত কৰিছে। বিমলাই বোৱাৰী সাবিত্ৰী আৰু সতিনী পুত্ৰ গোলাপক চকু পাৰি দেখিব নোৱাৰে। সভাত বৰ বৰ বক্তৃতা দিয়ে। অস্পৃশ্যতা বৰ্জনৰ কথা কয়, কিন্তু ঘৰত বিমলাৰ ভাষাত ঃ সেইবোৰ মিটিঙৰ কথা মিটিঙৰ আচাৰ মিটিঙত, ঘৰৰ আচাৰ ঘৰত। পুত্ৰ সোণৰ তান নৰীয়া অথচ মাক বিমলা এসপ্তাহ ঘৰত নাই আনকি পুত্ৰৰ মৃত্যুটো গিৰীয়েকক অভিযোগ কৰি কৈছে ঃ 'আপুনি এইয়া কি কৰিলে? কিয় তাৰ এই সৰ্বনাশ কৰিলে?'

সাবিত্ৰী গোপালৰ পত্নী। সাবিত্ৰীৰ গিৰিয়েক গোপালৰ প্ৰতি বৰ ভক্তি, ঘৰখনৰ উন্নতিৰ প্ৰতি গভীৰ চিন্তা। ঘৰখন সুকলমে পৰিচালনা কৰাৰ উপৰিও এটা সাধাৰণ চাকৰি কৰি শহুৰেকক ঘৰ চলোৱাত সহায় কৰিছে। সাবিত্ৰীৰ চৰিত্ৰ সহিষ্ণুতা আৰু সহনশীলতাৰ আদৰ্শৰ প্ৰতীক। মাহীয়েকৰ কেটেৰা-জেঙেৰা কথা শুনিও আনন্দমনে ঘৰৰ কাম কৰিছে। নাটখনৰ আন নাৰী চৰিত্ৰ কদমী, ৰুণু আদিৰ নাট্য বিকাশত বিশেষ ভূমিকা লক্ষ্য কৰা নাযায়। কদমী হৰকান্তৰ চাকৰণী, পীতমলৰ প্ৰেমিকা। ৰুণু, গোপাল আৰু সাবিত্ৰীৰ একমাত্ৰ জীয়েক। বয়সত সৰু হলেও ৰুণুৰ উপস্থিত বুদ্ধি স্বীকাৰ কৰিবলগীয়া।

শেষত ক'ব পৰা যায় নাটখনিত নিম্ন মধ্যবিত্ত সমাজৰ সমস্যা সমূহৰ সফল চিত্ৰ ফুটি উঠিছে। অৰ্থনৈতিক সমস্যাত কঁকাল বেঁকা কৰা নিম্ন মধ্যবিত্ত সমাজত সামান্য কেৰাণী চাকৰি কৰি পৰিয়াল ভৰণ-পোষণ কৰা দুৰুহ। বিমলাৰ আধুনিকতা সমাজ মুখিতা আদিৰ জৰিয়তে বাহিৰৰ ৰং-চং দেখুৱাবলৈ যোৱাত ভিতৰ ফোপোলা ৰূপটোহে প্ৰকট হৈছে। ৰবীন বৰুৱা, নৰহৰি মহাজনৰ দৰে অসাধু ব্যৱসায়, নিবনুৱা সমস্যা, সামাজিক দুৰ্নীতি, মূল্যবৃদ্ধি, শোষণ, নিৰ্যাতন আদিৰ চিন্তাই ডেকা চামক কবি নাইবা বিপ্লৱী হবলৈ প্ৰেৰণা যোগাইছে। মাক-দেউতাকৰ সন্তানৰ প্ৰতি উদাসীনতা আৰু দায়িত্ববোধৰ চেতনাৰ অভাৱত সন্তানসকল উচ্ছৃংখল হৈ পৰিছে। তেনেদৰে ব্যৱহাৰিক জ্ঞানৰ অভাৱত পৰিয়ালৰ ব্যক্তিসকলৰ মাজত সমিল-মিলৰ অভাৱ, পতি-পত্নীৰ মাজত আত্মিক বুজা বুজিৰ অভাৱ, যৌথ পৰিয়ালৰ কাৰণে পৰিয়ালৰ সদস্যৰ ত্যাগ আৰু আত্মসমালোচনা তথা আত্ম জ্ঞানৰ অভাৱেই মধ্যবিত্ত পৰিয়াল ধ্বংসৰ মাজলৈ ঠেলি দিছে। সেয়ে লক্ষ্যধৰ চৌধুৰী দেৱৰ 'নিমিলা অংক' নাটকখনক এখন উল্লেখযোগ্য সফল গহীন নাট বুলি অভিহিত কৰিব পাৰি।


**সহায়ক গ্ৰন্থপঞ্জী ঃ**

১। চৌধুৰী লক্ষ্যধৰ ঃ নিমিলা অংক।
২। শৰ্মা সত্যেন্দ্ৰ নাথ ঃ অসমীয়া নাট সাহিত্য।
৩। শৰ্মা সত্যেন্দ্ৰ নাথ ঃ অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত।
৪। মহন্ত ড° ঃ প্ৰসঙ্গ নাটক।
৫। নাথ প্ৰফুল্ল কুমাৰ ঃ অসমীয়া সাহিত্যৰ সুৰভি।
৬। ঠাকুৰীয়া ড° ৰাম চৰণ ঃ নাট্য প্ৰসঙ্গ।
৭। শইকীয়া চন্দ্ৰ প্ৰসাদ (সম্পা) ঃ গৰীয়সী (২০০০'নৱেম্বৰ সংখ্যা)



■ প্ৰৱক্তা, অসমীয়া বিভাগ

# DOWRY SYSTEM IN INDIAN SOCIETY

■ Gultaz Begum

The system of dowry in marriages has been hunting our society for a long time. This is a social case which has gone unchecked, though time and again it has tormented the people in general.

Dowry has been a continuing trend in Indian society as we find its mention even in the roots of our history. Rules in ancient times made this system rampant. Dowry was seen as a status symbol and a prestige issue in those times. This trend continues even today.

The system of dowry becoming uglier day by day. The parents of a girl have to pay a heavy price in the name of dowry to the parents of the bridegroom, if they want to see their daughters in comfortable position in the family of their in-laws. Erorbitant amounts in the form of cash and luxury items are demanded and have to be paid by the bride's parents even if they are unable to afford it. So, the marriage of a daughter mean complete financial ruin for parents.

The problem is that even after the payment of heavy dowry there is no guarantee that the bride will enjoy a comfortable life in her new family. Additional demand are constantly made and if they are not met with by the parents of the bride, she is subjected to physical and mental torture by her in-laws. Her life become miserable. Greed and violence snatch the pleasure of her life.

Today the problem has taken such a worse shape that people do not want to have daughters. Family infanticide and killing of family fetuses through abortion are an the size. This has increased the gender gap alarmingly.

In Mosena district of Madhya Pradesh has a dismal sex ration of 822 women for every 1,000 men. In Kailaras and Pahadgarh blocks, at least 100 village have a sex ratio of less than 600 and in Jaura block it is less than 500 in some village. Focus is now on Kurukshetra in Haryana, which has the lowest sex ration in the country- 711 girls for 1,000 boys, according to the census report of 2001.

The law to curb the menance of dowry is there but it has proved ineffective. The dowry prohibition (Amendment) Act, 1984, which was passed by the parliament in 1984, came into force ....... October 2,



1985. The Amendment Act, which makes far-reaching changes in the Dowry prohibition Act, 1961 with a view to curbing the dowry menance, prescribes a minimum punishment of six months imprisonment and fine to anyone demanding dowry faun the parents of the bride. The offence is punishable up to two years and invites a fine which may extend to Rs.10,000. In spite of this amendment in the law the dowry abuse in the country is not declining. The arms of law are not long enough to reach the guilty and punish the groom and his kith and kin not only for making dowry demands, but also for either instigating or provoking her to commit.

Besides revolving to the legality and legal amendments a change in the mentality of people at large is also essential since giving and taking of dowry is a social evil. Law alone can not help to eradicate this evil. The people at large will have to be educated and informed about the evil of dowry system and its various implication with regard to the social and economic life of people of the country.

**DOWRY-IN-A-DAY LANDS GROOM IN DOUR STATE :** Demand for dowry basely 24 hours before his marriage landed a 25 years old groom in Tihar Jail. Rajesh Kumar was arrested in Janakpur, in New Delhi, on February 6 for demanding Rs. 40,000 from the bride's family. The accused Rajesh in a resident Mansarovar Garden and in the owner of a placement agency. His marriage was arranged with the daughter of a Government employee in Janakpur

The marriage was scheduled for 7th of February. "On February 6th accused called up the residence of the bride and demanded for Rs. 40,000", said a senior police officer. The father of the bride Ram Ayodhya was caught unawares by such a demand from Rajesh morely 24 hours before the marriage. The family members even tried to reason with Rajesh about the dowry demand. But he refreshed to budge. The family decided to call off the marriage of their daughter with Rajesh, such a greedy person. Jitendra, bride's brother then decided to teach him a lesson, called up the local police and informed them about the incident. In the afternoon of February 5 they called up Rajesh at their Janakpuri residence and said that they were ready to pay the amount demanded by him. "Prior to the marriage was fixed Rajesh never demanded anything. The bride's family were unable to decide what step to take as the marriage was scheduled the next day itself", added the officer. The accused was arrested when he arrived at their residence to receive the money. The cops arrested him and a case was registered at the Janakpuri police station. "It was a very tough decision on the part of the family as the future of their daughter was involved, to save her from further problems in future they took chis bald step", added the officer. (Pioneer, 8.2.06)

■ Lecturer, Economics Department



# অসমীয়া সাহিত্যৰ মহাৰথী চন্দ্ৰপ্ৰসাদ শইকীয়া

■ আচ্‌ফি আৰ্জুনা বেগম

যিসকল বৰেণ্য সাহিত্যিকে অসমীয়া সাহিত্যৰ ক্ষেত্ৰখনক তেওঁলোকৰ সাহিত্যকৰ্মৰ জৰিয়তে পৰিপুষ্ট কৰি থৈ গৈছে সেইসকলৰ ভিতৰত অসমীয়া সাহিত্যৰ মহাৰথী তথা অসমীয়া সাহিত্যৰ পিতামহ স্বৰূপ চন্দ্ৰপ্ৰসাদ শইকীয়া অন্যতম। মাথোঁ এগৰাকী সাহিত্যিক হিচাপেই তেখেতৰ পৰিচয়ৰ শেষ নহয়, এগৰাকী স্বাধীনতা সংগ্ৰামী, সাংবাদিক আৰু সম্পাদক হিচাপেও তেখেত সুখ্যাত। চন্দ্ৰপ্ৰসাদ শইকীয়াক অসমীয়া সাহিত্যৰ বটবৃক্ষ স্বৰূপেও অভিহিত কৰা হয়।

চন্দ্ৰপ্ৰসাদ শইকীয়াৰ জন্ম হৈছিল শিৱসাগৰ জিলাৰ আমগুৰিৰ জালুকগাঁৱত ১৯২৭ চনৰ ৮ জুলাই তাৰিখে। এওঁৰ পিতৃৰ নাম আছিল দুৰ্লভ চন্দ্ৰ শইকীয়া আৰু মাতৃৰ নাম দুৰ্গেশ্বৰী শইকীয়া।

১৯৪৫ চনত প্ৰৱেশিকা পৰীক্ষাত প্ৰাইভেট পৰীক্ষাৰ্থীৰূপে শিৱসাগৰ চৰকাৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ পৰা প্ৰথম বিভাগত উত্তীৰ্ণ হোৱা চন্দ্ৰপ্ৰসাদে স্কুলীয়া জীৱনৰ পাতনি মেলিছিল ১৯৩৩ চনত শিৱসাগৰৰ ৭২ ভূগ্ৰাহাট প্ৰাথমিক বিদ্যালয়ত। প্ৰৱেশিকা পৰীক্ষাৰ দেওনা পাৰ হৈ চন্দ্ৰপ্ৰসাদে ১৯৪৫ চনত কটন কলেজত আই.এ.ত নামভৰ্তি কৰে আৰু তাৰপৰাই ১৯৫০ চনত ইংৰাজীত অনাৰ্ছসহ স্নাতক পৰীক্ষাত উত্তীৰ্ণ হয়।

উল্লেখ্য যে বি.এ. পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পিছত ১৯৫০ চনত আমগুৰি হাইস্কুলত শিক্ষকতা কৰাৰো তেওঁ সুযোগ পাইছিল। কিছুদিন শিক্ষকতা কৰাৰ পিছত উচ্চ শিক্ষা গ্ৰহণৰ প্ৰতি থকা আগ্ৰহে তেওঁক কলিকতালৈ ঢাপলি মেলিবলৈ বাধ্য কৰায়। কলিকতা বিশ্ববিদ্যালয়ত ১৯৫১ চনত এম.এ.ত নামভৰ্তি কৰে। ১৯৫৪ চনত ইংৰাজী বিষয়ত কলিকতা বিশ্ববিদ্যালয়ৰ পৰা স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। বিশ্ববিদ্যালয়ৰ শিক্ষা অন্ত হোৱাত তেওঁ গুৱাহাটীলৈ প্ৰত্যাৱৰ্তন কৰে আৰু সাহিত্য তথা সংবাদ সেৱাৰ কাৰ্যত ব্ৰতী হয়।

গুৱাহাটীলৈ আহি তেওঁ ১৯৫৬ চনত 'দ্যা আসাম ট্ৰিবিউন'ৰ সহঃ সম্পাদক হিচাপে কাৰ্যভাৰ হাতত লয়। একে বছৰেই ১০ মাৰ্চত বিবাহ কাৰ্য সম্পন্ন কৰে। সাংসাৰিক দায়িত্বৰ লগতে সংবাদ তথা সাহিত্য জগততো তেখেতে পদাৰ্পণ কৰে। তেতিয়াৰে পৰা সাহিত্য আৰু সংবাদ দুয়ো ক্ষেত্ৰতে সমানে মনোনিৱেশ কৰি দুয়োৰে চৰ্চা সমানে আগবঢ়াই নিবৰ বাবে কাম কৰিবলৈ আৰম্ভ কৰে।

ইতিমধ্যে ১৯৬৩ চনত তেখেতে 'দ্যা আসাম ট্ৰিবিউন' ত্যাগ কৰে আৰু অসমীয়া অৰ্ধ-সাপ্তাহিক 'অসম বাতৰি'ত যোগদান কৰে। ইপিনে 'মায়ামৃগ' নামে এটি চুটিগল্পৰ সংকলনো ১৯৬৪ চনত প্ৰকাশ কৰি উলিয়ায়। উল্লেখযোগ্য যে ১৯৬৫ চনত তেওঁ আমেৰিকাৰ 'ইন্টাৰনেশ্যনেল জাৰ্নেলিষ্ট গ্ৰুপ'ত ভাৰতীয় প্ৰতিনিধি হিচাপে যোগদান কৰিছিল আৰু আমেৰিকা যুক্তৰাষ্ট্ৰ চৰকাৰৰ দ্বাৰা ছমাহৰ বাবে আমন্ত্ৰিত হৈছিল। 'মণিদ্বীপ' নামে এখন মাহেকীয়া সাহিত্য আলোচনীত ১৯৬৬ চনত সম্পাদকৰূপে যোগদান কৰে। ১৯৬৭ চনত 'অসম বাতৰি' ত্যাগ কৰি তেওঁ অসম প্ৰকাশন পৰিষদৰ সচিবৰূপে কাৰ্যভাৰ গ্ৰহণ কৰে। তেখেতৰ কাৰ্যকালতেই অসম প্ৰকাশন পৰিষদে সজীৱ ৰূপ ধাৰণ কৰিছিল। এনেদৰেই তেখেতে সাহিত্য-সংবাদ সেৱাৰ কাৰ্যত আগবাঢ়ি গৈ থাকে। তলত তেখেতৰ দ্বাৰা ৰচিত তথা সম্পাদিত কৰ্মাৱলী উল্লেখ কৰা হ'ল।

চন্দ্ৰপ্ৰসাদ শইকীয়া ৰচিত উল্লেখনীয় চুটিগল্পৰ পুথিসমূহ- মায়ামৃগ, নাচপতি ফুল (১৯৭৪), চক্ৰবেহ (১৯৮৭) আৰু অংগীকাৰ (১৯৮৯)। উপন্যাস সম্ভাৰ- মন্দাক্ৰান্তা (১৯৬০), মেঘমল্লাৰ (১৯৬৩), সূৰ্যস্নান (১৯৬৩), এদিন (১৯৬৯), উত্তৰকাল (১৯৭২), জন্মান্তৰ (১৯৭৮), মহাৰথী-খণ্ড-১ (১৯৯২), তোৰে মোৰে আলোকৰে যাত্ৰা-খণ্ড-১(১৯৯২)। পিছলৈ মহাৰথী আৰু তোৰে মোৰে আলোকৰে যাত্ৰা এই দুয়োখন উপন্যাসেই পূৰ্ণাঙ্গ ৰূপত প্ৰকাশ পাইছে। তেখেতৰ দ্বাৰা ৰচিত আন সাহিত্য সম্ভাৰ হ'ল- 'দৃষ্টিকোণ' আৰু 'নিৰ্বাচিত সম্পাদকীয়' নামে সম্পাদকীয় সংকলন (১৯৯৫)।

চন্দ্ৰপ্ৰসাদ শইকীয়া আছিল এগৰাকী সুদক্ষ সম্পাদক। তেখেতৰ দ্বাৰা সম্পাদিত কাকত-আলোচনী কেইখন হ'ল- অসম বাতৰি, মণিদ্বীপ, মাহেকীয়া সাহিত্য আলোচনী 'অসমীয়া' (১৯৬৮), মাহেকীয়া সাহিত্যালোচনী 'প্ৰকাশ' (১৯৭৫), অসমীয়া দৈনিক কাকত 'নতুন দৈনিক' (১৯৮৮), গৰিয়সী (১৯৯৩), অসম বাণী (১৯৯৮)। অসমৰ বাতৰি কাকত-আলোচনীৰ ডেৰশ বছৰীয়া জয়ন্তী উপলক্ষে 'অসমৰ বাতৰি কাকত-আলোচনীৰ ডেৰশ বছৰীয়া ইতিহাস' (১৯৯৮) শীৰ্ষক গ্ৰন্থখনো তেখেতৰ অন্যতম সম্পাদনা কীৰ্তি।

মৃত্যুৰ আগমুহূৰ্তলৈ তেখেতে গৰীয়সীৰ সম্পাদক ৰূপে কাৰ্যনিৰ্বাহ কৰি আছিল। গৰীয়সী অসমীয়া সাহিত্য আলোচনী হিচাপে এক মাইলৰ খুঁটি স্বৰূপ। গৰীয়সী সম্পাদনা তেখেতৰ জীৱনৰ এক কষ্টকৰ অধ্যায়। প্ৰবল ঐকান্তিকতাৰেই এই 'গৰীয়সী'ক তেখেতে গঢ় দিছিল। বঙালী আলোচনী 'দেশ'ৰ সম্পাদক প্ৰয়াত সাগৰময় ঘোষৰ দৰেই অসমীয়া সাহিত্য আৰু সাংবাদিকতাৰ ক্ষেত্ৰত চন্দ্ৰ প্ৰসাদ শইকীয়াৰ স্থান বুলি অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ড° লক্ষ্মীনন্দন বৰাদেৱে এটা লিখনিত স্বীকাৰ কৰিছে। এই 'গৰীয়সী' আলোচনীৰ জৰিয়তে তেখেতে 'কথা বঁটা'ও লাভ কৰিবলৈ সক্ষম হয়।

চন্দ্ৰপ্ৰসাদ শইকীয়াৰ আন এক উৎকৃষ্ট সৃষ্টি মহাভাৰতৰ এক বিখ্যাত চৰিত্ৰ (কৰ্ণ)ক কেন্দ্ৰ কৰি ৰচনা কৰা বিখ্যাত উপন্যাস 'মহাৰথী'। এই মহাৰথীৰ বাবেও ১৯৯৫ চনত তেখেতে সাহিত্য একাডেমীৰ পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম হয়। ইয়াৰোপৰিও তেখেতৰ জীৱনৰ আন এটি বিৰল সন্মান হ'ল ১৯৯৮ চনৰ অসম সাহিত্য সভাৰ পয়ষষ্ঠিতম্ হাজো অধিৱেশনত সভাপতিৰ আসনত উপবিষ্ট হোৱাটো।

চন্দ্ৰপ্ৰসাদ শইকীয়াৰ জীৱনৰ আৰু এটি উল্লেখনীয় অধ্যায় হ'ল তেখেত আছিল এগৰাকী স্বাধীনতা সংগ্ৰামী। হাইস্কুলত পঢ়ি থকা সময়তেই ১৯৪২ চনত ভাৰত ত্যাগ আন্দোলনে গা-কৰি উঠিছিল আৰু হাইস্কুলীয়া ছাত্ৰ চন্দ্ৰপ্ৰসাদে মাতৃভূমিৰ সেৱাৰ অৰ্থে আন্দোলনত সক্ৰিয়ভাৱে যোগদান কৰি কাৰাবাসো খাটিব লগা হৈছিল।

আশীটা বসন্ত অতিক্ৰম কৰা এই দুৰন্ত শক্তিৰ অধিকাৰী মহাৰথী গৰাকীৰ ২০০৬ চনৰ ৮ আগষ্ট তাৰিখে জীৱন ৰথ সময়ৰ বলুকাত ফঁচি গৈ স্তব্ধ হয়। এতিয়া তেওঁৰ অৱৰ্তমানত ৰৈ গ'ল মাথোঁ সময়ৰ বলুকাত পেলাই যোৱা খোজবোৰৰ চাপ। মহাপ্ৰয়াণৰ আগে আগে তেখেতে সৃষ্টি কৰি গ'ল এজাক অসমীয়া লিখক, যাৰ দ্বাৰা পুনৰ কেবা দশকলৈ অসমীয়া সাহিত্যক্ষেত্ৰখন মৃত্যুৰ মুখৰ পৰা বাচি সজীৱ হৈ থাকিব পাৰিব। তেখেতে সময়ৰ বলুকাত পেলাই যোৱা খোজবোৰৰ পৰা বিকিৰিত হওঁক এক চন্দ্ৰোজ্বল কিৰণ, যি কিৰণে নৱ প্ৰজন্মক তেখেতৰ স্বপ্ন তথা কল্পনাৰ ৰাজ্যত প্ৰৱেশ কৰিবলৈ উদ্বুদ্ধ কৰি তাক বাস্তৱত ৰূপদান কৰিব।

**বিভিন্ন ক্ষেত্ৰত চন্দ্ৰপ্ৰসাদৰ দৰ্শন আৰু দৃষ্টিভংগী ঃ** মানুহক ভালপোৱাটোৱেই মোৰ জীৱনৰ ধৰ্ম। মানুহক মানুহ হিচাপে বিচাৰ কৰাটো সাহিত্যৰো লক্ষ্য। সাহিত্যৰ সত্য শব্দৰ মাজত সোমাই থাকে। সেই শব্দৰ সাধনা কৰিব পৰাটো মোৰ বাবে পৰম গৌৰৱ।

**কবিতা সম্পৰ্কে ঃ** কবিতা মানৱ ভাগ্যৰ শ্ৰেষ্ঠতম সম্পদ। কবিতা সাহিত্যৰ নিৰ্যাস, কবিতাৰ বাবে বিখ্যাত কবিয়ে জীৱন বিসৰ্জনো দিব পাৰে। আমি সকলোৱেই কবিতাৰ সন্তান। কিন্তু কবিতা লিখিবলৈ কাব্যিক প্ৰতিভা অপৰিহাৰ্য। মোৰ সেই প্ৰতিভা নাই। কিন্তু জীৱনৰ অনেক সময় মই কবিতা পঢ়ি, কবিতা আবৃত্তি কৰি অতিবাহিত কৰিছোঁ।

**সংবাদসেৱা সম্পৰ্কে ঃ** এজন প্ৰকৃত সাংবাদিক সকলো ধৰণৰ সন্ত্ৰাসৰ বিৰোধী। কিন্তু কোনো সাংবাদিক

যদি এক ধৰণৰ সন্ত্রাসক আন এক ধৰণৰ সন্ত্রাসতকৈ অধিক মাৰাত্মক জ্ঞান কৰে, তেন্তে বুজিব লাগিব তেওঁ যিকোনো পৰ্যায়ৰে সন্ত্রাসবাদৰ বিৰোধিতা কৰাৰ ক্ষমতা হেৰুৱাইছে। তেনেধৰণৰ সাংবাদিকতাই জনসাধাৰণক বিভ্রান্ত কৰে। বাতৰি কাকত এখনৰ মূল সম্পদ বিশ্বাসযোগ্যতা। সেই কাকতৰ ওপৰত স্থাপন কৰা পাঠক সমাজৰ বিশ্বাসেই হ'ল তাৰ জীৱনীশক্তি। যেতিয়াই পাঠকে উপলব্ধি কৰিবলৈ আৰম্ভ কৰিব যে এখন কাকতে তাৰ বিশ্বাসযোগ্যতা হেৰুৱাইছে, তেতিয়াই সেই কাকতৰ প্রতি মানুহৰ আস্থা দ্রুত গতিৰে লোপ পায়।

**নাৰী সম্পৰ্কে ঃ** নাৰীক মই কেতিয়াও বেয়াকৈ সজাব নোৱাৰো, মোৰ ৰক্ষণশীলতাৰ বাবে। নাৰীৰ ক্ষেত্রত মই ৰক্ষণশীল। হঠাৎ মই কোনো নাৰীক অসতী বা বেশ্যা বুলি লিখিব নোৱাৰো। নাৰীক মই আধুনিক দৃষ্টিৰে চাওঁ। নাৰীয়ে মানুহক জন্ম দিব পাৰে, নাৰীয়ে যে শংকৰদেৱৰ দৰে, শ্বেইক্সপীয়েৰৰ দৰে, টলষ্টয়ৰ দৰে, মহাত্মা গান্ধীৰ দৰে লোকক জন্ম দিব পাৰে, সেই চিন্তাৰ পৰা আঁতৰি আহিব নোৱাৰি। তাৰ উপৰি এক নাৰীপ্রধান পৰিয়ালত মোৰ জন্ম। মোৰ ভাৰ্যাৰ প্রভাৱো মোৰ ওপৰত সামান্য নহয়।

**গণতন্ত্র সম্পৰ্কে ঃ** গণতন্ত্রক যি নিজৰ জীৱনৰ এক আলোক সন্ধানী ৰূপ হিচাপে গ্রহণ নকৰে, ৰাজনীতিক পৰিণত নকৰে এক জীৱন দৰ্শনত, তেনে লোকৰ ৰাজনীতি হৈ পৰে সাধাৰণ মানুহৰ বাবে মাথোন এক অকাৰণ কৌতূহল।

**বিভিন্নজনৰ দৃষ্টিত চন্দ্রপ্রসাদ ঃ** চন্দ্রপ্রসাদৰ লক্ষ্য আছিল নতুন লেখক সৃষ্টি কৰা। যাৰ বাবে তেওঁ সম্ভাৱনাময়ী লেখক-লেখিকাক যাচিছিল অকৃত্রিম অনুপ্রেৰণা। তেওঁৰ বাবেই অসমীয়া সাহিত্যই লাভ কৰিলে বহু নবীন লেখক-লেখিকা, সাৰ্থক চন্দ্রপ্রসাদৰ প্রচেষ্টা। বৰ্তমান অসমৰ প্রায় লেখক-লেখিকাই তেওঁলোকৰ সাহিত্যিক জীৱনৰ সৃষ্টিৰ আঁৰত চন্দ্রপ্রসাদৰ উৎসাহ আৰু অনুপ্রেৰণা যে জড়িত এই কথা স্বীকাৰ কৰিছে।

জ্ঞানপীঠ বঁটা বিজয়িনী মামনি ৰয়ছম গোস্বামীৰ মতে, "তেখেত আছিল ব্যতিক্রমী সম্পাদক। তেখেতৰ মৃত্যু অসমৰ বাবে, অসমীয়া সাহিত্য তথা সাংবাদিকতা ক্ষেত্রৰ বাবে বৃহৎ ক্ষতি।

বৰেণ্য সাহিত্যিক, সাংবাদিক হোমেন বৰগোহাঞিয়ে স্বীকাৰ কৰিছে যে চন্দ্রপ্রসাদ শইকীয়া অহিবনে তেখেতৰ ৯০ শতাংশ লেখাই হেনো অলিখিত হৈ থাকিলেহেঁতেন।

বিশিষ্ট কবি, সমালোচক হীৰেন্দ্রনাথ দত্তদেৱে চন্দ্রপ্রসাদ শইকীয়াদেৱৰ উষ্ণ সহৃদয়তা, বিশাল উদাৰতা, অফুৰন্ত উৎসাহ আৰু দৃঢ়চেতা সংগ্রামী মনোভাব, স্পষ্টবাদিতা, ৰসিক তীক্ষ্ণ বুদ্ধি, জাগ্রত অনুভূতি আৰু দূৰদৃষ্টি আদি অনেক গুণসম্পন্ন ব্যক্তি আছিল বুলি তেখেতৰ লিখনিত প্রকাশ কৰিছে।

বিশিষ্ট সাহিত্যিক হৰেকৃষ্ণ ডেকাৰ ভাষাত— তেখেতে যে কেৱল সৃষ্টিশীল সাহিত্যৰ অৱদান আৰু চিন্তাশীল প্রবন্ধপাতিৰে অসমৰ বৌদ্ধিক জগতখনত এক নেতৃস্থানীয় ভূমিকা লৈ আহিছে সেইটো নহয়। তেখেতে অসমৰ তৰুণ প্রজন্মক অভূতপূৰ্ব উৎসাহ উদ্দীপনা যোগাই আহিছে আৰু লগতে তেওঁলোকৰ কাৰণে নিজে সম্পাদনা কৰা আলোচনীত ক্ষেত্র প্রস্তুত কৰি দি পিতৃসুলভ দায়িত্ব পালন কৰি আহিছে।

**চন্দ্রপ্রসাদ সম্পৰ্কে অন্য কিছু তথ্য ঃ** 'মৃত্যুঞ্জয়', ড° বীৰেন্দ্র কুমাৰ ভট্টাচাৰ্যৰ অমৰ উপন্যাসখনৰ নামটো দিছিল চন্দ্রপ্রসাদ শইকীয়াদেৱে।

জন্মস্থান আমগুৰিক তেওঁৰ উপন্যাস (জন্মান্তৰ/উত্তৰকাল)ত ঠাই দিছিল অৰ্জুনপুৰ নামেৰে।

মুখ্যমন্ত্রী বিষ্ণুৰাম মেধিয়ে চন্দ্রপ্রসাদক দণ্ডাধীশ হ'বলৈ পৰামৰ্শ দিছিল, কিন্তু চন্দ্রপ্রসাদে প্রত্যাখ্যান কৰিছিল।


দেৱকান্ত বৰুৱাক বিমলা প্রসাদ চলিহা মন্ত্রীসভাৰ পৰা বৰ্খাস্ত কৰা হৈছিল 'অসম বাতৰি'ৰ চন্দ্রপ্রসাদৰ এটা সম্পাদকীয়ৰ কাৰণে। 'নতুন দৈনিক' প্রকাশ হোৱাৰ এবছৰ আগতেই চন্দ্রপ্রসাদক সম্পাদক পতা হৈছিল।

চন্দ্রপ্রসাদৰ গুণাৱলী তথা অসমীয়া সাহিত্য জগতলৈ তেখেতৰ অৱদান অতি ব্যাপক। নিঃসন্দেহে তেখেত অসমীয়া আধুনিক যুগৰ অন্যতম যুগ নায়ক।

**উৎস ঃ** 'দৈনিক জনসাধাৰণ'ৰ দেওবৰীয়া পৰিপূৰিকা, 'ইত্যাদি', ৯ জুলাই, ২০০৬; 'আমাৰ অসম' ১৮ আগষ্ট, ২০০৬ (শুকুৰবাৰ); 'জনসাধাৰণ' ৯ আগষ্ট, বুধবাৰ।

■ স্নাতক প্রথম বৰ্ষ





# এইডচ্ মুক্ত কৰো আহক


■ আৰ্জুআৰা খানম

এইডচ্ (AIDS) নামৰ ৰোগবিধে আজি সমগ্র মানৱ জাতিৰ বাবে এক ভাবুকিৰ সৃষ্টি কৰিছে। চিকিৎসাবিজ্ঞানীসকলে নিতৌ নতুন নতুন ঔষধ উদ্ভাৱন কৰি মানৱ জাতিক সকলো ৰোগৰ পৰা মুক্ত কৰাৰ বাবে অহৰহ গৱেষণা কৰি আছে আৰু সফলতাও লাভ কৰিছে। কিন্তু এইডচ্ (AIDS) নামৰ ৰোগবিধক নিৰাময় কৰিবলৈ চিকিৎসাবিজ্ঞানে আজিলৈকে কোনো ঔষধ উলিয়াব পৰা নাই। এনে অৱস্থাত এজন মানুহৰ এইডচ্ (AIDS) ৰোগ হ'লে কোনো পৰ্যায়তে তেওঁক এই ৰোগৰ পৰা মুক্ত কৰিব নোৱাৰি। ফলত ৰোগীজন এই ৰোগত ভুগি মৃত্যুবৰণ কৰিবলগীয়া হোৱাৰ বাহিৰে গত্যন্তৰ নাই। সেয়েহে বৰ্তমান এই ৰোগৰ পৰা কেনেকৈ মুক্ত হৈ থাকিব পাৰি সেই সম্পৰ্কে আমি সকলোৱে নিশ্চিতভাৱে জ্ঞান আহৰণ কৰাৰ প্রয়োজনীয়তা আহি পৰিছে।

ছাত্র-ছাত্রীসকলে এইৰোগ সম্পৰ্কত সৰুৰে পৰা তন্ন তন্নকৈ জনাটো নিতান্তই আৱশ্যক। শিক্ষক-শিক্ষয়িত্রী আৰু অভিভাৱক সকলেও এই ৰোগ সম্পৰ্কত নিজে জানি বুজি লৈ ছাত্র-ছাত্রীসকলক সচেতন কৰি ৰখা আজি তেওঁলোকৰ সামাজিক দায়বদ্ধতাত পৰিণত হৈছে। মূলত আমি এইডচ্ (AIDS) সম্পৰ্কে সদায় সচেতন হৈ থকা আমাৰ ব্যক্তিগত জীৱনত বাধ্যবাধকতা হিচাপে পৰিগণিত হৈ পৰিছে। লগতে সমাজৰ প্রতিটো স্তৰৰে সকলোকে আমি সচেতন কৰি ৰখাটো আমাৰ সামাজিক দায়িত্ব হিচাপে নললে ভুল কৰা হব।

এইডচ্ (AIDS) সমগ্র বিশ্বত আজি এটা প্রত্যাহ্বান হিচাপে থিয় দিছে। এইডচ্ (AIDS) ৰ সম্পূৰ্ণ ৰূপ হৈছে Acquired Immuno Deficiency Syndrome সমগ্র বিশ্বজুৰি ভীতিগ্রস্ত কৰি তোলা এই ৰোগৰ দ্বাৰা আক্রান্ত হৈছে প্রায় ৩৬ নিযুত মানুহ।

এইডচ্ ৰোগ এইচ-আই-ভি (HIV-Human Immunu Deficiency Virus) নামৰ এবিধ ভাইৰাচৰ দ্বাৰা হয়। এজন মানুহৰ এইডচ্ হবলৈ হ'লে প্রথমতে তেওঁ এইচ-আই-ভি (HIV) নামৰ এবিধ বীজাণু বা ভাইৰাচৰ দ্বাৰা আক্রান্ত হ'ব লাগিব। মনত ৰাখিবলগীয়া কথা যে এই ভাইৰাচবিধ শৰীৰত প্রৱেশ কৰা মাত্রেই এইডচ্ ৰোগ নহয়। এই ভাইৰাচবিধে অতি লাহে লাহে শৰীৰত ক্রিয়া কৰে। শেষত মানুহজনৰ যিকোনো ৰোগ প্রতিৰোধ কৰিব পৰা ক্ষমতা সম্পূৰ্ণৰূপে ধ্বংস কৰি পেলায়। এইচ-আই-ভি নামৰ এইবিধ ভাইৰাচ ধ্বংস কৰিব পৰা কোনো ঔষধ এতিয়ালৈকে ওলোৱা নাই। এইচ-আই-ভি ভাইৰাচবিধে মানৱ দেহৰ ৰোগ প্রতিৰোধ কৰিব পৰা প্রাকৃতিক ব্যৱস্থাটোক সমূলি নষ্ট কৰি দিয়ে। অৰ্থাৎ এইডচ্ হোৱা মানে শৰীৰৰ ৰোগ প্রতিৰোধকাৰী ক্ষমতা লোপ পোৱা। এইডচ্ হোৱা মানে এইচ-আই-ভি আক্রমণৰ শেষ অৱস্থা।



*এইডচ্ ৰোগ নিজৰ আচৰণ বা অজ্ঞতাৰ বাবে হোৱা ৰোগ। এইচ-আই-ভি ভাইৰাচটো কিছুমান বিশেষ ব্যৱহাৰিক আচৰণৰ দ্বাৰা এজনৰ পৰা আনজনলৈ বিয়পিব পাৰে। এই ৰোগ হোৱাৰ মূল কাৰণটো হ'ল এইচ-আই-ভি ভাইৰাচৰ দ্বাৰা আক্ৰান্ত এজন লোকৰ শৰীৰৰ পৰা যৌন ৰস বা অন্য ধৰণৰ ৰস পোন-পতীয়াভাৱে আন এজন মানুহৰ শৰীৰত সোমালে তেওঁ এইচ-আই-ভিৰ দ্বাৰা আক্ৰান্ত হয়। এইচ-আই-ভি আক্ৰান্ত ব্যক্তিৰ পৰা তেজ বা তেজৰ অন্য উপাদান গ্ৰহণ কৰিলে এই ৰোগ বিয়পিব পাৰে।*

এইডচ্ ৰোগবিধ বংশগত নহয়। এইবিধ আৰ্জিত ৰোগ। এই ৰোগ নিজৰ আচৰ বা অজ্ঞতাৰ বাবে হোৱা ৰোগ। এইচ-আই-ভি ভাইৰাচটো কিছুমান বিশেষ ব্যৱহাৰিক আচৰণ দ্বাৰা এজনৰ পৰা আনজনলৈ বিয়পিব পাৰে।

এইডচ্ ৰোগ হোৱাৰ মূল কাৰণটো হ'ল এইচ-আই-ভি ভাইৰাচৰ দ্বাৰা আক্ৰা এজন লোকৰ শৰীৰৰ পৰা যৌন ৰস বা অন্য ধৰণৰ ৰস পোনপতীয়াভাৱে আন এজ মানুহৰ শৰীৰত সোমালে তেওঁ এইচ-আই-ভিৰ দ্বাৰা আক্ৰান্ত হয়।

এইচ-আই-ভি বীজাণুৰ দ্বাৰা আক্ৰান্ত ব্যক্তিৰ লগত অসুৰক্ষিত যৌন সম্পৰ্কৰ দ্বা এইডচ্ ৰোগ হ'ব পাৰে। সংগমৰ সময়ত পুৰুষ আৰু মহিলা উভয়ৰে মাজত যৌনৰস আদান-প্ৰদান হয়। সেয়ে পুৰুষ বা মহিলাগৰাকীৰ যিকোনো এজন AIDS/HIV ত আক্ৰা হৈ থাকিলে যৌনৰসৰ মাধ্যমেৰে আনজনৰ দেহলৈ এই বীজাণু সংক্ৰমিত হ'ব পাৰে।

- এইচ-আই-ভি আক্ৰান্ত ব্যক্তিৰ পৰা তেজ বা তেজৰ অন্য উপাদান গ্ৰহণ কৰিলে এই ৰোগ বিয়পিব পাৰে।
- এইচ-আই-ভি বীজাণুযুক্ত বেজীৰ দ্বাৰা বহুজনে শিৰাত নিচাযুক্ত দ্ৰব্য লোৱাৰ বাবে এই ৰোগ বিয়পিব পাৰে।
- এইডচ্ (AIDS) ৰোগত আক্ৰান্ত বা এইচ-আই-ভি বীজাণু বহনকাৰী গৰ্ভৱতী মাতৃৰ পৰা জন্মৰ আগত, জন্মৰ সময়ত বা জন্মৰ পিছতে সন্তানৰ গালৈ এইৰোগ বিয়পিব পাৰে।

**এইডচ্ ৰোগৰ লক্ষণ ঃ**

**মুখ্য লক্ষণ—**

- অস্বাভাৱিকভাৱে শৰীৰৰ ওজন ১০% বা তাতোকৈ বেছি কমি যোৱা।
- এমাহতকৈ অধিক সময় মাজে মাজে বা সদায় জ্বৰ হৈ থকা।
- নেৰা নেপেৰাকৈ এমাহতকৈ অধিক সময় পনীয়া শৌচ (গ্ৰহণী) হোৱা।

**গৌণ লক্ষণ —**

- শৰীৰৰ গন্থীবোৰ ফুলি উঠা।
- ৰাতি ঘামি থকা আৰু গাৰ বিষ হোৱা।
- মুখত বা খাদ্যনলীত ঘাঁ হোৱা।
- এমাহতকৈ বেছিদিন কাঁহ হৈ থকা।
- শৰীৰত অত্যাধিক খজুৱতি আৰু আন ছালৰ ৰোগে দেখা দিয়া।

ইয়াৰ উপৰিও এইডচ্ ৰোগীজন হাওঁফাও আৰু স্নায়ুতন্ত্ৰৰ বিভিন্ন ৰোগত ভুগি পাৰে। অৱশ্যে এই লক্ষণবোৰ এইডচ্ ৰোগৰ নিশ্চিত লক্ষণ নহয়। এইবোৰ আন ৰোগতে দেখা দিব পাৰে। সেইবাবে তেজ পৰীক্ষাৰ দ্বাৰাহে এইডচ্ ৰোগ নিশ্চিতভাৱে চিনাক্ত কৰিব পাৰি।

বৰ্তমানলৈ যিহেতু এইডচ্‌ৰ নিৰাময়ৰ কোনো ঔষধ নাই, সেয়েহে জনসাধাৰণৰ মাজত সজাগতা বৃদ্ধিয়েই এইডচ্ প্ৰতিৰোধৰ একমাত্ৰ উপায়। গতিকে সকলোৱে এইডচ্‌ৰ পৰা নিজকে কেনেকৈ বচাব পৰা যায় সেইটো জনা অতি প্ৰয়োজনীয়।

■ স্নাতক প্ৰথম বৰ্ষ



# SWAMI VIVEKANANDA

■ Pranjal Barua

Swami Vivekananda, or Narendranath Dutta was born to Vishwanath Dutta and Bhuwaneswari Devi in Calcutta on Monday, 12 January 1863. The Datta family was rich, respectable, and rewarded for charity, learning and a strong spirit of Independence. Before the birth of Narendranath though Bhubaneswari Devi had daughters, she yearned for a son and asked one of her relatives, at Varanasi to wake religious offerings to Vireswar Siva. It is said that she dreamt later that Siva promised to be born as her son. Narendranath was born sometime afterwards.

In his early childhood, Narendranath was rather restless and given to much fun and frolic. But at the same time, he had a great attraction for spiritual matters and would play at worshipplug or weditating on the images of Rama-Sita, Siva etc. the stories of the Ramayana and the Mahabharata, which his mother told him, left an indelible impression on his mind. Traits such as courage, sympathy for the poor, and attraction towards wandering works appeared spontaneously in him. Even in childhood, Narendranath demanded convincing of head and heart, he grew into a vigorous youth.

As a youth, Narendranath's bonius beauty was watched by his courage. He had the build of an athlete, a resouant voice, and a brilliant

intellect. He distinguished himself in athletes, philosophy and music, and among his colleagues was the undisputed leader. At college, he studied and absorbed western thought, and this implanted a spirit of critical inquiry in his mind. His inborned tendency towards spirituality and his respect for ancient religious traditions and beliefs, on the one side, and his argumentative nature, coupled with his sharp intellect, on the other, were now at war with each other. In this predicament, he tried to find comfort in the Brahmo Samaj, the popular socio-religious movement of the time. The Brahmo Samaj believed in a formless God, deprecated the worship of idols, and addressed itself to various forms of social reforms. Narendranath also met prominent religious leaders, but could not get a convincing answer from them to his question about the existence of God. This only accentuated his spiritual restlessness.

A remarkable change of outlook came over Narendranath between the closing of 1888, when he first on his temporary excursus, and 1890, when he parted finally from his brethren and travelled allow as an unknown mendicant. He began to assume various manes in order to conceal his identity that he weight be swallowed up in the immensity of India.

Now it was that the natural desire of an Indian work for a life of solitude gave way to the prescience that he was to fulfil a great desting: that his was not the life of an ordinary recluse struggling for personal solution. Under the influence of his burning desire to know India better and the mute appeal rising all around him from oppressed India, he went first to Varanasi, the holiest city of the Hindus.

After Varanasi, he visited Lucknow, Agra, Vrindaban, Hathras and Hrishikesh and then returned to Baranagore for a time.


Swami Vivekananda knew his and was wearing. All his activities during the last days were deliberate and significant. He said that smaller plants cannot grow under the shade of a big tree. On 4 July 1902, he weditated from 8 to 11 in the morning, rather unusually. In the afternoon, he went out for a walk with Swami Premananda and explained his plan to start a Vedic school. In the evening, he retired to his room and spent an hour in meditation. Then he lay down quality and after some time took two deep breaths and passed into eternal rest.

He had renounced his mortal body, but his words uttered in 1896 to Mr. Eric Hammond in London remained to reassure everyone of his immortality : 'It may be that I shall find it good to get outside my body to cast it off like a worn-out garment. But I shall not cease to work. I shall inspire men everywhere, until the world shall know that it is one with God.'

(Collected from the different books on Vivekananda specially "Vivekananda his Call to the Nation" published by "Advaita Ashrama.")


■ T.D.C. third year





# Urbanization and Economic Development of Assam

■ Abhijit Hazarika



Urbanization is one of the common characteristics of economic development. The process of urbanization depends on the shift of surplus population from rural to urban areas. The people of backward villages have been living urban various social and economic pressures. Due to such pressures the villagers started to move towards urbanized centres in search of job. The newly established industries in those centres and auxiliary activities continuously offer job opportunities to those migrating peoples. So, there is an important relationship between industrial growth and urbanization. The pace of urbanization declines when the proportion of urban population to total population becomes too high.

The concept of urbanization is closely related to economic development. Economic development of a country indicates the increase in the level of per capita income and standard of living along with the enlargement of employment opportunities for the growing population. The process of urbanization may be rapid or slow. It depends upon the attainment of economic development and the rate of industrial growth. Thus, there is a good degree of co-relation between economic development and the pace of urbanization.

But the urbanization in Assam could not make much leadway in reducing the degree of unemployment. Because the absorptive capacity of the urban areas are very low. Now a question arises here that, what are the factors responsible for this type of situation?

-The reasons are the neglect of the urban slums, exploitation of urbanized sector by contractors, landlords etc. and the application of capital intensive technique. These lead the urban population in various problems such as increasing

pollution, growth of slums, problems of transportation, housing, water supply etc.

In the initial stage, the migration of indigenous people from rural to urban areas like Guwahati, was very minimum. But it started to show a gradual increasing trend since 1951 due to the establishment of new government offices, influx of Hindu refugees from East Bengal and gradual increasing attraction of rural people towards urban life. According to the economist the growth of urban area has created. According to this table, it has increased from 3.44 lakh in 1951 to 7.81 lakh in 1961, then to 24.87 in 1991. Otherfore, it can be observed that the impact of urbanization has increased in Assam year by year. Now we can see the growth of population of some important towns of Assam in the following table.

**Population growth of important towns of Assam since 1951 (in thousands)**

| Towns | 1951 | 1971 | 1991 | Rate of Growth durng (1971-91) in% |
|---|---|---|---|---|
| Guwahati | 43.6 | 146.0 | 577.5 | 295.3 |
| Dibrugarh | 38.0 | 80.3 | 118.3 | 47.3 |
| Silchar | 34.0 | 52.5 | 115.0 | 119.0 |
| Nawgaon | 28.2 | 56.5 | 93.3 | 65.1 |
| Dhubri | 22.7 | 45.5 | 65.8 | 44.6 |
| Barpeta | 21.1 | 26.4 | 25.3 | (-)4.2 |
| Bongaigaon | -- | 13.9 | 35.6 | 156.1 |
| Tezpur | 18.8 | 39.8 | 54.9 | 37.9 |
| Jorhat | 16.1 | 70.0 | 111.5 | 59.2 |
| Tinsukia | 12.2 | 54.9 | 73.7 | 34.2 |
| Sibsagar | -- | 27.4 | 36.6 | 33.5 |
| Diphu | -- | 10.2 | 39.5 | 287.2 |
| Karimganj | -- | 31.6 | 43.6 | 37.9 |


This table reveals that total population of Guwahati has rapidly increased from 1971 to 1991. The other cities which have more than one lakh population in 1991 are Dibrugarh, Silchar and Jorhat serious problems and therefore it should be protected. But it is not easy to check such tendencey.

The following table shows the trend of urban population in Assam, since 1901.

**Trend of urbanizamtion in Assam : 1901-91**

| Census Year | Urban population of Assam | %of urban population to total population | Growth rate of urban population 295.3 (Decadal)% |
|---|---|---|---|
| 1901 | 77,074 | 2.34 | ----- |
| 1911 | 92,916 | 2.41 | 20.5 |
| 1921 | 127,107 | 2.74 | 38.80 |
| 1931 | 162,166 | 2.92 | 27.58 |
| 1941 | 208,067 | 3.11 | 28.30 |
| 1951 | 344,831 | 4.29 | 65.73 |
| 1961 | 781,288 | 7.21 | 126.57 |
| 1971 | 12,89,222 | 8.82 | 65.01 |
| 1981 | ------ | ---- | ---- |
| 1991 | 2487,795 | 11.10 | 92.97 |

Figure shows growth rate during 1971-91.



The above table reveals that the total urban population of Assam has gradually increased from 1901 to 1951. During this total population has increased from 2.34 to 4.29 %.

Again during the second half of that century, total urban population of Assam started to increased at a rapid rate. It shows a growing trend of urbanization in Assam.

Economist Colin Clark and G.B. Fisher argued that economic development is very much symtomized by the shift of population from the rural to urban areas. It is also applicable in case of Assam. The people of rural areas think that their economic and social status will improved by migrating to towns, where they can earn more money easily. This is the general factor high rate of growth of urban population in Assam. Some of the special factors like, growth of urban areas, migration from rural to urban areas, migration from other state, immigration, neglects of the village economy are also responsible for the day to day increase of urban population.

To conclude, it is important to say that the rapid growth of urban population in a poor state like Assam is not a good symptoms. It can not pave the way to economic development and unable to use properly the valuable human resources. It has been resulting in various evils such as growth of slums, increasing congestion and pollution, problems of transport, water supply, Samitation and finally to unemployment and poverty.

But if the villagers do not think to migrate and uses its huge potentialities, in various field, then they can easily develop their economic conditions and social status. Never the less, government should help them in every step to make "Sonar Asom" in a very short period.

**Sources :**


1. Census of India 1951, 1971, 1991 etc.
2. NEC Basic statics, 1980
3. The economy of Assam- P.K. Dhar.




■ Lecturer, Economics Department




*Life goes on.......*

# দৰঙৰ ঐতিহ্যমণ্ডিত খটৰা সত্ৰ



■ নৃপেন ডেকা

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ, সৰ্বকালৰ সৰ্বশ্ৰেষ্ঠ, মানৱ ধৰ্ম, একশৰণ নামধৰ্মৰ প্ৰৱৰ্তক, মানৱতাবাদী দাৰ্শনিক, অসমভূমিৰ উপমাবিহীন জলন্ত সূৰুয। অসমৰ জাতীয় জীৱনত তেখেতৰ বহুমুখী অৱদান সমূহৰ ভিতৰত নামঘৰ আৰু সত্ৰ প্ৰতিষ্ঠা অন্যতম। গুৰুজনাই সমাজৰ পৰা অন্ধ-বিশ্বাস, কু-সংস্কাৰ, অযুক্তিপূৰ্ণ তথা অবৈজ্ঞানিক ৰীতি-নীতিক বিনাশ কৰি এখন নিকা, শ্ৰেণী বৈষম্যহীন সমাজ গঢ়াৰ প্ৰয়াসেৰে "এক শৰণ নামধৰ্ম"ৰ প্ৰচাৰ কৰে। এই উদ্দেশ্যে অসমৰ বিভিন্ন ঠাইত শিষ্যসকলৰ সৈতে ভ্ৰমণ কৰি বৈষ্ণৱ আন্দোলনৰ সম্পূৰ্ণ ৰূপ দিছিল। "এক শৰণ নামধৰ্ম" ৰ লক্ষ্য আগত ৰাখি সত্ৰ আৰু নামঘৰ প্ৰতিষ্ঠা কৰি অসমবাসীক প্ৰেম অমৃতৰ সন্ধান দিছিল। নামঘৰ সমূহত নাম-কীৰ্ত্তন আৰু পাঠ প্ৰসঙ্গৰ উপৰিও সংগীত, নাট, ভটিমা, পুথি লিখাৰ নিয়ম আছিল। মহাপুৰুষ শ্ৰীমন্ত শংকৰ দেৱৰ প্ৰিয়তম শিষ্য মাধৱদেৱ, দামোদৰ দেৱ, গোপাল আতৈ, নাৰায়ণ দাস ঠাকুৰ আতৈ, হৰিদেৱ আদিয়ে অসমৰ ভালেমান ঠাইত পদ্ধতিগতভাৱে সত্ৰ প্ৰতিষ্ঠাত আগভাগ লৈছিল।

অসমৰ সত্ৰসমূহৰ ভিতৰত দৰং জিলাৰ খটৰা সত্ৰ প্ৰধান আৰু পুৰণি সত্ৰ। শ্ৰীশ্ৰীমাধৱদেৱৰ আজ্ঞাপৰ শিষ্য লেচাকণীয়া গোবিন্দ আতৈয়ে তেওঁৰ আজ্ঞামতে ১৫৬৮ খ্ৰীষ্টাব্দত খটৰা সত্ৰ প্ৰতিষ্ঠা কৰিছিল। মহাপুৰুষীয়া ধৰ্ম প্ৰচাৰ আৰু প্ৰসাৰত এই সত্ৰই গুৰুত্বপূৰ্ণ ভূমিকা বহন কৰি আহিছে।

নিকা সংহতি মূলৰ এই সত্ৰখনি প্ৰতিষ্ঠাৰ সন্দৰ্ভত এটি কাহিনী প্ৰচলিত আছে। প্ৰতিষ্ঠাপক শ্ৰীশ্ৰীগোবিন্দ আতৈৰ জীৱনী ভৱানন্দ দ্বিজ ৰচিত "গোবিন্দ চৰিত" অনুসৰি বৰ্ণিত কাহিনীটো এনেধৰণৰ—

শ্ৰীশ্ৰীমাধৱদেৱ গুৰুৰ আজ্ঞা অনুসৰি তিনিজন ভকত লগত লৈ গোবিন্দ আতৈই নৌকাৰে দৰঙৰ এই ঠাইত উপস্থিত হয়। অতব্য হাবি জংঘলেৰে আগুৰা ঠাইখনৰ প্ৰাকৃতিক দৃশ্যই তেওঁক মুগ্ধ কৰে। সেই ঠাইত শিষ্যসকলৰ সৈতে জিৰণি লৈ থাকোতে এটি বিচিত্ৰ আৰু অদ্ভুত কাণ্ড দেখিবলৈ পালে। এটি ভেঁকুলীয়ে এডাল প্ৰকাণ্ড ফেঁটীসাপ গিলিব ধৰিছে।

*কালক ভক্ষকে খায় গোবিন্দইও চায়*
*তৈতে কৰিলন্ত ভেটি মনে ভাল পায়।*-গোবিন্দ চৰিত

উল্লেখযোগ্য যে সেই স্থানত তেতিয়া 'খট' নামৰ দুষ্ট প্ৰকৃতিৰ লোকে বসবাস কৰিছিল, সিহঁত আছিল শাক্ত আৰু গুৰু গোঁসাই একো নমনাবিধৰ লোক। কিন্তু ভেঁকুলীয়ে বিষাক্ত সৰ্প গিলা ঘটনাটো সৎ মানুহে দুষ্ট লোকক দমন কৰাৰ প্ৰতীকি দৃশ্য হব পাৰে বুলি শ্ৰীশ্ৰীগোবিন্দ আতৈয়ে সেই স্থানতে সত্ৰ প্ৰতিষ্ঠাৰ কাম আৰম্ভ কৰিলে। 'খট' সকলে সত্ৰ প্ৰতিষ্ঠা কামত বাধা প্ৰদান কৰাৰ ওপৰিও গোবিন্দ আতৈক প্ৰাণে মৰাৰো ভাবুকি দিলে। আনকি সিহঁতে ভগৱানক স্বচক্ষে চাব বিচাৰিলে। উপায়ন্তৰ হৈ গোবিন্দ আতৈই বৰপেটালৈ গৈ শ্ৰীশ্ৰীমাধৱ দেৱক জনালে। গুৰুজনাৰ পৰামৰ্শমতে আতৈয়ে বৰপেটাত ভাওনাত ব্যৱহাৰ কৰা ৰাম-লক্ষ্মণ-সীতা-হনুমানৰ মূৰ্তি চাৰিটা আনি দেখুৱালে। 'খট' সকল সন্তুষ্ট হ'ল। এই মূৰ্তিকেইটা বৰ্তমানেও সত্ৰৰ মণিকূটত সযতনে ৰখা হৈছে। এই সত্ৰক বহুতে ৰঘুনাথ মন্দিৰ বুলিও কয়। সত্ৰৰ কীৰ্ত্তন ঘৰত থকা গুৰু আসনহে মূল উপাস্য বস্তু যদিও দৰ্শনাৰ্থীসকলে সেই মূৰ্তি সেৱা কৰি নিজকে পূণ্যবান বুলি ভাবি আহিছে। খটসকলক দমন কৰি সত্ৰ প্ৰতিষ্ঠা কৰা বাবেই ঠাইখিনিৰ নাম খট-হৰা আৰু পিছলৈ খটৰা বুলি জনাজাত হয়। সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাদেৱৰ হাতে লিখা অৱস্থাতে শ্ৰীশ্ৰীগোবিন্দ আতৈৰ নৱম পুৰুষ পুৱাৰাম মহন্তই 'বৰদোৱা গুৰুচৰিত' বাহীত প্ৰকাশ কৰিছিল। পাছত ড° মহেশ্বৰ নেওগে সম্পাদনা কৰি শ্ৰীবংশীধৰ শৰ্মাৰ দ্বাৰা প্ৰকাশ কৰি উলিয়াইছে। উক্ত 'বৰদোৱা গুৰু চৰিত' পুথিখনিত খটৰা সত্ৰৰ মাহাত্ম্যৰ বিষয়ে অধ্যয়ন কৰিলে অসমৰ মহাপুৰুষীয়া সত্ৰৰ শাৰীত খটৰা সত্ৰয়ো মান্যতা পায়।

খটৰা সত্ৰ প্ৰতিষ্ঠাৰ বাবে দৰঙী ৰজা মহেন্দ্ৰ নাৰায়ণ আৰু স্বৰ্গ নাৰায়ণে বিস্তৰ মাটি-বৃত্তি দান কৰিছিল বুলি সত্ৰৰ মুখপত্ৰ বৰকাকতত উল্লেখ আছে। শ্ৰীশ্ৰীগোবিন্দ আতৈয়ে কৃষ্ণাই ডেকাৰ সহযোগত স্থাপন কৰা কীৰ্ত্তন ঘৰটি উৰলি যাবলৈ ধৰাত হেলা বৰুৱাৰ সহযোগত ৰজা চন্দ্ৰ নাৰায়ণে ছকুৰি নাহৰৰ খুটাৰে সত্ৰৰ কীৰ্ত্তন ঘৰটি পুনৰ নিৰ্মাণ কৰি দিছিল। সেই স্মৃতি আজিও বৰ গোপিনী সকলৰ মুখে মুখে পদ হিচাপে জীয়াই আছে—

*ৰাম কৃষ্ণ খটৰা গোঁসাই ঘৰ*
*ৰাম কৃষ্ণ দেখোতে ভয়ঙ্কৰ*
*হৰি মোৰ ঐ ছকুৰি নাহৰৰ খুটা।*
*ৰাম কৃষ্ণ দুফালে লেখিলে*
*ৰাম কৃষ্ণ ৰামে লক্ষ্মণে*
*হৰি মোৰ ঐ মাজতে লেখিলা সীতা।।*

ৰজা চন্দ্ৰ নাৰায়ণে হেলা বৰুৱাৰ সহযোগত নিৰ্মাণ কৰা এই কীৰ্ত্তন ঘৰটিও নষ্ট হোৱাত পথৰুঘাটৰ তহছিলদাৰ দিদাৰুদ্দিন বৰা ডাঙৰীয়াই পুনৰ মণিকূট আৰু টুপ দিয়া নামঘৰটি সজাই দিয়ে। বৰ্তমান সেই নামঘৰটিও নষ্ট হোৱাত চৰকাৰী অৰ্থ সাহাৰ্য্য আৰু সত্ৰ পৰিচালনা সমিতিয়ে নিজ পুঁজিৰে মণিকূট আৰু কীৰ্ত্তন ঘৰ সাজি উলিয়াইছে। তাৰোপৰি চৰকাৰী অনুদানেৰে ২৪ মিটাৰ দীঘল আৰু ২৮ মিটাৰ বহল বিৰাট নামঘৰটিৰ কাম বৰ্তমানে চলি আছে। জাতি, ধৰ্ম, ভাষা, সম্প্ৰদায় নিৰ্বিশেষে সকলোৰে এই সহায় সহানুভূতিয়ে খটৰা সত্ৰৰ মাহাত্ম্যৰ কথাকে সোঁৱৰায়।

সত্ৰৰ পূৱ দিশত গোবিন্দ আতৈ স্মৃতি মন্দিৰ আৰু গোবিন্দ আতৈৰ বাসগৃহ আছিল। উত্তৰ দিশত আছে গোবিন্দ আতৈৰ স্মৃতিত এটি স্থায়ী ৰঙ্গমঞ্চ। দক্ষিণ দিশত আছে বাপুভেটি। সত্ৰৰ মূল প্ৰৱেশ পথ অৰ্থাৎ পশ্চিম দিশত আছে সিংহদ্বাৰ। ইয়াৰ ওপৰিও বৰপুখুৰী, গুৰু আসন, বৰটোপ, (গাথিয়া ঘুখৰু) সাঁচিপতীয়া প্ৰাচীন পুথি, ৰজাদিনীয়া বাচন-বৰ্ত্তন, ডবা, সত্ৰৰ বৰকাকতৰ দৰে ঐতিহাসিক নতি আহি সম্পদে দৰ্শনাৰ্থী সকলক আকৰ্ষণ কৰি আহিছে।

অসমৰ সত্ৰীয়া পৰম্পৰাত সত্ৰাধিকাৰে সত্ৰ পৰিচালনা কৰে যদিও এই সত্ৰত কোনো সত্ৰাধিকাৰ নাই। গণতান্ত্ৰিক পদ্ধতিৰে নিৰ্বাচিত কৰা পৰিচালনা সমিতিয়ে সত্ৰৰ যাৱতীয় কাম কাজ পৰিচালনা কৰে। দুবছৰৰ বাবে গঠন কৰি দিয়া পৰিচালনা সমিতিয়ে দেউৰী, ভঁৰালী, আঠপৰীয়া, দৈনিক মহৰী আদি নিযুক্তি দিয়ে। সত্ৰীয়া পৰম্পৰাত ইও এক ব্যতিক্ৰমধৰ্মী বৈশিষ্ট্য।

প্ৰতিষ্ঠা কালৰে পৰা খটৰা সত্ৰত নানান সত্ৰীয়া সাংস্কৃতিক কাৰ্য প্ৰচলিত হৈ আহিছে। শংকৰী কলা-কৃষ্টিৰ চৰ্চা কেন্দ্ৰ হিচাপে খটৰা সত্ৰৰ এক মহৎ ঐতিহ্য আছে। নিয়মিত নাম প্ৰসঙ্গৰ ওপৰিও সত্ৰত বৰগীত, খুলীয়া ভাউৰীয়া, খোল বাদন, বৰাগোপিনীৰ নাম, ডবা-বৰকাঁহ, গোদ্ধ চৌপৰি সভা, বোকা ভাওনা, থিয়নাম, দধিমথন, ব্যাস সংগীত, কালীয়া, নাগাৰা নাম, নটুৱা নৃত্য, চেও চাপৰি নাম, ভটিমা আদি শঙ্কৰী কৃষ্টি চৰ্চা আজিও অব্যাহত আছে।

পৰম্পৰাগতভাৱে খটৰা সত্ৰত নানান তিথি- পৰ্ব আৰু সত্ৰীয়া উৎসৱ অনুষ্ঠান পালন কৰা হয়। এইবোৰৰ ভিতৰত বহাগ বিহু, কাতি বিহু, মাঘ বিহু, দেউল উৎসৱ, শংকৰ দেৱৰ তিৰোভাৱ তিথি, শ্ৰীকৃষ্ণৰ জন্মোৎসৱ, নন্দোৎসৱ, পাচেতি উৎসৱ, গুৰু আৰ্বিভাৱ মহোৎসৱ, দৌলযাত্ৰা আদি উল্লেখযোগ্য।

লোক বিশ্বাসত খটৰা সত্ৰৰ মহিমা অসীম। প্ৰতিষ্ঠা কালৰে পৰা দূৰ-দূৰণিৰ পৰা শ-শ দৰ্শনাৰ্থীয়ে সত্ৰ দৰ্শন কৰি আছে। সত্ৰলৈ অহা যাত্ৰীসকলে সাধাৰণ শৰাই, বৰশৰাই আৰু সাঙী ভাৰত শৰাই সম্ভাৰ লৈ অহাৰ পৰম্পৰা আহিছে। এনেকি শ-শ বছৰ ধৰি ভক্তপ্ৰাণ ৰাইজৰ অন্তৰত খটৰা সত্ৰই মহামিলনৰ তীৰ্থস্থান হিচাপে মৰ্যদাপূৰ্ণ আসন দখল কৰি আহিছে।

*সহায়ক গ্ৰন্থ ঃ খৰৰ কাকত আৰু খটৰা সত্ৰ কৃষ্টি সংঘৰ সোণালী জয়ন্তী স্মৃতিগ্ৰন্থ।*

■ স্নাতক তৃতীয় বৰ্ষ

# TSUNAMI



## ■ Trishna Bonia

26th December/04, it caused great trouble to the people of Indonesia, Sri Lanka, India, Thailand and Maldeep. Indonesia last more than 1 Lakh people.

Tsunami has proved itself to be a great devestating power and which has already killed more about 1,50,000 people of five countries located around the Indian Ocean. 'Tsunami is a Japanese word. 'Tsunami is different from tidal wave. Tsunami arises mainly for earth quake under the sea. When the earthquake come huge wave are seen in the sea and they come to the inner parts of the share.

Tsunami is often occurs in the Pacific ocean. It came on the 26th December, 2004. It caused great trouble to the people of Indonesia, Sri Lanka, India, Thailand and Maldeep. Indonesia lost more than 1 Lakh people. A large number of people of the Andamans lost their lives in the Tsunami. In Tamilnadu many man fell victim of it. It killed not only human beings but also destroyed a great deal of properly. It didn't spare time or wild animals also.

Tsunami killed almost famous country which suffers from tsunami very often. Now a days, the neighbouring countries of the Pacific ocean have adapted some preventive measure against tsunami. As a part of this, the inhabitants of the sea share have been carried to a safer place. In 1948 the Pacific Tsunami warning centre was established in collaboration with 26 countries of the world. The organization studies seismic data and collects data about Tsunami and tides through satellite. There is National Ocean Survey in the U.S.A. which studies the surface of the sea water.

India too, has now come forward to set up such an organization which will be able to foretell about Tsunami as well as other matural Ravoc.

In India, the central Government as well as Tamilnadu state Government has come forward for the rescue of the victims of the Tsunami. The prime Minister of India has announced a special package of Rs. 821 crore to the victims of the Tsunami. The suffers will get bank loans easily.

In fine, Tsunami is a curse of the mankind.



■ T.D.C 1st Year

*ফনী আৰু জোতাই গৰাকীৰ মৰম ভালপোৱাক লৈ সদায় কাজিয়া কৰি থাকে। বিষয়টো হ'ল- গৰাকীয়ে কাক বেছি মৰম বা গুৰুত্ব দিয়ে। ফনীয়ে গৰাকীৰ মূৰৰ চুলিবোৰ সজাই পৰাই ৰখা বাবে নিজকে জোতাতকৈ গুৰুত্বপূৰ্ণ বুলি সদায় দাবী কৰে আৰু জোতাক সঘনাই ঠাট্টা মস্কৰা কৰি থাকে।*



# ফনী আৰু জোতা

■ দিবাকৰ চন্দ্ৰ দাস

ফনী আৰু জোতা উভয়ে গৰাকীৰ বাবে অতি প্ৰয়োজনীয় সামগ্ৰী; সেয়েহে তেওঁ দুয়োকে খুব মৰম কৰে। কোনো ভেদভাৱ নাৰাখি, তেওঁ ফনী আৰু জোতাক নিজ নিজ কৰ্তব্যৰ প্ৰতি সন্মানসহঃ গুৰুত্ব দি আহিছে। পিছে ফনী আৰু জোতাই গৰাকীৰ মৰম ভালপোৱাক লৈ সদায় কাজিয়া কৰি থাকে। বিষয়টো হ'ল- গৰাকীয়ে কাক বেছি মৰম বা গুৰুত্ব দিয়ে। ফনীয়ে গৰাকীৰ মূৰৰ চুলিবোৰ সজাই পৰাই ৰখা বাবে নিজকে জোতাতকৈ গুৰুত্বপূৰ্ণ বুলি সদায় দাবী কৰে আৰু জোতাক সঘনাই ঠাট্টা মস্কৰা কৰি থাকে। এনেদৰে দুয়োৰে মাজত হোৱা বিবাদে এদিন চূড়ান্ত ৰূপ লয়।

এদিনাখন গৰাকী নোহোৱা অৱস্থাত সিহঁতৰ কাজিয়াৰ সূত্ৰপাত হ'ল। সেইদিনা তেওঁ ফনী আৰু জোতাক নিজ নিজ স্থানত থৈ ঘৰৰ পিছফালে থকা বাগিছাখনত কাম কৰিবলৈ ওলাই গৈছেহে মাথো, ফনীয়ে জোতাক কৰ্কশ মাতেৰে গালি শপনি পাৰি মৰ্যদাক লৈ নিন্দা কৰিবলৈ আৰম্ভ কৰিলে।

ফনী ঃ (ঠাট্টাৰ সুৰত) উস্ বৰ দুখ লাগিল, তোক যে এনেকৈ সেই চুক এটাত গৰাকীয়ে পেলাই থৈ দিয়ে। চিঃ বৰ বেয়া লাগেদে; মোৰ ফালে চাচোন। হায়! তোৰ কিযে বিলৈ!

জোতা ঃ এহ্ বৰ বৰ নকৰিবিচোন। মই থকা ঠাইকলৈ কিয় মূৰ ঘমাব লগা হ'ল? তই নিজকে কি বুলি ভাবিছা? গৰাকীক মই সকলো সময়তে নিষ্ঠাৰে সেৱা কৰি আহিছো। মোৰ কৰ্তব্যাত পেংলাই কৰ কিয়? তেওঁৰ পদযুগল মই সদায় নিৰাপদে ৰাখো। আনফালে তোৰ একা?

ফনী ঃ ইস্ তেনেকৈ ভাবিবলৈ তোৰ অকণো লাজ নালাগেনে? তই পদযুগলৰ কথা কৈছ, তাৰ মানে সেই ভৰি দুখন, নহয়নে? চিঃ ক'তা! মানুহৰ ভৰিৰ সমান বেয়া বস্তু আছেনে? গোটেই শৰীৰটো কঢ়িয়াই ফুৰাত বাহিৰে আন একোৱেই চিন্তা কৰিব নোৱাৰে।

জোতা ঃ ঐ, তই কি কলি? ভৰি দুখন বেয়া বস্তু? এইমাত্ৰ তই কোৱা নাইনে যে ভৰিদুখনেহে শৰীৰটো কঢ়িয়াই লৈ ফুৰে। তোৰ মূৰটোত অকণো চিন্তাশক্তি থকা হ'লে এইদৰে নকলিহেঁতেন। কঢ়িয়াই লৈ ফুৰা নহ'লে গৰাকীৰ যে কি বিলৈ হ'লহেঁতেন, তই কেতিয়াবা অনুভৱ কৰিছনে? একেদৰেই তোৰ একা?

ফনী ঃ থৈ দে। তোৰ দৰে গাধৰ কাম মই নকৰো। ভৰি দুখনৰ ৰক্ষণাবেক্ষণ দি বোজা কঢ়িয়াই ফুৰোতে জীৱনটো শেষ কৰিবলৈ লৈছ। গাধইহে এই কাম কৰে বুজিছনে নাই। মোৰ পিনে নাচাব কেলেই। সকলো চিন্তাশক্তিৰ ভঁড়াল মগজুটো নিৰাপদে ৰখা চুলি কোচা মই যতনাই ৰাখো। ইয়াতকৈ আৰু গৌৰৱৰ কথা থাকিব পাৰেনে?

জোতা ঃ এহ্; বৰ গৌৰৱৰ কথা বুলি দম্ভ মাৰি ফুৰিবলৈ লাজো নালাগেনে? পিছে কিছুমানে আকৌ তোক চিনিয়েই নাপায়। চুলি নথকা মূৰ যেন নাইহে। তপা বোলা লোকসকল কি আকৌ? তেওঁলোকে তোক কোনো কামৰে লায়ক বুলি নাভাৱে। বুজিছনে নাই? মোলৈ চা। শিশুৰ পৰা বৃদ্ধলৈকে সকলোৱে চৰণযুগলক সযতনে ৰখাৰ বাবে মোক বিচাৰে।

ফনী ঃ তাতে কিনো হ'ল আকৌ? তই পিছে মোক বিচৰা সকলৰ লৈ এবাৰ চাচোন। তেওঁলোকে মোক পকেট, ভেনিটি বেগ আদিতো লৈ ফুৰে। এতিয়া ক'ত ৰাখিছে দেখিছনে? ড্ৰেচিং টেবুলত.....। কি জানানে? একমাত্ৰ মইহে তেওঁলোকৰ মুখৰ সৌন্দৰ্য বৃদ্ধি কৰাত সহায় কৰো। সকলোৱে এই সৌন্দৰ্য বিচাৰে। চুলিকোচাৰ পৰিপাটিয়ে এজন লোকক দেখনীয়াৰ কৰি তোলে বুলি তই নেজান নেকি? তই যে নিলাজৰ দৰে তপা বোলা চুলি নথকা লোকৰ কথা কৈছ, পিছে আঙুলিৰ মূৰত যে গণিব পাৰি তোৰ হিচাব আছেনে?

জোতা ঃ এস্ বৰ বৰ কথা কৈ নিজকে জহাই ফুৰাত বাহিৰে তোৰ অন্য কি আছে? চুলিকোচাৰ সৌন্দৰ্যকলৈয়ে তই ব্যস্ত থাক। অকৰ্মণ্য, এলাগী ক'ৰবাৰ। মোলৈ এবাৰ চা। মই পইতা, চেন্দেল, খৰম আদি বিভিন্ন ৰূপত সকলো লোকৰ পদযুগল নিৰাপদে ৰাখিব পাৰিছো। পিছে তোৰ কি আছে? চুলিকোচা পৰিপাতি কৰাই গৰ্ববোধ কৰ। চুলিৰ সৌন্দৰ্যই দেহৰ প্ৰকৃত শক্তি বৃদ্ধি কৰিব নোৱাৰে বুলি তই নেজাননে? ওপৰলৈ থু পেলালে নিজৰহে গাত পৰে। লোকৰ কৰ্তব্যক নিন্দা কৰিবলৈ বাদ দি গৰাকীৰ পকেটতে সোমাই থাকগৈ।

ফনী ঃ ঐ নিলাজী। তই মোক অকৰ্মণ্য বুলি কৈছ? মই এলাগী? হয়নে? সাতঘাটৰ পানী খাইতি, চুৰাপাত চেলেকী ফুৰোতেই তোৰ জীৱনটো কটালি। তথাপি তোৰ লাজ নাই। ওৰে দিনটো কঢ়িয়াই লৈ ফুৰাৰ পিছতো তোক নিৰ্দয়ভাৱে পেলাই থৈ দিয়ে, তই পাহৰি গলি নেকি? দলিয়াই, লথিয়াই যোৱাৰ দৰে ঘৰৰ বাৰান্দাত বা কোনো এচুকত পেলাই থৈ দিয়ে। তোৰ তলুৱা মণিটো চাবই নোৱাৰি। ধূলি-মাকতী, বোকা-গোবৰ, থু-খেকাৰকে আদি কৰি কত কি যে ময়লা লাগি ধৰে। কবলৈ ঘীণ লাগে। সেইবাবেহে তোৰ এনেকুৱা অৱস্থা। মোক কেনেকৈ ৰাখে দেখিছানে?

জোতা ঃ এস! বৰকৈ দম্ভ নামাৰিবিচোন। তই ভাব নেকি যে পকেট, ভেনিটি বেগ আদিত ৰাখে বাবে গৰাকীয়ে তোক বেছি মৰম কৰে? বেছি গুৰুত্ব দিয়ে? কেতিয়াও নাভাবিবি। আচল কথাটো পাহৰিলি নেকি? হয় নে নহয় ভালদৰে সুধি লবি। গৰাকীৰ মূৰৰ অস্তিত্ব মোৰ ওপৰত নিৰ্ভৰ কৰে। মই যতনাই ৰখা ভৰিদুখনৰ সহায়তহে তই অহঙ্কাৰ কৰা তোৰ কৰ্মস্থলী চুলিকোচাই গতি কৰিব পাৰে। ন'হলে তোৰ নিজৰ বুলি কি আছে।

ফনী ঃ ঐ, কি কলি? তই অস্তিত্বৰ কথা কৈছ? পিছে তোৰ নিজৰ কিবা অস্তিত্ব আছে বুলি ক'ব পাৰিবিনে? অস্তিত্ব অথবা মান সন্মান বুলি কিবা অকণো থকা হ'লে তোক এনেকৈ পেলাই থৈ দিয়েনে?

জোতা ঃ এইহে গম পালো, তই যে সঁচাকৈয়ে মূৰ্খ। তই জানিও নজনাৰ ভাও ধৰিলিনে? মোক য'তে পেলাই নথওক কিয়, মোৰ মান সন্মানৰ বিষয়ে সকলোৱে জানে। ঐ মূৰ্খ, উৎসৱ-পাৰ্বনে জ্যেষ্ঠজনক সেৱা জনাওতে মোকহে আগতে চুব লাগে, জাননে নাই? তাৰমানে বুজিলি নে? চৰণযুগল স্পৰ্শ কৰা মানে কি? ভালদৰে চিন্তা কৰ। মিছাকৈয়ে গপতে গঙাটোপ হৈ নাথকিবি। এই কথাটোও কেতিয়াবা উপলব্ধি কৰনে যে মোক সকলো সময়তে দৰকাৰ।

ফনী ঃ (ততাতৈয়াকৈ), ইস্ নিজকে বৰ দৰকাৰী বুলি ভাৱ। মোক জানোচা দৰকাৰ নহয়হে। এনেয়েহে পকেটত, বেগত লৈ ফুৰে।

জোতা ঃ পকেটত, বেগত সুমুৱাই ললেই তোক দৰকাৰ বুলি ভাবিলি নে? এবাৰ চুলিকোচা ঠিক কৰি দিয়াৰ পিছত তোৰ কিবা কাম আছে জানো? মোক চা। ৰাতিপুৱাৰে পৰা নিশা শোৱালৈকে, খেল-ধেমালিকে আদি কৰি সকলো ক্ষেত্ৰতে মোক লাগে। তই এবাৰ ভাবি চাইছনে? গৰাকীয়ে আনকি গা-ধুবলৈ যাওতেওঁ চেন্দেল নামৰ অন্য এক ৰূপত মোক লৈ যায়। অকল সেয়াই নহয় এই মুহূৰ্তত গৰাকীয়ে বাগিছাত কাম কৰিবলৈ যাওতেও মই সহায় কৰিব লাগে। হয়নে নহয়? বিষ নোহোৱা সাপৰ দৰে মিছাতে ফোচফোচাই থাক কেলেই? তোক দেখোন ইয়াতে এৰি গৈছে। ঐ দন্দুৰী, এইবোৰ অহঙ্কাৰ, ঠাট্টা-মস্কৰা ইয়াতে শেষ কৰি নিজৰ ফালে মন দি ভাল চিন্তা কৰ। পিছে তই যে অস্থায়ী, সেই কথাটোও ভালদৰে বুজি ল। মোক মেৰামতি কৰি হলেও ব্যৱহাৰ কৰিব পাৰে। তোক কিন্তু এৰাবৰহে। তোৰ দাঁতকেইটা ভাঙি গ'লে পেলাই দিয়ে, কোনো মূল্যয়ে নাথাকে। গৰাকীৰ মৰমক লৈ মিচাতে দম্ভ, অহঙ্কাৰ নকৰিবি। ভালদৰে মনত ৰাখ, নিজৰ কৰ্তব্যত নিজে সদায় শ্ৰেষ্ঠ। এইবিষয়ে ভৱিষ্যতে তই মোৰ লগত হাই-কাজিয়া নকৰিবি। মোৰ লগত সম্পৰ্কও নকৰিবি।

■ প্ৰবক্তা, ৰাজনীতি বিজ্ঞান বিভাগ





# মই ডেকা হৈ আছো

■ দুলাল হাজৰিকা

কেতিয়াবা মোৰ কি হয় জানো? বহুসময় আত্মমগ্ন হৈ মই নিজকে এজন বয়সীয়া মানুহ যেন বোধ কৰিবলৈ বাধ্য হৈ পৰো। নিজকে বৰ বুঢ়া বুঢ়া লাগে। কিন্তু কেতিয়াবা কি হয় জানা! হঠাৎ মোৰ নিজকে ডেকা যেন অনুভৱ হয়।

কথাখিনি কৈ থাকোতে দীঘল হোৱাৰ বাবে নতুবা একেখিনি কথাকে পুনৰ শুনি মালতীৰ মুখত বিৰক্তিৰ চিন ফুটি উঠিছিল।

ঃ তথাপিও আপুনি মানি ল'বই লাগিব যে আপুনি এতিয়া আৰু ডেকা হৈ থকা নাই। মানুহে আপেনাক বুঢ়া বুলিহে কব।

কথাখিনি কৈ মালতী বাহিৰলৈ ওলাই গৈছিল। মই বহু সময়ধৰি চকীখনত বহীয়েই আহিছো। ওপৰত তেতিয়া নিৰ্বিকাৰভাৱে ঘুৰি আছে বিজুলী পাংখা, সমুখৰ টেবুলত নিৰ্বিকাৰভাৱে চলি আছে দেওবৰীয়া টি,ভি, চিৰিয়েল আৰু হয়তো বাহিৰত অধিক নিৰ্বিকাৰ হৈ দুপৰীয়াতো গহীন হৈছে।

আৰু মই! ময়ো যেন নিৰ্বিকাৰ হৈ বহী আছো চকীখনত।

হয় নেকি? হ'বও পাৰে! এনে চিন্তা এটা আহি অধিৰ কৰি তুলিছে। এনেধৰণৰ চিন্তাই মানুহক বেছিকৈ পীড়া নিদিয়ে বুলি ইমানদিনে ভাবি আছিলো। হ'বও পাৰে এনে এটা ধাৰণা লৈ চিন্তাহীন হৈ থকা মানুহেই স্বাভাৱিক এইখন পৃথিৱীত। অথচ! অস্বাভাৱিকতাৰ শাৰীত মইতো ইমানদিনে নাছিলো।

মোক মানুহে বুঢ়া বুলিয়েই কব। শাৰীৰিক মানসিক দুয়োবিধৰ পৰাই মই বয়সীয়া হৈছো। আনকি মোৰ ছাঁটোও চোন বয়সীয়া। গতিকে মই কেনেকৈ বুঢ়া নহলো? কিন্তু মানুহে কোৱা শুনিছো যে জীৱনৰ শেষ পৰ্যায়টো এজন লোকে আত্মমগ্ন হৈ কটায়, অভিজ্ঞতাৰ কষতি শিলত ঘটনা আৰু ব্যক্তিক পৰীক্ষা কৰি চায়, অৰ্ন্তজগতৰ সংবেদনশীলতাৰে বহিৰ্জগত বিশ্লেষণ কৰি চোৱাৰ অফুৰন্ত হেঁপাহ জাগে। মই ভাবো শেষ পৰ্যায়ৰ এইবোৰ আচৰণৰ আন এটা নাম অন্তিম যাত্ৰাৰ নিৰ্মোহ প্ৰস্তুতি। কিন্তু???

মইতো মোৰ জীৱনৰ অন্তিম যাত্ৰাৰ প্ৰস্তুতি পৰ্বত খোজ দিব বিচৰা নাই। মোৰচোন জীৱনৰ অন্তিম পৰ্যায় এতিয়াও পৰাহিয়েই নাই। এনে কিছুমান চিন্তাৰ মাজতে হঠাৎ যেন শেন চৰাইৰ দৰে কিবা এটা আহি থপিয়াই লৈ যায় বৰ্তমান, মই যেন ওভতি যাও আগলৈ। আৰু ঠিক তেতিয়াই মই মোক সন্দেহ কৰিব ধৰো, নিজকে অইন এজন মানুহ যেন লাগে। দীঘল আয়নাখনত মই নিজকে চায় সন্তুষ্ট নহওঁ। মই হতাশ হৈ পৰো। এটা দুখবোধ যেন মোৰ হৃদয় সীপাই আহে, কুৰুকি কুৰুকি সোমাই ভিতৰখন খায় পেলায়।

ঃ মালতী পানী এগিলাচ আনচোন।

মালতীক চিঞৰিয়েই মাতিলো। টি,ভি, চিৰিয়েলত চকু দি দেখিলো, চুটি পোচাক পিন্ধি বগা জালি-কোমোৱাৰ দৰে স্তন, নাৰিকলৰ ভিতৰখিনিৰ দৰে উজ্বল গাল আৰু বগা সাগৰীয় মাছৰ কৰঙনৰ এজনী নায়িকা। নায়িকাৰ মুখলৈ চকু দি মই চক খায় উঠিলো।

এইজনী নায়িকা মনালিছা নহয়তো?

হয়নে? মোৰ মনালিছা?? তাইটো চুটি পোছাক নিপিন্ধে। কুৰি বছৰ আগতে শিৰত সেন্দুৰ দি নিজৰ অৰ্দ্ধাংগিনী কৰি অনা সেইজনী মনালিছা এইজনী হয়নে!!

মালতীৰ পৰা পানী গিলাছ লৈ মই কিন্তু পিয়াহ লাগি থকা মানুহৰ দৰে তৎক্ষণাত কোট কোটকৈ পিব নোৱাৰিলো। ব্যস্ত মানুহৰ দৰে মালতী কোঠাটোৰ পৰা ওলাই গৈছিল।

কিন্তু মই ওলাই আহিব নোৱাৰিলো সেইখন তুলাচনীৰ পৰা। পিছ মুহূৰ্তত মই ভাবি পালো যে এইজনী মনালিছা নহয়। কাৰণ আজিলৈকে মই মনালিছাৰ দেহৰ কোনো এটা অংশ স্পষ্টভাবে দেখা নাই! দেখা নাই!!

মই মোৰ পত্নীৰ বিষয়ে এনে এটা কথা ভাবিবলৈ আজি দুখ পোৱা নাই আৰু পোৱা নাই লাজ।

(দুই)

এদিন মই যে বিয়াৰ বয়স পাৰ কৰিব ওলাইছোঁ, এই কথাটো ডাঙৰ মামাৰ মুখেৰে মোক কোৱাইছিল। অৱশ্যে ময়ো বুজিছিলো যে প্ৰায় সকলো ফালৰ পৰাই মা দেউতাৰ আকাংক্ষাটো পূৰণ কৰিবৰ কাৰণে মই উপযুক্ত হৈছো। বয়সো প্ৰায় সীমা পাইছেগৈ। নহ'বই বা কিয়? হায়াৰ ছেকেণ্ডাৰী স্কুল এখনৰ বিষয় শিক্ষক হৈ থাকি কোনোমতে চাকৰি হৰৰ আজি দুবছৰ হ'লহি।

আৰু অৱশেষত জীৱনৰ বহু সংকল্প মিছাত পৰিণত হোৱাৰ দৰে মোৰ বিয়া নোহোৱাৰ সংকল্পটোও মিছাত পৰিণত হৈছিল। মই বিয়া নহও বুলি ভাবি থকা কথাটো অৱশ্যে মা দেউতাই জানিছিল। বিশেষকৈ সৰুৰে পৰাই মাক মই প্ৰায় প্ৰতিটো কথাই খোলা-খুলিকৈ কৈছিলো। পিছলৈ মই বহু পৰিবৰ্তন হৈ গৈছিলো। তথাপিও মই মাক কব পাৰ্হৰা নাছিলো যে মই জীৱনত বিয়া নোহোৱাৰ সংকল্প লৈছিলো। সেইদিনা কথাটো কণ্ঠতে মা চক্‌খাই উঠা যেন লাগিছিল। আচম্বিতে মা নিস্তেজ হৈ গৈছিল। কিছু সময় পিছত মাই কৈছিল।

ঃ মোৰ ল'ৰা ইমান সহজতে পৰাজিত হ'ব বুলি মই ভবা নাছিলো।

হঠাৎ যেন মই বহু ওখ পৰ্বত এখনৰ পৰা তললৈ খহি পৰিছিলো। এনে লাগিছিল যেন কোনোবাই মোক নিৰ্মম ভাৱে প্ৰহাৰ কৰিছে, মই শতৰী বিদীৰ্ন দেহেৰে উদাসভাৱে চাই আছো দূৰলৈ, মোৰ যে কিবা এটা হ'ব এই কথাটোৰ প্ৰতি নিজকে সম্পূৰ্ণ আঁতৰাই ৰাখি। কিছুসময় পিছত মই ভাবিছিলো যে মই ইমান সহজতে পৰাজিত হৈছো নে? কিহত মই পৰাজয় হলো? মাই কথাষাৰত কি ইংগিত মোলৈ মাৰি পঠিয়াইছিল সেই সময়ত মোৰ এম,এ পাছ মগজুয়ে ঢুকি পোৱা নাছিল। ইয়াৰ পিছত ঘৰখনলৈ এটা অশান্তি আহিছিল। মাৰ মনটোত মই বাৰিষাৰ আকাশৰ দৰে গোমা ভাব এটা সদায় দেখিছিলো। খুব সম্ভৱ দেউতাইও গম পাইছিলো, কিন্তু তেওঁ মোক একো কোৱা নাছিল সেই বিষয়ে। পুৱা শুই উঠাৰ পৰা ৰাতি ন-মান বজালৈ টিউচন, স্কুল আদিত ব্যস্ত থাকি ঘৰ পাওহি মানে দেউতা শুইছিলগৈ। ৰাতি বাৰ মান বজালৈ মই মোৰ কোঠাত পঢ়াশুনা লিখা-মেলাত ব্যস্ত থাকো বাবে ঘৰৰ কোনোৱে মোৰ লগত কথা পাতিবৰ সময় পোৱা নাছিল। তথাপিও অশান্তিয়ে ঘৰখনক বেয়াকৈ গ্ৰাস কৰিব ধৰিছিল। মই হেনো সন্যাসী হলোগৈ। দেউতাৰ মতে পঢ়া শুনাই লিখা-মেলাই হেনো মোৰ সকলো সময়। মই হেনো মা-দেউতাৰ খবৰ লবলৈও আহৰি নোপোৱা ব্যস্ত মানুহ হলোগৈ। সৰুৰে পৰাই মই নিজকে ব্যস্ত ৰাখিবলৈ যত্ন কৰিছিলো। কিন্তু মা-দেউতাৰ, ভাই হিতেশৰ খবৰ লবলৈ আহৰি নোপোৱা ধৰণৰ ব্যস্ত হোৱা নাছিলো। আচলতে এইটো মোৰ পলায়ন আছিল। মই পলাই ফুৰিছিলো।

পলাই ফুৰিছিলো সেইদিনাৰ পৰা যিদিনা মোৰ হৃদয় শুকান কৰি শব্দহীনভাৱে আঁতৰি গৈছিল ডেইজী, যিদিনা তাইৰ বিয়া গৈ গৈছিল, সেইদিনা এম,এ-ৰ দ্বিতীয় ছেমিষ্টাৰ চলি থকা বাবে একান্তমনে পঢ়িবলৈ যত্ন কৰা হোষ্টেলৰ সেই মুহূৰ্তটোৰ পৰাই।

অৱশ্যে তাই কোৱাৰ দৰে তাইৰ পৰা মই, মোৰ পৰা তাই কোনোদিনে আঁতৰি যাব নোৱাৰে। কিন্তু এই কথাটোৰে প্ৰতিটো সময়ত মই সন্তুষ্টি লভিব নোৱাৰা হলো।

অৱশেষত বহু টনা-আজোৰাৰ পিছত ডেইজীলৈ ফোন এটা কৰিবৰ সিদ্ধান্ত লৈছিলো। কিমান দিন আগতে তাইলৈ ফোন কৰিছিলো। হ'ব ছাগে এবছৰমান। তাই বিয়া হৈ যাবৰ প্ৰায় দুবছৰ হলহি। আচলতে তাই বিয়া হৈ যোৱাৰ পিছত মই তাইৰ লগত কোনো যোগাযোগ ৰাখিব বিচৰা নাছিলো। কিন্তু এদিন সাদিনত প্ৰকাশিত মোৰ গল্প এটাৰ ওপৰত ডেইজীৰ গিৰিয়েক ডাঃ অনিল চহৰীয়াই সেইখন কাকততে এটা প্ৰবন্ধ লিখিছিল। এইজন মানুহলৈ মই এটা ধন্যবাদসূচক ফোন কৰিবলৈ গৈ পোনপ্ৰথমবাৰৰ বাবে ডেইজীৰ সতে কথা পাতিছিলো। মনত পৰিছে ছিপাঝাৰ সাহিত্যসভাৰ এখন বিশেষ সাহিত্য সন্মিলনত তেখেতৰ লগত চিনাকী হওঁতে তেওঁ মোক ফোন নাম্বাৰটো দিছিল, যদিও তেখেতক মই আগতেই চিনি পাইছিলো। তাৰ পিছত মাজে মাজে মই তেওঁলৈ ফোন কৰো, এযাৰ-দুযাৰ কথা পাতো।

ডাঃ চহৰীয়াই ডেইজী আৰু মোৰ আগৰ সম্পৰ্কৰ কথা জানে নেকি? এই ভাবটো তেতিয়া মোৰ মনলৈ অহা নাছিল কিন্তু এতিয়া তাইলৈ ফোন কৰিম বুলি সিদ্ধান্ত লোৱাৰ পিছত সেইভাবটো যেন মোৰ লগ লাগিছেহি। ফোনৰ ৰিচিভাৰত মই সস্নেহেৰে কৈ উঠিছিলো—

ঃ এটা সংকল্পৰ বুকুত আন এটা সংকল্পই চোন গা কৰি উঠিছে। কিছুসময় নিৰৱে থাকি তাই উত্তৰ দিছিল।

ঃ মই ইয়াকে কামনা কৰিছিলো।

বিয়াৰ দিনা ডেইজী আৰু ডাঃ চহৰীয়াই আহি মোক দেখাও কৰিছিলহি। ডেইজীয়ে এখন পেইন্টিং উপহাৰ দিছিল। এজন ল'ৰাই এজনী ছোৱালীক বুকুৰ ওচৰলৈ টানি আনিছে, বেকগ্ৰাউণ্ডত ভূঁই মাটিত ৰ'দ পৰি হোৱা জিলিকনিৰ দৰে অস্পষ্ট এটা ৰঙৰ প্ৰলেপ।

সদ্যবিবাহিতা পত্নী মনালিছাৰ হাঁহিত পাগল হৈ যিদিনা মই অতীতৰ সকলো কথা, সংকল্পৰ সকলো স্ফুৰ্তি দলিয়াই পেলাব খুজিছিলো সেইদিন আচৰিতভাৱে মই স্তব্ধ হৈ গৈছিলো।

আৰু! তাৰ পিছদিনাৰ পৰাই মই ডেইজীয়ে দিয়া পেইন্টিংখন শোৱনী কোঠাত আঁৰি দিছিলোহি।

(তিনি)

হুৰমুৰকৈ এদিন ডেইজী মোৰ কমলৈ সোমাই আহিছিল। মই তেতিয়া কেইদিনমানৰ কাৰণে ঘৰলৈ আহিছিলো। মই হতবাক হৈ গৈছিলো যেতিয়া তাই কৰুণভাৱে কৈ উঠিছিল যে তাইৰ বিয়া ঠিক হৈছে।

কাৰ বিয়া?? কোনোবাই যেন এসোপা শিল দলিয়াইছে মোৰ মূৰলৈ। বিচনাত বহি তাই উচুপিব ধৰিছে। মই তাইৰ ওচৰ পোৱাৰ মুহূৰ্ততে তাই মোক সাৱটি ধৰিছিল, নিয়ন্ত্ৰণহীন হৈ আমি দুয়ো বিচনাত বাগৰি পৰিছিলো। ডেইজীক নিস্তেজ শেঁতা পৰা যেন দেখা হৈচিল, চকুৰ গুৰি ক'লা পৰি গৈছিল। তাই মোক হঠাৎ কৈছিল—

ঃ এবাৰলৈ হলেওঁ মই তোমাৰ লগত শাৰীৰিক সম্পৰ্ক কৰিব খোজো।

মই বোবা হৈ গৈছিলো। কি কয় এইজনীয়ে?

ঃ আৰু মই যদি নোখোজো.....

ঃ জোৰ কৰি হলেওঁ.....!

ঃ কাৰোবাৰ লগত জোৰ কৰি শাৰীৰিক সম্পৰ্ক কৰাটোক ধৰ্ষণ বোলে। এই শব্দটোক মই ঘিণ কৰো।

মই আচৰিত হৈছিলো যেতিয়া বিয়াৰ তিনিসপ্তাহ পিছতো মনালিছা মোৰ প্ৰতি অকনো দুৰ্বল নহ'ল। প্ৰথম কেইদিনত এটা জটিলতা থকা বুলি বিশ্বাস কৰিয়েই মই বিচলিত হোৱা নাছিলো। দিনত এজন সাধাৰণ বোৱাৰীৰ দৰে মনালিছাই ক্ৰটিহীনভাৱে কাম কৰি গৈছিল। কিন্তু শোৱাৰ পিছত একেখন বিছনাত আমি দুয়ো যেন বেলেগ বেলেগ হৈ গ'লো। মৰ্মান্তিক বেদনাৰে কোনোবা অক্ষম ব্যক্তিৰ দৰে দুডাল মৰা কাঠ হৈ আমি যেন পৰি ৰওঁ বিচনাৰ দুকাষত।

ঃ সমাজে হেজাৰ বাৰ কলেও মই তোমাৰ হ'ব নোৱাৰো।

ঃ তেনেহলে সমাজক সাক্ষী কৰি মোৰ লগত বিয়াত বহিছিলা কিয়?

ঃ তেতিয়া মোৰ অন্য উপায় নাছিল।

ঃ এই উত্তৰটোৱেই শেষ উত্তৰ নহয় মনা।

ঃ Please, মনা বুলি মোক নামাতিব।

ঃ কিয়? মোৰ পত্নী হিচাবে সেইখিনি অধিকাৰ মোৰ নাই জানো?

ঃ জোৰ কৰি অধিকাৰ সাব্যস্ত কৰিব নোৱাৰি।

ঃ আৰু যদি মই জোৰ কৰো??? — তীক্ষ্ণভাৱে মই কৈ উঠিছিলো।

ঃ হয়তো মই ঘিন কৰিব লগা হ'ব পাৰে। — শান্তভাৱে তাই কোৱা কথাখিনিত মই চক খাই উঠিছিলো। ঠিক এনে এষাৰ বাক্য মই কাৰোবাৰ আগত কৈছিলো!

কাৰ আগত? কাৰ আগত???

এদিন বৈবাহিক জীৱনৰ গোপনীয় অশান্তি মা-দেউতাইঁতে নাজানক বুলি ভাবিয়েই মই মনালিছাক লৈ সৰু চহৰখনলৈ উঠি আহিলো। স্কুল দূৰ হয় বাবে এখন চেকেণ্ডহেন ভেছ্‌পা ললো, মনালিছাক সহায় কৰিবৰ বাবে এজন সৰু ল'ৰাও ৰাখিলো। আৰু এনেকৈ দিন-মাহ-বছৰ সৰকি গ'ল ক্ৰমশঃ বৰ্তমানৰ পৰা। স্বতন্ত্ৰভাৱে এহাল বিবাহিত স্বামী-স্ত্ৰী সুখী হ'ব পাৰে নে নোৱাৰে মই নাজানো। কিন্তু মই এদিন শোৱাপটীত তইক সস্নেহেৰে কৈ উঠিছিলো।

ঃ আমাৰ দুয়োৰে জীৱনটো সুখী কৰিবৰ বাবে এটা

সন্তানৰ প্ৰয়োজন আমাৰ নাই জানো?

ঃ এতিয়া আমি অসুখী হৈ আছো জানো?

ঃ অসুখী যদি নহয়েই তেনেহলে আমি অসুখী মানুহৰ দৰে পৃথক হৈ আছো কিয়? আমি ইজনে সিজনক ভাল পাব নোৱাৰো কিয়?

কিছু উষ্মাৰে মই তাইলৈ প্ৰত্যাহ্বানটো দলিয়াই দিছিলো। বহু সময় ধৰি মনালিছা মনে মনে আছিল। লাহেকৈ মই তাইৰ হাতখন মুঠি মাৰি ধৰিছিলো। তাই সাৰে আছিল।

মই পৰাজিত হৈছিলো নেকি? হওঁক! পৰাজয়টো চোন তৃপ্তি আছে।

ঃ শাৰীৰিক সম্পৰ্ক কৰিব পৰা মানুহ মোৰ জীৱনত এজনেই আছিল।

ঃ আছিল মানে?

ঃ তেওঁ গাড়ী দুৰ্ঘটনাত ঢুকাইছে আজি পাঁচ বছৰ আগতে।

ঃ কি?

মুখৰ পৰা ওলোৱা শব্দটোৰে কিমান জোৰ প্ৰকাশ কৰিছিল মোৰ ভাবিবলৈ সময় নাছিল। হাতৰ কিলাকুটিৰে বিছনাত ভেজা দি তাইৰ মুখলৈ চাওঁতে দেখিছিলো তাইৰ দুগালত চকুলোৰ ভিৰ।

ঃ ক্ষমা কৰিব আপুনি মোক? সেইটো মোৰ সংকল্প আছিল।

সংকল্প? সংকল্প???

এদিন কিবা এটা কথাত লাগি মনালিছাই চাকৰ ল'ৰাজনক পাওনা পইচাখিনি দি পঠাই দিলে। মই স্কুলৰ পৰা আহি দেখো তাই কলৰ পাৰত বাচন ধুই আছে। 'মনা' বুলি মাতিব খুজিও মই ৰৈ গ'লো। মোৰ হাতত আছিল এইখন চহৰৰে জাতীয় বিদ্যালয়খনৰ অধ্যক্ষই তাইলৈ দিয়া চিঠিখন।

মনালিছা জাতীয় বিদ্যালয়ৰ শিক্ষয়িত্ৰী হৈছিল। মই ঘৰত কাম কৰিবলৈ নতুন এজনী ছোৱালী আনিলো নাম মালতী।

ক্ৰমশঃ দিন যোৱাৰ লগে লগে মই উদাসীন হ'ব ধৰিলো। আনকি হিতেশৰ বিয়াতো মই উৎফুল্লতাৰে একো কৰিব নোৱাৰিলো। কিবা এটা যেন গভীৰতম চিন্তাৰ পাক-ঘূৰণিয়ে মোক বেঢ়ি ধৰিলে। লাহে লাহে যেন এটা বয়সীয়াল অভিমান মোৰ মনত জাগি উঠিল। মই নিজেই যেন আবিস্কাৰ কৰিলো মই বুঢ়া হ'ব ধৰিলো। মাজে মাজে মোৰ ডেকা হ'বলৈ যোৱা মনটো শুকাই-খীনাই মৰা যেন হ'লগৈ। অ'ত ত'ত লিখা-মেলা কৰাকে ধৰি সমস্ত যোগাযোগ বিচ্ছিন্ন কৰি মই অকলশৰীয়া হ'ব ধৰিলো।

বয়স বঢ়াৰ লগে লগে মনালিছা কিন্তু কিছু সপ্ৰতিভ হৈ আহিছে। মনাৰ জটিলতা বোৰো যেন এতবপ এতবপকৈ খহাই পেলাইছে। কেতিয়াবা মই তাই বহু সময় চাই ৰওঁ। বাথৰুমত গা-ধুই থাকিলে হঠাৎ মোৰ মন যায় যে কিবা প্ৰকাৰে তাইৰ উদং দেহটো চাব পৰা হ'লে!

ছিঃ! পিছমুহূৰ্ততে মই নিজকে ধিক্কাৰ দিওঁ। কিন্তু তথাপিও মাজৰাতি আমি দুয়ো দুয়োৰে হাতখন মুঠি মাৰি ধৰাৰ বাহিৰে আন একো দিশে আগুৱাব পৰা নাছিলোঁ।

লাহে লাহে ময়ো ভাবিছিলো মোৰ সংকল্পটো সংকল্প হৈয়েইচোন ৰ'লগৈ।

টি,ভি-টো অফ্ কৰি বাৰাণ্ডাৰ চকীখনত অলসভাৱে বহি পৰিলো। আজি দেওবাৰ হোৱা স্বত্বেও মনালিছা স্কুললৈ গৈছে। কিবা হেনো মিটিং। মালতী সম্ভৱ পাকঘৰৰ কাম সামৰি বিছনাত বাগৰ দিছেগৈ। বাটলৈ চাওতে দেখা পালো মনালিছা স্কুলৰ পৰা আহিছে। ৰ'দত তাইৰ মুখ ঘৰ্মাক্ত আৰু ক'লা হৈছে। আহিয়েই তাই মোৰ ওচৰৰ আনখন চকীত বহি পৰিল।

ঃ আমাৰ স্কুলৰ ছোৱালী এজনীৰ দেউতাকজন আজি ঢুকাল।

কথাটোত বিশেষ মই গুৰুত্ব নিদিলো।

ঃ ছোৱালীজনী আজি অকলশৰীয়া হ'ল। বৰ বেয়া লাগিছে, তাই মোক বিৰাট ভাল পাইছিল।

মই মনে মনে ৰলো।

ঃ হেৰি শুনিছেনে! শান্তভাৱে তাই কলে।

ঃ ছোৱালীজনীক আশ্ৰয় দিওতা এতিয়া কোনো নাই। কিন্তু মই ভাবিছো— আমি দেখোন আছো।


হঠাৎ মই জাঁপ মাৰি উঠিলো।

ঃ উহ! বৰ পিয়াহ লাগিছে। মালতী ক'ত গ'ল?

ঃ ৰ'বা ময়েই আনি দিও।

ঘপহকৈ মই পাকঘৰলৈ লৰ মাৰিলো লৰ মৰা ধৰণটোত মই ফুটাই তুলিবৰ পাৰ্যমানে চেষ্টা কৰিলো যে মই বুঢ়া হোৱা নাই, মই এতিয়াও ডেকা হৈয়েই আছো।

■ স্নাতক তৃতীয় বৰ্ষ



# মৰমৰ ককাইটি

■ লেলিমা বেগম

*এদিন সন্ধিয়া ককায়টিয়ে গা বেয়া লগা বুলি কৈছিল। মই ডাক্তৰৰ ওচৰলৈ যাব ওলাইছিলো, কিন্তু ডাক্তৰৰ ওচৰত যোৱাৰ আগতেই ককাইদেউ চোতালত ঢলি পৰিছিল। বৌৱে যোৰকৈ কান্দি দিছিল। মই ওচৰ পোৱাৰ আগতেই ককাইটি আমাৰ মাজৰ পৰা গুচি গৈছিল।*

মেজিষ্ট্ৰেট আভিজিত বৰুৱাৰ গাড়ীখন লাহে লাহে আগবাঢ়িছে গাঁৱৰ পৰা চহৰ অভিমুখে। মনৰ পৰ্দাত ভাহি উঠিছে দুটা ল'ৰা-ছোৱালী আৰু এজনী অসহায় বিধবা তিৰোতাৰ ছবি। গাড়ীখনৰ পিছফালে ল'ৰা-ছোৱালি দুটাই ধূলিৰ ওপৰত কিবা-কিবি আঁকি দিছে।

এতিয়া ব্যস্ত চহৰখনৰ ব্যস্ততা কিছু কমি আহিছে। দোকানবোৰ বন্ধ কৰি দোকানীবোৰ ঘৰমুৱা হৈছে। মাথো ষ্ট্ৰিট লাইটবোৰ অলসভাৱে জ্বলি আছে। মেজিষ্ট্ৰেট কলনিত এই ঘৰটোত এতিয়া প্ৰায় নিস্তব্ধতাই বিৰাজ কৰিছে। অভিজিত বৰুৱাই মেজিষ্ট্ৰেট কলনিৰ ঘৰটোত বহি কিবা ভাবি আছে। এই মেজিষ্ট্ৰেট কলনিৰ প্ৰত্যোকটো ঘৰতেই

একো একোজন ডাঙৰ মানুহ থাকে, যিয়ে মানুহৰ বিবাদবোৰৰ বিচাৰ কৰে, কিন্তু ইয়াত এনেকুৱা এজন মানুহ আছেনে (?) যাৰ হয়তো এটা দুখেৰে ভৰা করুণ অতীত আছে। অভিজিত বৰুৱাই কেতিয়াবা এটি ডাঙৰ অভাব অনুভৱ কৰে। তথাপিও কেতিয়াও তেওঁ এটা অতীতৰ কথা ঘৈনিয়েকক কোৱা নাই।

তুমিনো ইমানপৰে অকলশৰে বাহিৰত বহি কি ভাবি আছা?

বৰুৱাই ঘৈনিয়েক নমিতাৰ মাততহে বাস্তৱলৈ ঘূৰি আহিল আৰু বৰ অসহায়ভাৱে কলে— নাই নাই, বিশেষ একো ভবা নাই। কথা এটাহে চিন্তা কৰিছো। কাইলৈ কেছবোৰৰ তাৰিখ দি দিম, মনতো ভাল লগা নাই। বুজিছা, মানুহৰ বিবাদবোৰ কহত বাঢ়ি গৈছে। প্ৰেম-ভালপোৱা, দয়া-মমতা এইবোৰ মানুহৰ মাজৰ পৰা আতৰি গৈছে। কথাখিনিৰে তেওঁ আবেগটো ধৰি ৰখাৰ চেষ্টা কৰিছিল। ঘৈনিয়েকে আৰু বুজিবলৈ বাকী নাথাকিল যে, মানুহজন গাঁৱৰ পৰা ঘূৰি আহিলেই এনেকুৱা ভাবুক হৈ পৰে।

অ' পাহৰিছিলোৱেই, তুমি যে কৈছিলা এটা কাহিনীৰ কথা। পাহৰি গ'লা নেকি? ঘৈনীয়েকে বৰুৱাৰ কাষৰ চকীখনত বহি ব্যস্তভাৱে কৈ উঠিল। মেজিষ্ট্ৰেট বৰুৱাৰ আৰু বুজিবলৈ বাকী নাথাকিল। যিদৰে যৌৱনৰ প্ৰেমৰ গোপনীয়তা এদিন ভাগি যায়, ঠিক তেনেকৈয়ে অতীত জীৱনৰ গোপনীয়তাও এদিন ভাগি যায়। শীতৰ ঠাণ্ডা বতাহজাকে পৰিবেশতো আৰু অলপ শীতল কৰি তুলিছিল। কিছুসময় মৌন হৈ ঘৈনীয়েকৰ মুখলৈ চাই থাকি এটা সময়ত কব নোৱাৰাকৈ মেজিষ্ট্ৰেট বৰুৱাই আৰম্ভ কৰিছিল।

এজন খাটি খোৱা মানুহ। ছোৱালি পাঁচোটি। আজীৱন শ্ৰম কৰি মানুহজন চিকিৎসাৰ অভাৱত ঢুকাই থাকিল। মানুহজনীও সহিব নোৱাৰা যাতনা লৈ ব্লাড চুগাৰত চিকিৎসাৰ অভাৱত মৰিল। ডাঙৰ ল'ৰাটোৱে বহুত কষ্ট কৰি ভনীয়েক তিনিজনীক বিয়া দিলে। আধি-হাজিৰা কৰি সেইজন ককায়েকে ভায়েককো পঢ়ুৱালে। নিজৰ সুখ সুবিধাৰ কথা কিন্তু নাভাবিলে।" কথাখিনি কৈ বৰুৱা বৰ দুৰ্বল হৈ পৰিল। বৰুৱাৰ চকুৰ গুৰিত জমা হোৱা পানীখিনি লাইটৰ পোহৰত চিক্‌মিকাই উঠিছিল। তেওঁ বৰ অসহায় ভাৱে কৈ গৈছিল।

দিনবোৰ এনেকৈয়ে পাৰ হৈছিল। গাঁৱৰ মানুহবোৰে যোৰ কৰাত ককায়েকে এদিন বিয়া কৰালে। ইতিমধ্যে ভায়েকে বি.এ. পাছ কৰিলে। দুৰদৰ্শী ককায়েকে ভায়েকক ইউনিভাৰচিটিত আইন বিভাগত নামভৰ্তি কৰাই দিছিল। ককায়েকে কিমান কষ্ট কৰি ভায়েকক পঢ়ুৱালে। সৰু ভায়েকৰ কাৰণে নিজৰ জীৱনটো উচৰ্গা কৰিলে।— নমিতাৰ ভাষাবোৰ হেৰাই গৈছিল।

এদিন ল' পাছ কৰি ওকালটি আৰম্ভ কৰিলো, কিমানযে আনন্দ পাইছিল সেইদিনা ককাইটি আৰু বৌৱে। নমিতা, এতিয়া বহু ৰাতি হ'ল ব'লা ভিতৰলৈ যাও। এটা হুমুনিয়াহ কাঢ়ি বৰুৱাই কথাখিনি কলে। কিন্তু নমিতা বৰ ব্যগ্ৰ হৈ পৰিছিল। কাহানীও দুখ নোপোৱা ধনী ঘৰৰ জীয়ৰী নমিতাৰ বুকুত আজি শোকে খুন্দা মাৰি ধৰিছে।

এদিন সন্ধিয়া ককায়টিয়ে গা বেয়া লগা বুলি কৈছিল। মই ডাক্তৰৰ ওচৰলৈ যাব ওলাইছিলো, কিন্তু ডাক্তৰৰ ওচৰত যোৱাৰ আগতেই ককাইদেউ চোতালত ঢলি পৰিছিল। বৌৱে যোৰকৈ কান্দি দিছিল। মই ওচৰ পোৱাৰ আগতেই ককাইটি আমাৰ মাজৰ পৰা গুচি গৈছিল। মই ককাইটিৰ ল'ৰা-ছোৱালী দুটিক বুকুৰ মাজত সোমোৱাই লৈছিলো। কিমানযে আশা আছিল ককাইটিৰ, মোক লৈ। মই মেজিষ্ট্ৰেট হোৱা খবৰটো নোপোৱাকৈয়ে তেওঁ গুছি গ'ল। মেজিষ্ট্ৰেট বৰুৱাই উচুপিছিল। মৃদু ক্ৰন্দনৰ শব্দই ৰাতিৰ নিৰ্জনতাক আৰু গভীৰ কৰিছিল।

আজি আমাৰ বিয়াৰ এবছৰ পিছতো তোমাক মোৰ জীৱনৰ এই সত্য ঘটনাটো কোৱা নাছিলো। কি কাৰণত মই প্ৰতিমাহে মোৰ ঘৰখনলৈ যাও সেয়টো হৈয়তো তোমাৰ বাবে সন্দেহৰ বিষয়! যিজনী বৌৱে নিজৰ হাতৰ কাণৰ সকলো বন্ধকত দি মোক মানুহ কৰিছিল, সেইজনী বিধবা বৌ আৰু ল'ৰা-ছোৱালী দুটিক মই কেনেকৈ পাহৰি যাওঁ কোৱাছোন? বৰুৱাই অসহায়ভাৱে ঘৈনীয়েকলৈ চাইছিল।

ঘৈনীয়েক নমিতাই থোকাথোকি মাতেৰে মাথো নিজক কোৱাদি কৈছিল— জীয়াই ৰাখিম ককাইটিৰ ত্যাগ-কষ্ট স্বীকাৰ কৰি মানৱতাৰে গঢ়া সেইখন ঘৰ।

ৰাতি তেতিয়া বহু হৈছিল। গছৰ পাতৰ নিয়ৰবোৰ সৰাৰ সময়।....

■ স্নাতক প্ৰথম বাৰ্ষিক



# টোপনি

■ ভনিতা দেৱী

........ আজিও সেই একেই অৱস্থা। গতানুগতিক। টোপনি অহা নাই। বহু সময়ধৰি বিছনাত উচপিচাই থাকিল মিঃ ৰঞ্জিত বৰবৰুৱা। সেই গভীৰ নিশা তেওঁৰ সুকোমল লেপখন লাহেকৈ গাৰ পৰা গুচাই বিচনাৰ পৰা হাতত সাৰে ভৰিত সাৰে উঠি আহিল। সেই পুহ মহীয়া জাৰতো তেওঁৰ মুখমণ্ডলত ক্লান্তিৰ চিন।

লেপখন তেওঁ কেইদিনমান আগতে চিমলাৰ পৰা আনিছিল। দাম লৈছিল ৭৫০০ টকা। বৰ হেঁপাহেৰে তেওঁ এই লেপখন কিনি আনিছিল। আৰু তুলিখন? তুলিখনো তেওঁ সেই একে হেঁপাহেৰে লুধিয়ানাৰ পৰা আনিছিল। দামো লৈছিল পুৰাপুৰি ৫৪০০ টকা। এনেদৰে তেওঁ কিমান যে লেপ, তুলি আৰু বিচনা সলাইছে তাৰ হিচাপ নাই।

বিচনাৰ পৰা উঠি তেওঁ এক গভীৰ হুমুনিয়াহ কাঢ়িলে। খিড়িকি এখন খুলি তেওঁ বাহিৰলৈ চাই পঠিয়ালে। ঘন কুঁৱলীৰ বাবে বাহিৰৰ সকলো বস্তুৱেই এক হৈ পৰিছে। সকলো এন্ধাৰ। এন্ধাৰ কেৱল এন্ধাৰ। গেট ৰখীয়াজনকো ছায়ামায়াকৈহে দেখা গৈছে।

"ৰখীয়াজন টোপনি গৈছে নেকি? নহলে সি অলপো লৰচৰ কৰা নাই কিয়?" তেওঁৰ ৰখীয়াজনৰ ওপৰত খং উঠিল। "গৈ ধমক এটা দিও নেকি?" বৰবৰুৱাই এটা দীঘল হুমুনিয়াহ কাঢ়িলে। যিটো বস্তু মই ইমান চেষ্টা কৰিও পোৱা নাই সেই বস্তুটো সি পাইছে। সিতো আৰু চিমলা বা লুধিয়ানাৰ পৰা টোপনিটো কিনি অনা নাই।

চাদৰ ওপৰটো নিশ্চয় খুউব ঠাণ্ডা হব। তাতে আকৌ এজমেটিক ট্ৰাবলটোও দিনে দিনে বেছি হৈ গৈ আছে। ডাক্তৰে বেছি ঠাণ্ডা লগাব মানা কৰিছে। তেওঁ চাদৰ ওপৰলৈ যোৱাটোও বাদ দিলে। এড়িয়া চাদৰখন গাত মেৰিয়াই লৈ তেওঁ সমুখৰ কোঠালিটোলৈ নামি গ'ল। কোঠালিটোৰ আটাইতকৈ দামী চোফাখন অলপ আগুৱাই লৈ তেওঁ চোফাখনত বহিল। তেওঁৰ বয়স আৰু পৰিশ্ৰমৰ আটোৰ পৰা চিন্তাক্লিষ্ট চকুযোৰেৰে বাহিৰৰ প্ৰাকৃতিক জগতখনলৈ চাই পঠিয়ালে। চাৰিওফালে নিশাৰ নিৰ্জনতা। কুঁৱলি আৰু নিয়ৰৰ টোপাটোপ শব্দ আৰু মাজে মাজে নিশাচৰ চৰাইৰ কাতৰ আৰ্তনাদ। "নাই...... সকলো নিস্তব্ধ। সকলোবোৰ গভীৰ টোপনিত লালকাল। কেৱল মইহে সাৰে আছো। ক'ত গ'ল মোৰ সেই টোপনি।" তেওঁৰ মনটোৱে অতীতৰ সেই সোণালী দিনবোৰলৈ উৰা মাৰিলে।

৫/৬ বছৰ বয়সতটো মই দেউতাৰ কোলাত ভালদৰে টোপনি মাৰিছিলোঁ। মাৰ কোলাত টোপনি মাৰিলে মই অটল গৰ্ভত সোমাই পৰিছিলোঁ। এয়া মায়ে কোৱা কথা। আঠ বছৰ বয়সত দেউতা আমাৰ মাজৰ পৰা চিৰদিনৰ বাবে গুছি যোৱাৰ দিনাখন মই যেতিয়া কান্দি কান্দি ভাগৰি পৰিছিলোঁ আৰু গভীৰভাৱে টোপনি মাৰিছিলোঁ।

দেউতা ঢুকুৱাৰ পাছত আমাৰ সংসাৰলৈ ঘোৰ দৰিদ্ৰতা নামি আহিছিল। দেউতাৰ কেন্সাৰ বেমাৰৰ চিকিৎসা কৰাওঁতে আমাৰ সকলো সম্পত্তিয়েই শেষ হৈ গৈছিল। ক্ৰমে ক্ৰমে দিন বেয়াৰ ফালে ঢাল খাইছিল। কোনো কোনো দিনত কেৱল পানী খাইয়ে আমি দিন নিয়াইছিলোঁ। কিন্তু টোপনি! টোপনিটো তেতিয়াও আহিছিল। .. ক'ত গ'ল মোৰ সেই গভীৰ টোপনি?

আইয়ে এক কেৰাহী পানীত এপোৱা চাউল সিজাই আমাক দৈৰ ঘোলৰ দৰে খাবলৈ দিয়া মোৰ এতিয়াও মনত আছে।.... কিয়....! সেই খাদাবোৰ খাইও কটাকানিৰ কেঠাৰ তলত ভালদৰেই টোপনি মাৰিছিলোঁ। বিচনাত বাগৰ দিয়াৰ লগে লগেই টোপনিওটো আহিছিল। এতিয়া কিয় নাহে? মূৰটো খুলি চাম নেকি? হাতুৰি এটাৰে মূৰটোত মাৰি দিম নেকি? বৰবৰুৱাই দুয়োখন হাতেৰে চুলিবোৰ আজুৰি ছিঙিবলৈ ধৰিলে। সেই পুহমহীয়া ঠাণ্ডাতো তেওঁৰ গোটেই গাটোৱে ঘাম বৈ আহিল। তেওঁ উৰি থকা এড়িয়া চাদৰখন গাৰ পৰা দলিয়াই দিলে। আত্মহত্যা কৰিম নেকি? নাই ...... আত্মহত্যা কাপুৰুষৰহে কাম। সেইটো ৰঞ্জিত বৰবৰুৱাৰ দ্বাৰা কেতিয়াও হব নোৱাৰে।......তেওঁ মুখেৰে ভোৰভোৰালে।

"জীৱন সংগ্ৰাম" শব্দটি বুজিপোৱা হওঁতেৰোটো, মই ঠিকেই টোপনি মাৰিছিলোঁ......। দেখিলেকে টোপনি মাৰিয়েইটো প্ৰৱেশিকা পৰীক্ষাত প্ৰথম দিনা কিছুসময় পলমকৈ পৰীক্ষা হল সোমাইছিলোঁ। আয়ে গালি পাৰিছিল- শুই থকা অৱস্থাত গাৰ ওপৰেৰে হাতী পাৰ হৈ গলেও

বোলে মই গমেই নাপাওঁ। টোপনি ক্ষতি নোহোৱাকৈয়ে প্ৰৱেশিকা পৰীক্ষা ভালদৰেই পাছ কৰিছিলোঁ। প্ৰৱেশিকাৰ পাছত উচ্চতৰ মাধ্যমিক আৰু তাৰ পিছত এম.বি.এ. কৰিবলৈ বিলাত। সুখ্যাতিৰে বিলাতৰ পৰা এম.বি.এ. কৰি আহিছিলোঁ। টোপনিৰ বাবে বৰ বিশেষ চিন্তা কৰিবলগীয়া হোৱা নাছিল। অৱশ্যে এটা কথা অনুভৱ কৰিছিলো মোৰ টোপনি কমি আহিব ধৰিছে।"

"এতিয়া মোৰ কি নাই? চাইকেল ফেক্টৰি, ফাইভ ষ্টাৰ হোটেল; আৰু যে কত কি......। মোৰ কি নাই? মাটি-বাৰী, ধন-সম্পত্তি, মান-সন্মান.... মোৰটো সকলোবোৰেই আছে। অ' মোৰ এটা বস্তুৱে নাই; যিটো সৌ দুহাজাৰ টকা বেতন পোৱা নৈশ চকীদাৰ জনৰ আছে। সেইটো আন একো নহয়.... মই যান্ত্ৰিকতাৰে কিনিব নোৱাৰা- টোপনি।

"কি হৈছে মোৰ....? যিমানেই ফেক্টৰি পাতিছো। সিমানেই টোপনিৰ কবৰ খান্দিছোঁ.....! ..... মোৰ এই দুমহলীয়া অট্টালিকাটো ভাঙি; ইয়াত মোৰ পুৰণি জুপুৰীটো পুনৰ সাজিম নেকি? সৌ ফেক্টৰীবোৰ ভাঙি; তাত আকৌ হাবি-বননিবোৰ হবলৈ দিম নেকি! মই উপভোগ কৰা সিদিনাৰ গভীৰ টোপনি আৰু আজিৰ এই নিদ্ৰাহীনতা.......। ছিঃ কি বিৰক্তিকৰ তুলনা.....! ...... কি কদৰ্য.....!

কথাবোৰ ভাবি থাকোতেই মৰমৰ ৰাহুলৰ পিছফালৰ পৰা মিঃ বৰবৰুৱাৰ মূৰত হাত ফুৰালে। মিঃ বৰবৰুৱাই ঘূৰি চাই দেখিলে নিঠৰ আৰু নিস্তব্ধ ৰাহুলৰ দুগালে দুধাৰি চকুলো বৈ আহিছে। বৰবৰুৱা চোফাখনৰ পৰা লাহে লাহে উঠিল। তেওঁৰ শৰীৰটো যেন গধুৰ হৈ আহিছিল। তেওঁ ৰাহুলৰ চকুযুৰি আলফুলকৈ মচি দিলে। ৰাহুলে ক'লে- "ভিতৰলৈ বলক। ৰাতি পুৱাবৰ হ'ল। অলপ আগতে আমেৰিকাৰ পৰা ৰাহুলে আপোনাৰ খবৰ সুধি ফোন কৰিছিল।" ৰাহুলৰ দেহত ভৰ দি তেওঁ ভিতৰলৈ এখোজ-দুখোজকৈ আগবাঢ়িল। তেওঁ ৰাহুলক বাৰে বাৰে একেটাই মাথোন প্ৰশ্ন সুধি গ'ল- "ৰাহুলৰ ভাল টোপনি হয়নে? ৰাহুলৰ গভীৰ টোপনি আহেনে......?"

■ উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ

# ধপাত সেৱন কৰক!

■ দিপাঙ্কৰ চহৰীয়া

আহক, আহক, আহক! চোবায়ে খাওঁক বা চুহিয়ে খাওঁক নাইবা হুপিয়ে খাওঁক- সেৱন বিধি যিয়ে নহওঁক লাগিলে, মাত্ৰ খাওঁক আৰু বিশেষ বিশেষ আকৰ্ষণীয় পুৰস্কাৰ লাভ কৰক।

প্ৰথম পুৰস্কাৰ - মৃত্যু
দ্বিতীয় পুৰস্কাৰ - কেন্সাৰ
তৃতীয় পুৰস্কাৰ - আলচাৰ
চতুৰ্থ পুৰস্কাৰ - গেষ্টিক
পঞ্চম পুৰস্কাৰ - হাপানী
ষষ্ঠ পুৰস্কাৰ - লেংকাহ
নিচুকণী বঁটা - নিজৰ পৰিয়াল, আত্মীয় স্বজনৰ চকুলো।
মুঠ পুৰস্কাৰৰ মূল্য - এশ দহ কোটি ভাৰতীয় জনসাধাৰণ

টিকটৰ মূল্য - ধপাতৰে তৈয়াৰী যি কোনো দ্ৰব্যৰ সৈতে গ্ৰাহকলৈ এটি টিকট বিনামূল্যে।
প্ৰাপ্তি স্থান - যমৰ দুৱাৰ মুখ বা যমৰ এজেন্টসকলৰ লগত।
খেলাৰ স্থান - শ্মশান শালি।
যোগাযোগ কেন্দ্ৰ - ওচৰৰ চিকিৎসালয় (চৰকাৰী বা বেচৰকাৰী)
কাৰ্যালয়ৰ ঠিকনা - যমৰ দালাল সংস্থা (স্বীকৃতিপ্ৰাপ্ত) পৰলোক ভৱন (টপ্ ফ্লোৰ) চিত্ৰগুপ্ত মাৰ্গ (যমৰ নগৰ)

*বিঃ দ্ৰঃ - টিকট কিনিলেই পুৰস্কাৰ অনিবাৰ্য। বিবেচনা আপোনাৰ। আপোনাৰ সিদ্ধান্তই চূড়ান্ত সিদ্ধান্ত।*

(জনস্বাস্থ্য সচেতনতাৰ অৰ্থে)

■ স্নাতক তৃতীয় বৰ্ষ

# সম্পাদনা সমিতি
# 'আলোচনী'
# ২০০৫-০৬



কনক চন্দ্ৰ ডেকা
সভাপতি



মহেন্দ্ৰ কটকী
তত্বাৱধায়ক



প্ৰসন্ন কুমাৰ নাথ
শিক্ষক সদস্য



মন্টু হাজৰিকা
শিক্ষক সদস্য



হিমাংশু গৌতম
সম্পাদক



প্ৰাঞ্জল বৰুৱা
সদস্য



বিপুল কুমাৰ শৰ্মা
সদস্য

# আমাৰ গৌৰৱ



ভূপেন ডেকা
বুৰঞ্জী বিভাগত প্ৰথম
শ্ৰেণীৰ প্ৰথম স্থানপ্ৰাপ্ত




হিমাংশু হাজৰিকা
ভূগোল বিভাগত প্ৰথম শ্ৰেণী



ৰেখাৰাণী ৰাজবংশী
ভূগোল বিভাগত প্ৰথম শ্ৰেণী



ৰিপুঞ্জয় শইকীয়া



দিব্যজ্যোতি শৰ্মা

২৫ আগষ্ট, ২০০৫ তাৰিখে খাৰুপেটীয়া মহাবিদ্যালয় আৰু ২২ নৱেম্বৰ, ২০০৫ তাৰিখে ছিপাঝাৰ মহাবিদ্যালয়ত অনুষ্ঠিত তৰ্ক প্ৰতিযোগিতাত দুয়োজনে শ্ৰেষ্ঠ তাৰ্কিকৰ দল হোৱাৰ উপৰিও দিব্যজ্যোতি শৰ্মাই ক্ৰমে শ্ৰেষ্ঠ আৰু তৃতীয় তাৰ্কিকৰ পুৰস্কাৰ লাভ কৰি মহাবিদ্যালয়ৰ গৌৰৱ কঢ়িয়াই আনে।



প্ৰিয়ংকা চহৰীয়া
মহাবিদ্যালয় সপ্তাহৰ শ্ৰেষ্ঠা গায়িকা



মোজামিল হক
মহাবিদ্যালয় সপ্তাহৰ শ্ৰেষ্ঠ খেলুৱৈ



ফুলন দেৱী
মহাবিদ্যালয় সপ্তাহৰ শ্ৰেষ্ঠা অভিনে

# ছাত্ৰ একতা সভা ২০০৫-০৬




হিমাংশু হাজৰিকা
উপ-সভাপতি



বিপুল কুমাৰ শৰ্মা
সাধাৰণ সম্পাদক



দীপক কুমাৰ শইকীয়া
সহঃ সাধাৰণ সম্পাদক




হিমাংশু গৌতম
আলোচনী সম্পাদক



বাসৱ ডেকা
খেল সম্পাদক



দিপাংক চহৰীয়া
সাংস্কৃতিক সম্পাদক



জ্যোতিপ্ৰসাদ ভট্টৰায়
সম্পাদক, তৰ্ক আৰু অধ্যয়ন চক্ৰ



জয়শ্ৰী হাজৰিকা
সম্পাদিকা, ছাত্ৰী জিৰণী কোঠা




মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু কৰ্মচাৰীবৃন্দ

# ছিপাঝাৰ মহাবিদ্যালয়ৰ ১৯৮২ চনৰ পৰা ২০০৬ চনলৈ আলোচনী সম্পাদক আৰু তত্বাৱধায়কসকল

| চন | সম্পাদক | তত্বাৱধায়ক |
|---|---|---|
| ১৯৮২-৮৩ | নন্দীৰাম কলিতা | দ্বিজেন্দ্ৰ তালুকদাৰ |
| ১৯৮৩-৮৪ | কমল হাজৰিকা | দ্বিজেন্দ্ৰ তালুকদাৰ |
| ১৯৮৪-৮৫ | দিলীপ কুমাৰ শইকীয়া | মহেন্দ্ৰ কটকী |
| ১৯৮৫-৮৬ | নিৰেণ নাথ | দেৱব্ৰত বৰদলৈ |
| ১৯৮৬-৮৭ | তপন কুমাৰ নাথ | মোহিনী গোস্বামী |
| ১৯৮৭-৮৯ | প্ৰিয় কুমাৰ বৰা | ৰাম চন্দ্ৰ ডেকা |
| ১৯৮৯-৯০ | আখটাৰ হুছেইন | ৰাম চন্দ্ৰ ডেকা |
| ১৯৯০-৯১ | নিলমণি বৰা | ৰাম চন্দ্ৰ ডেকা |
| ১৯৯১-৯২ | মন্টু চহৰীয়া | জয়ন্ত হাজৰিকা |
| | | তন্দ্ৰালী চৌধুৰী |
| ১৯৯৩-৯৪ | মন্টু চহৰীয়া | বিদ্যাৰাম নাথ |
| ১৯৯৪-৯৫ | দিলীপ কুমাৰ শৰ্মা | প্ৰসন্ন কুমাৰ নাথ |
| ১৯৯৫-৯৬ | দীপেন বৰা | ৰাম চন্দ্ৰ ডেকা |
| ১৯৯৬-৯৭ | দিগন্ত শৰ্মা | দেৱব্ৰত বৰদলৈ |
| ১৯৯৭-৯৮ | অজিত কুমাৰ শৰ্মা | মুকুল কুমাৰ চহৰীয়া |
| ১৯৯৮-৯৯ | জুৰি প্ৰিয়া দেৱী | তিলক ডেকা |
| ১৯৯৯-২০০০ | ভূপেন নাথ | প্ৰসন্ন কুমাৰ নাথ |
| ২০০০-০১ | মৃদুল শৰ্মা | মুকুল কুমাৰ শৰ্মা |
| ২০০১-০২ | দিগন্ত শৰ্মা | প্ৰসন্ন কুমাৰ নাথ |
| ২০০২-০৩ | প্ৰান্টিকা ভট্টাচাৰ্য্য | দেৱব্ৰত বৰদলৈ |
| ২০০৩-০৪ | সমফুল নাথ | ড° দিবাকৰ দাস |
| ২০০৪-০৫ | নৃপেন ডেকা | ড° তন্দ্ৰালী চৌধুৰী |
| ২০০৫-০৬ | হিমাংশু গৌতম | মহেন্দ্ৰ কটকী |

# প্ৰতিষ্ঠাকালৰে পৰা মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক, সভাপতি আৰু কাৰ্যকৰী সভাপতিসকল

| চন | সম্পাদক | সভাপতি | কাৰ্যকৰী সভাপতি |
|---|---|---|---|
| ১৯৭১-৭২ | চুবিদ আলি | ভদ্ৰেশ্বৰ নাথ | ৰেৱণ চন্দ্ৰ নাথ |
| ১৯৭২-৭৩ | আব্দুল মতলিব | চন্দ্ৰপ্ৰভা ভূঞা | ৰেৱণ চন্দ্ৰ নাথ |
| ১৯৭৩-৭৪ | ঘনকান্ত শৰ্মা | চন্দ্ৰপ্ৰভা ভূঞা | ৰেৱণ চন্দ্ৰ নাথ |
| ১৯৭৪-৭৫ | লয়ন চন্দ্ৰ ডেকা | ভৱানন্দ ৰাজখোৱা | ৰেৱণ চন্দ্ৰ নাথ |
| ১৯৭৫-৭৬ | কুঁহিৰাম কলিতা | ভৱানন্দ ৰাজখোৱা | ৰেৱণ চন্দ্ৰ নাথ |
| ১৯৭৬-৭৭ | — | ভৱানন্দ ৰাজখোৱা | ৰেৱণ চন্দ্ৰ নাথ |
| ১৯৭৭-৭৮ | — | ভৱানন্দ ৰাজখোৱা | ৰেৱণ চন্দ্ৰ নাথ |
| ১৯৭৮-৭৯ | — | ভৱানন্দ ৰাজখোৱা | ৰেৱণ চন্দ্ৰ নাথ |
| ১৯৭৯-৮০ | মহেশ্বৰ চহৰীয়া | ভৱানন্দ ৰাজখোৱা | ৰেৱণ চন্দ্ৰ নাথ |
| ১৯৮০-৮১ | টংকেশ্বৰ ডেকা | ভৱানন্দ ৰাজখোৱা | ৰেৱণ চন্দ্ৰ নাথ |
| ১৯৮১-৮২ | টংকেশ্বৰ ডেকা | ভৱানন্দ ৰাজখোৱা | বিদ্যাৰাম নাথ |
| | | ৰেৱণ চন্দ্ৰ নাথ | |
| ১৯৮২-৮৩ | দিবাকৰ চহৰীয়া | ৰেৱণ চন্দ্ৰ নাথ | বিদ্যাৰাম নাথ |
| ১৯৮৩-৮৪ | জিতেন কুমাৰ বৰুৱা | ৰেৱণ চন্দ্ৰ নাথ | বিদ্যাৰাম নাথ |
| ১৯৮৪-৮৫ | দুলাল বৰুৱা | ৰেৱণ চন্দ্ৰ নাথ | বিদ্যাৰাম নাথ |
| ১৯৮৫-৮৬ | ৰমণী ডেকা | ৰেৱণ চন্দ্ৰ নাথ | বিদ্যাৰাম নাথ |
| ১৯৮৬-৮৭ | উত্তম কুমাৰ ডেকা | ৰেৱণ চন্দ্ৰ নাথ | বিদ্যাৰাম নাথ |
| ১৯৮৭-৮৮ | হৰেন্দ্ৰ নাথ ডেকা | ৰেৱণ চন্দ্ৰ নাথ | বিদ্যাৰাম নাথ |
| | দিলীপ কুমাৰ ডেকা (ভাঃ) | | |
| ১৯৮৮-৮৯ | কৈলাশ চহৰীয়া | ৰেৱণ চন্দ্ৰ নাথ | বিদ্যাৰাম নাথ |
| ১৯৮৯-৯০ | মইনুল হক চৌধুৰী | ৰেৱণ চন্দ্ৰ নাথ | বিদ্যাৰাম নাথ |
| ১৯৯০-৯১ | অনিল চহৰীয়া | ৰেৱণ চন্দ্ৰ নাথ | কনক চন্দ্ৰ ডেকা |
| ১৯৯১-৯২ | জগদ্দীশ বৰুৱা | ৰেৱণ চন্দ্ৰ নাথ | কনক চন্দ্ৰ ডেকা |
| ১৯৯২-৯৩ | হবিবৰ ৰহমান | ৰেৱণ চন্দ্ৰ নাথ | কনক চন্দ্ৰ ডেকা |
| ১৯৯৩-৯৪ | সুভাষ নাথ | ৰেৱণ চন্দ্ৰ নাথ | কনক চন্দ্ৰ ডেকা |
| ১৯৯৪-৯৫ | পৰেশ বৰুৱা | ৰেৱণ চন্দ্ৰ নাথ | কনক চন্দ্ৰ ডেকা |
| ১৯৯৫-৯৬ | জয়ন্ত কুমাৰ নাথ | ৰেৱণ চন্দ্ৰ নাথ | কনক চন্দ্ৰ ডেকা |
| ১৯৯৬-৯৭ | মহেন্দ্ৰ ডেকা | ৰেৱণ চন্দ্ৰ নাথ | কনক চন্দ্ৰ ডেকা |
| ১৯৯৭-৯৮ | বিপুল ডেকা | ৰেৱণ চন্দ্ৰ নাথ | কনক চন্দ্ৰ ডেকা |
| ১৯৯৮-৯৯ | বদৰুল জামান | ৰেৱণ চন্দ্ৰ নাথ | তীৰ্থনাথ শৰ্মা |
| ১৯৯৯-২০০০ | মৃণাল কুমাৰ নাথ | ৰেৱণ চন্দ্ৰ নাথ | কনক চন্দ্ৰ ডেকা |
| ২০০০-০১ | বিনোদ চহৰীয়া | ৰেৱণ চন্দ্ৰ নাথ | প্ৰসন্ন কুমাৰ নাথ |
| ২০০১-০২ | দীপক কুমাৰ নাথ | ৰেৱণ চন্দ্ৰ নাথ | তীৰ্থনাথ শৰ্মা |
| ২০০২-০৩ | নিৰ্মল নাথ | ৰেৱণ চন্দ্ৰ নাথ | তীৰ্থনাথ শৰ্মা |
| | | বিদ্যাৰাম নাথ | |
| ২০০৩-০৪ | কৃষ্ণৰায় বৰুৱা | বিদ্যাৰাম নাথ | মহেন্দ্ৰ কটকী |
| ২০০৪-০৫ | ৰতন চন্দ্ৰ নাথ | বিদ্যাৰাম নাথ | মহেন্দ্ৰ কটকী |
| | | ড° দেবেন্দ্ৰ নাথ শৰ্মা | |
| ২০০৫-০৬ | বিপুল কুমাৰ শৰ্মা | ড° দেবেন্দ্ৰ নাথ শৰ্মা | কনক চন্দ্ৰ ডেকা |


Magazine
Sipajhar College